REFERENCE
(Not for Issue)
... Inside Library

# Assam
# Legislative Assembly
# Debates

सत्यमेव जयते

1987

## OFFICIL REPORT

THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SIXTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

## VOL. III

### NO. 11

The 7th March, 1979

*Geetali Art Press, Dispur, G. S. Road,*
*Guwahati—781 022*

## DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1979

( Budget Session )

Volume— III

No— 11

Dated the 7th March, 1979.

### CONTENTS.


| | | Pagse |
|---|---|---|
| 1. | Questions ... ... ... ... | 5— 45 |
| 2. | Miscellaneous ... ... ... ... | 46— 51 |
| 3. | Calling Attention ... ... ... ... | 52— 53 |
| 4. | Matter under rule 301 ... ... ... | 54— 56 |
| 5. | General discussion on budget ... ... | 57—129 |
| 6. | Adjournment ... ... ... ... | 130 |

**Proceedings of the Third Session of the Assam Legislative Assembly assembled after the Sixth General Elections under Sovereign Democratic Republican Constitution of India.**

---

The House met in the Assembly Chamber, Dispur, Gauhati on Wednesday the 7th March, 1979 with the Hon. Speaker in the Chair, 10 ( ten ) Ministers, 4 ( four ) Ministers of State, 4 ( four ) Parliamentary Secretaries and 70 ( seventy ) Members present.

---

## STARRED

## QUESTIONS AND ANSWERS

**Date : 7th March, 1979.**

( To which oral answers were given )

---

Starred Question No. 118 was not put, the Member being absent.

**বিষয় ঃ অসম কো-অপাৰেটিভ এপেক্স বেঙ্কৰ লগত কো-অপাৰেটিভ চেণ্ট্ৰেল বেঙ্ক সমূহৰ চামিলকৰণ**

শ্ৰীগোলক ৰাজবংশীয়ে সুধিছে ঃ

* ১১৯। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:—

(ক) অসম কো-অপাৰেটিভ এপেক্স বেঙ্কৰ লগত অসমৰ কো-অপাৰেটিভ চেণ্ট্ৰেল বেঙ্ক চামিলকৰণ হোৱাত কিমানজন লোকে বেঙ্কৰ চাকৰি হেৰুৱাব লগা হ'ল ?

(খ) এই চাকৰিয়াল সকলৰ মাজত এপেক্স বেঙ্কৰ ৩।৪ বছৰ ডেপুটেচনত কাম কৰা লোকো আছে নেকি ?

(গ) এওঁলোকক চাকৰিৰ পৰা ৰেহাই দিয়াৰ জাননী কেতিয়া দিয়া হৈছিল ?

শ্ৰীসোনেশ্বৰ বৰা ( সমবায় বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

১১৯। (ক)— ২৮৬ জন।

(খ)— হয়।

(গ)— ২টা বেঙ্কে ১১।১।৭৯ তাৰিখে আৰু ২টা বেঙ্কে ১২।১।৭৯ তাৰিখে আৰু ২টা বেঙ্কে ১৩।১।৭৯ তাৰিখে জাননী দিয়ে।

**Re : Merger of District Central Co-operative Banks with Assam Co-operative Apex Bank Ltd.**

Shri Promode Gogoi asked :

*120. Will the Minister Co-operation be pleased to state—

(a) Whether it is a fact that the Assam Government have decided to merge the District Central Co-operative Banks with the Assam Co-operative Apex Bank Ltd ?

(b) If so, whether employees and officers of the District Central Co-operative Banks will be absorbed under the new schemes ?

Shri Soneswar Bora (Minister, Co-operation) replied :

(ক)— হয়।

(খ)— চামিল কৰা আঁচনি অনুযায়ী উক্ত কৰ্মচাৰী সকলক যোগ্যতা অনুসৰি প্ৰথমে ১৫৭ জনক অসম এপেক্স বেংকত ২৭ জনক সমবায় বিভাগৰ আৰু ১০৯ জনক অসম কেদাৰ মেনেজমেণ্ট চচাইটিত নিযুক্তি দিয়া হৈছে। অৱশিষ্ট কৰ্মীসকলক চৰকাৰৰ বিভিন্ন বিভাগত আৰু প্ৰতিষ্ঠানত নিযুক্তি দিয়াৰ বাবে যত্ন লৈ থকা হৈছে।

বিষয় ঃ কেন্দ্ৰীয় সমবায় বেঙ্ক সমূহক অসম সমবায় এপেক্স বেঙ্কৰ লগত চামিলকৰণ

শ্ৰীমুকুট শৰ্মাই সুধিছে ঃ

* ১২১। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) কেন্দ্ৰীয় সমবায় বেঙ্কক অসম সমবায় এপেক্স বেঙ্কৰ লগত চামিল কৰা হৈছে নেকি ?

(খ) যদি হৈছে, কেন্দ্ৰীয় সমবায় বেঙ্কৰ সকলো কৰ্মচাৰীকে এপেক্স বেঙ্কক গ্ৰহন কৰিছে নেকী ?

(গ) যদি নাই কৰা, তেন্তে উক্ত কৰ্মচাৰী সকলৰ অৱস্থা কি হব ?

শ্ৰীসোনেশ্বৰ বৰা (সমবায় বিভাগৰ মন্ত্ৰী) যে উত্তৰ দিছে :

১২১। (ক) — হয়। ছয়টা কেন্দ্ৰীয় সমবায় বেঙ্কক অসম সমবায় এপেক্স বেঙ্কৰ লগত চামিল কৰা হৈছে।

(খ)— নাই কৰা।

(গ)— এপেক্স বেঙ্কে গ্ৰহণ নকৰা কৰ্মচাৰী সকলৰ ভিতৰৰ কিছুমানক সমবায় বিভাগে আৰু কিছুমানক গাওঁ পঞ্চায়ত সমবায় সমিতিবোৰৰ সম্পাদক পদত নিযুক্তি দিয়া হৈছে। বাকী কৰ্মচাৰী বিলাকক বিভিন্ন চৰকাৰী বিভাগত নাইবা অন্য অনুষ্ঠানত নিযুক্তি দিবলৈ জোৰ প্ৰচেষ্টা চলাই যোৱা হৈছে।

শ্ৰীগোলোক ৰাজবংশী :— মাননীয় অধ্যক্ষ মহোদয়, এইটো কথা সচাঁনেকি যে কিছুমান কৰ্মচাৰীয়ে যেতিয়া কেন্দ্ৰীয় বেংক আছিল তেতিয়া এপেক্স বেংকত যোগ্য বুলি তিনি চাৰি বছৰ কাম কৰিবলৈ দিয়া হৈছিল। কিন্তু যেতিয়া চামিল কৰা হ'ল তেতিয়া তেওঁলোকক অযোগ্য বুলি বিবেচনা কৰি কিয় যোগ দিবলৈ নিদিলে ?

শ্ৰীসোনেশ্বৰ বৰা (মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, কথাটো তেনেকুৱা নহয়। বেংক চামিলকৰণৰ যেতিয়া প্ৰস্তাৱ হ'ল তেতিয়া চেণ্ট্ৰেল বেংকত ডেপুটেচনত কাম কৰিবলৈ দিয়া হৈছিল। তাৰ পিচত নিৰ্বাচনী কমিটিয়ে এই কৰ্মচাৰী সকলক নিৰ্বাচন কৰা নাছিল। গতিকে চামিলকৰণ কাৰ্য্য সমাধা হোৱাৰ পিচত তেওঁলোক নিয়োগৰ পৰা বঞ্চিত হৈ ৰল।

শ্ৰীগোলোক ৰাজবংশী :— যি সকল কৰ্মচাৰীক ডেপুটেচনত কাম কৰিবলৈ দিয়া হৈছিল তেওঁলোকক যোগ্য বুলিয়ে দিয়া হৈছিল। তেওঁলোকে তিনি চাৰি বছৰ কাম কৰাৰ পিচত কেনেকৈ অযোগ্য বুলি বিবেচনা কৰিলে ?

শ্ৰীসোনেশ্বৰ বৰা (মন্ত্ৰী) ঃ— তেওঁলোকক নিৰ্বাচনী কমিটিয়ে নিৰ্বাচন কৰা নাছিল। যি সকল কৰ্মচাৰীয়ে ইচ্ছা কৰিছিল তেনেকুৱা সকলৰ মতামত অনুসৰি ১২ জন কৰ্মচাৰীক বিভিন্ন ঠাইত ডেপুটেচনত কাম কৰিবলৈ দিয়া হৈছিল।

শ্ৰীমুকুট শৰ্মা :— কিছুমান কেন্দ্ৰীয় বেংকৰ কৰ্মচাৰীয়ে ২০।২২ বছৰ চাকৰী কৰাৰ পিচত ৰিট্ৰেন্স কৰা হৈছে। আৰু এইটোও সঁচা নেকী যে নগাওঁ কেন্দ্ৰীয় সমবায় বেংকৰ কৰ্মচাৰী সকলক ১৩।১।৭৯ তাৰিখে মাঘ বিহুৰ উৰুকাৰ দিনা ৰিট্ৰেন্স কৰাৰ নোটিশ দিছিল। ইমান দিন কাম কৰাৰ পিচত বিহুৰ আগদিনা তেওঁলোকক কিয় ৰিট্ৰেন্স কৰা হ'ল ?

শ্ৰীসোনেশ্বৰ বৰা (মন্ত্ৰী) ঃ— বিহু বুলি কথা নাই। অঞ্চলতে ১১।১।৭৯ তাৰিখে কামৰূপত, দৰংত গোৱালপাৰা আৰু কাছাৰত ১২।১।৭৯ তাৰিখে আৰু নগাওঁ, ডিব্ৰুগড়ত ১৩।১।৭৯ তাৰিখে এই নোটিশ

দিয়া হৈছিল।

শ্ৰীপ্ৰমোদ গগৈ :— মন্ত্ৰী ডাঙৰীয়াই তেখেতৰ প্ৰশ্নত্তোৰত কৈছে যে জিলা কো-অপাৰেটিভ বেংক বিলাকৰ কিছু সংখ্যক কৰ্মচাৰী নতুন বেংকৰ লগত সংস্থাপনৰ কথা ভাবিছে আৰু কিছু অংশ কৰিছেও। তেখেতে এইটো স্পষ্ট ভাবে জনাবনে যে বৰ্ত্তমান জিলা কেন্দ্ৰীয় কো-অপাৰেটিভ বেংকত কাম কৰি থকা কৰ্মচাৰী সকলৰ ভিতৰত কিছু সংখ্যকক আসাম কো-অপাৰেটিভ এপেক্স বেংকত নিযুক্তি দিব পাৰিব ?

শ্ৰীসোনেশ্বৰ বৰা (মন্ত্ৰী) :— মই কৈছোৱেই যে ১৬০ জনক ইতিমধ্যে নিয়োগ কৰা হৈছে। ইতিমধ্যে কেন্দ্ৰীয় বেংক য'ত য'ত চলি আছে সেইবিলাক ১৬ টা এপেক্স বেংকৰ ব্ৰাঞ্চ খোলা হৈছে। যেতিয়া এইবিলাক ঠাইত ব্যৱসায় বানিজ্য বাঢ়ি যাব তেতিয়া কিছু সংখ্যক কৰ্মচাৰীক নিয়োগ কৰিব পৰা যাব।

শ্ৰীমুকুট শৰ্মা :— মোৰ প্ৰশ্নটোৰ উত্তৰ ঠিক হোৱা নাই। মই সুধিছো যে ১০।১২ বছৰ চাকৰী কৰি থকা মানুহক অব্যাহতি দিয়া হৈছে নেকি আৰু যোৰহাট কেন্দ্ৰীয় এপেক্স বেংকটো চামিল কৰা হৈছে নেকি ?

শ্ৰীসোনেশ্বৰ বৰা (মন্ত্ৰী) :— যোৰহাট কৰা নাই শিৱসাগৰ জিলা এপেক্স বেংকহে কৰা হৈছে। যিবিলাক বেংকে নিজে চলিব পাৰে আৰু ৰিজাৰ্ভ বেংকৰ পৰাও অনুমতি পাইছে সেইবিলাক কেন্দ্ৰীয় বেংক হিচাবেই আছে। কিন্তু বাকী যিবিলাকে নিজে চলিব নোৱাৰে আৰু ৰিজাৰ্ভ বেংকৰো অনুমতি পোৱা নাই সেইবিলাকক এপেক্স বেংকৰ লগত চামিল কৰা হৈছে। শ্ৰীমুকুট শৰ্মা ডাঙৰীয়াৰ

প্ৰশ্নৰ উত্তৰত কওঁ যে যিবিলাক কৰ্মচাৰীয়ে ২০।২২ বছৰ চাকৰী কৰাৰ পিচতো নিৰ্বাচনী কমিটিয়ে নিৰ্বচন নকৰিলে সেইসকলে এপেক্স বেংতক যোগ দিয়াৰ পৰা বঞ্চিত হৈছে যিহেতুকে এটা নিৰ্দিষ্ট সংখ্যক কৰ্মচাৰীকহে নিযুক্তি দিব পৰা হৈছে।

শ্ৰীঅতুল গোস্বামী :— কেন্দ্ৰীয় বেংক প্ৰতিষ্ঠা হোৱাৰ পৰা চালিকৰা হোৱাৰ তাৰিখলৈকে কিমান খিলাফি হ'ল আৰু কিমান লোকচান হ'ল জনাবনে?

শ্ৰীসোনেশ্বৰ বৰা (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, এই ৬টা বেংকৰ লোকচান এনেধৰণৰ—

গোৱালপাৰা— ২, ৯৬, ৮৯৭ ৮৫ টকা;
কামৰূপ :— ৪০, ৩৩, ২০৮° ৯৩ টকা,
তেজপুৰ :— ১৩, ৯০ ৬৪৬: ১৭ টকা,
নগাওঁ :— ৬০, ৫৭, ২৭২° ৪৫ টকা,
ডিব্ৰুগড় :— ৫, ১০, ৫৭৮ : ৮১ টকা,
কাছাৰ :— ৫৭, ৫১ ৪:৭ ' ২০ টকা,
মুঠ লোকচান হৈছে :— ২, ৩৭, ৪০, ২১ ' ৫১ টকা।

এই বেংক কেইটাৰ খিলাফি হৈছে…
গোৱালপাৰা :— ১, ৭১, ৬৪, ৮৫০ : ৬৫ টকা,
কামৰূপ :— ১, ২৩, ২৩, ০৫৮ ' ০৫ টকা।,
তেজপুৰ :— ৯৩, ৭১, ৩৩৭ ' ১৮ টকা,
নগাওঁ :— ১, ৯২, ৩৩, ৮৬১ ' ৬৩, টকা,
ডিব্ৰুগড় — ১৪, ৩১, ৯১৪ : ০৫ টকা,

কাছাৰ :— ১, ৫৩, ১৫, ১৬৯ : ৪৩ টকা,
শিৱসাগৰ :— ৫৩, ২৮, ৬৭২ : •৫ টকা,

মুঠ— ৮, •১, ৭৭, ৮৬৪ : ১৪ টকা,

শ্ৰীনুকুল হুদা :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয় অনুগ্রহ করে আমাদের জানাবেন কি যে সমস্ত ৩য় এবং ৪র্থ শ্রেনীর কর্মচারিদের এখন পর্যন্ত কাজে নেওয়া হয়নি তাদেরে এপেকস্ ব্যাংকে বা অন্য যেকোনও যায়গায় কবে পর্যন্ত নেওয়া হবে ?

আমার আর একটি প্রশ্ন হলো যে সিলেকশন কমিটী এই ব্যাপারে যে সমস্ত বাছাই করেছিল তার কি ক্রাইটেরিয়া ছিল এবং এটা কি সত্য যে এই সিলেকশনের ব্যাপারে সিনিওরিটি বিবেচনা করা হয়নি অনেক জুনিয়র দের সিলেকশন করা হয়েছে ? যেমন আমাদের মাননীয় সদস্য শ্রীমুকুট শর্মা যে কথা বলেছেন যে যেসব কর্মচারি ১৮।২০।২২ বৎসর ধরে কাজ করেছেন তাদেরে সিলেক্‌ট করা হয়নি। সুতরাং কিসের ভিত্তিতে তাদেরে সিলেক্‌ট করা হয়েছিল ?

শ্ৰীসোনেশ্বৰ বৰা (মন্ত্ৰী) ঃ— যি সকল কৰ্মচাৰীয়ে এপেক্স বেংকত নিয়োগ পোৱা নাই বা যি সকল জুনিয়ৰ ইন্সপেক্টৰক সমবায় সমিতি সমূহত নিয়োগ দিয়াৰ পিছত বাকী থাকিল সেইসকল কৰ্মচাৰীক ২।৩ মাহৰ ভিতৰতে ৰাজ্যখনৰ বিভিন্ন দপ্তৰত যাতে নিয়োগৰ সুবিধা পাব পাৰে তাৰ ব্যৱস্থা কৰিবলৈ চিন্তা কৰা হৈছে। গতিকে ৯।২।৭৯ তাৰিখে পাৰচনেল আৰু নিয়োগ দপ্তৰৰ পৰা সকলো দপ্তৰৰ মুৰব্বী বিষয়ালৈ এই চাত্তাই কৰ্মচাৰী সকলক লবৰ কাৰণে অনুৰোধ জনাই চেষ্টা কৰিবলৈ কোৱা হৈছে আৰু

লগতে ৪০ বছৰ বয়সৰ সীমালৈ শিথিল কৰিবলৈ আৰু কোনো লিখিত পৰীক্ষা ইত্যাদি বহিবলৈ নিদিয়াকৈ যাতে তেওঁলোকক লব পাৰি সেই বিষয়ে কোৱা হৈছে। আনহাতে ১৯৭৭ চনৰ অক্টোবৰ মাহত চিলেক্ট কমিটিয়ে এই সকল এপেক্স বেংকত নিয়োগ পোৱা কৰ্মচাৰী সকলক চিলেক্ট কৰিছিল। এই কমিটিত আছিল জইন ৰেজিষ্টাৰ কো-অপাৰেটিভ শ্ৰীঅৱনী মাধৱ বৰুৱা, শ্ৰীতুৰবা এপেক্স বেংকৰ বিষয়া, কেন্দ্ৰীয় বেংকৰ নগাওঁ শাখাৰ চেয়াৰমেন এই চিলেক্ট কমিটিৰ মেম্বাৰ আছিল। এই কৰ্মচাৰী সকলৰ এ, চিআৰ চাই তেখেত সকলৰ যোগ্যতা অনুসৰি এই কাম বিলাক কৰা হৈছে বুলি কোৱা হৈছে।

শ্ৰীআলতাফ হুচেইন মজুমদাৰ :— মই মন্ত্ৰী মহোদয়ৰ পৰা দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে এইবিলাক সিলেকসনৰ ক্ষেত্ৰত কোনো নিয়ম নীতি পালিত হোৱা নাই। এজন মানুহে ২০ বছৰ বেংকত একাউণ্টেট হিচাবে কাম কৰিছে অথচ তেওঁতকৈ জুনিয়ৰ মানুহক এপেক্স বেংকত লোৱা হৈছে। এই চিনিঅৰ মানুহক তাত নিযুক্তি নিদিয়াৰ কাৰণে এওঁলোকৰ ক্ষেত্ৰত ইনজাচটিচ কৰা হোৱা নাই নে? এইবিলাক কথা চাবনে?

শ্ৰীসোনেশ্বৰ বৰা (মন্ত্ৰী) :— এই সকল চিলেক্ট কমিটিৰ দ্বাৰা ১৯৭৭ চনৰ অক্টোবৰ মাহতে নিৰ্ব্বাচিত হয়। আৰু সেইবিলাককেই কাটকোট নকৰাকৈ চৰকাৰে গ্ৰহন কৰিছে। চিলেকচন কৰাৰ পিচত মুঠ সংখ্যাৰ ভিতৰত শিৱসাগৰত আছিল চেণ্ট্ৰেল বেংকৰ ১৯ জন। ডেপুটেচনৰ ১২ জনৰ ভিতৰত ৪ জনক পুনৰ লোৱা হৈছিল। এই কেইজনক আৰু শিৱসাগৰৰ ভাগৰ ১৯ জনৰ প্ৰতি নতুনকৈ লওঁতে লোৱা ১৯ জনক চিনিঅৰিটি ফাদৰ পৰা লোৱা হৈছে।

শ্ৰীগজেন তাঁতী :— মন্ত্ৰী মহোদয়ে জনাইছে যে চেণ্টেল বেংকৰ বহু কোটি টকা লোকচান আৰু খিলাফী হৈ আছে। এতিয়া এই বেংক এপেক্স বেংকৰ লগত মাৰজ কৰোতে কেনেকুৱা বিলাক স্বত্বত কৰা হৈছে, কিয়োনো বহু মানুহৰ টকা এই বেংকত জমা হৈ আছে। সেইবিলাক যাতে লোকচান নহয় তাৰ কি কি স্বত্ব ৰাখিছে।

শ্ৰীসোনেশ্বৰ বৰা (মন্ত্ৰী) :— এই লেন-দেন পাওনা দেনা বোৰ এনেধৰণৰ : দেনা হৈছে, অংশ মূল্য ৭১.৩৪ লাখ, আছুতীয়া পুঁজি ১১.৩৬ লাখ, জমাধন ১৩২.৯৫ লাখ, ঋণ ৭৭২.৭০ লাখ, সুত ৪৯৬.১০ লাখ, মুঠ ১,৪৮৪.৪৫ লাখ। পাওনা হৈছে জমাধন ১৩.১৯ লাখ, বিনিয়োগ গঠন ৬২.০৫ লাখ, ধাৰ ৭৪৮.৪ লাখ, ঘৰদুৱাৰ ৬.০৭ লাখ, সুত ৩০৮.২৬ লাখ, আচবাব পত্ৰ ১.৪১ লাখ আৰু অন্যান্য সা-সম্পত্তি ৪.৮৯ লাখ মুঠ ১,১৪৪.২৮ লাখ।

এই চামিলকৰণ কৰোতে তাত ১৯৭৩ চনত ৰিৰ্জাভ-বেঙ্কৰ পৰামৰ্শ মতে আৰু ২৮।৬।৭৪ তাৰিখৰ চৰকাৰৰ সিদ্ধান্ত আৰু নিৰ্দেশ অনুযায়ী চামিলকৰণ কৰা হয়। আৰু মই যোৱা বিধান সভাতে কৈছিলো যে ইয়াৰ আধা টকা গৰ্ভনমেণ্টে দিব।

শ্ৰীগজেন তাঁতী :— চেণ্ট্ৰেল গভৰ্ণমেণ্টে কিমান দিব আৰু ৰাজ্য চৰকাৰে কিমান দিব এমেলগেমেট হোৱাৰ পিচত।

শ্ৰীসোনেশ্বৰ বৰা (মন্ত্ৰী) :— সঠিক সংখ্যাটো কিমান দিব এইটো এতিয়া কব পৰা নাই।

শ্ৰীপ্ৰেম বৰা :— অসমৰ চেণ্ট্ৰেল বেংক আৰু এপেক্স বেংক এই দুয়োটাই সমবায়ৰ অনুষ্ঠান। এই দুটা বেংকৰ চামিলকৰণ কৰোতো ইয়াৰ

এচেট্ লাইবেলিটিজ একেলগে লোৱা হৈছে। দুয়োটাৰ সমবায় অনুস্থানত কাম কৰা কৰ্ম্মচাৰী সকলক লোৱাত চৰকাৰৰ কি আপত্তি থাকিব পাৰে।

শ্ৰীসোনেশ্বৰ বৰা (মন্ত্ৰী):— আপত্তি একো নাই, কেৱল এই এপেক্স বেংক জীয়াই থাকিব লাগিব। বেংকত আৱশ্যক মতে যিমানখিনি কৰ্ম্মচাৰী দৰকাৰ তাতকৈ যদি বেচি সংখ্যক ৰাখিব লগীয়া হয় তেতিয়াহলে এপেক্স বেংক জীৱাই থকাতো সম্ভৱ নহব। গতিকে আৱশ্যক অনুযায়ী লোৱা হৈছে।

শ্ৰীপ্ৰেম বৰা ঃ— যিহেতু দুয়োটাই সমবায় অনুস্থান তেনে ক্ষেত্ৰত চামিলিকৰণ কৰিবলৈ যওঁতে কিয় এটা বেংকৰ কৰ্ম্মচাৰী বাদ দিব লগীয়া হল ?

শ্ৰীসোনেশ্বৰ বৰা ঃ— মই হিচাবটো দিছোৱেই, এপেক্স বেংকে যদি আৰু কৰ্ম্মচাৰীৰ বোজা লব লগীয়া হয় তেতিয়াহলে এই বেংক উৰি যাব। গতিকে ই জীৱাই থাকিবলৈ যিমানখিনি কৰ্ম্মচাৰী আৱশ্যক সেইখিনিহে লোৱা হব।

শ্ৰীহেমেন দাস :— তেওঁলোকৰ এচেৎচ এন্ড লাইএকিলিটি গ্ৰহণ কৰিব বুলি কৈছে। কিন্তু তেওঁলোকক এতিয়ালৈকে গ্ৰহণ কৰা হোৱা নাই। আনহাতে মন্ত্ৰী মহোদয়ে কৈছে যে চৰকাৰৰ নিৰ্দ্দেশমতে তেওঁলোকৰ বয়সৰ সীমা ৪০ বছৰলৈ বঢ়াই দিয়া হৈছে। যিবিলাকৰ ২০-২৫ বছৰ বয়স হল সেইবিলাকেই চাকৰি পোৱা নাই। যিসকলৰ ২৫ বছৰ বয়স হৈছে তেওঁলোকক অন্য ঠাইত চাকৰি পোৱাৰ পৰা বঞ্চিত কৰা হৈছে। এই অৱস্থাৰ কথা মন্ত্ৰী মহোদয়ে পুনৰ বিবেচনা কৰিব নে ?

শ্ৰীসোনেশ্বৰ বৰা (মন্ত্ৰী) ঃ— বেলেগে ব্যৱস্থা কৰা হৈছে আৰু চাকৰি চামিল-কৰণ হোৱা নাই আৰু তেওঁলোকক সকলোকে যে লব লাগিব তাৰ চুক্তি চৰকাৰৰ নাছিল। কিন্তু মানৱতাৰ খাতিৰত এইসকল মানুহক বিভাগীয় বিভিন্ন দপ্তৰত চাকৰি দিয়াৰ কাৰণে ব্যৱস্থা কৰা হৈছে।

শ্ৰীহেমেন দাস :— ৪০ বছৰ বয়সৰ সীমা বান্ধি দিয়া হৈছে। কিন্তু যি-সকলৰ বয়স ৪০-৫০ ৰ ভিতৰত আছে সেই সকলৰ বিষয়ে কি চিন্তা কৰা হৈছে ?

শ্ৰীসোনেশ্বৰ বৰা (মন্ত্ৰী) ঃ— বিভাগে শিথিল কৰি দিয়াৰ ব্যৱস্থা লব পাৰে।

শ্ৰীৰমেশ চহৰীয়া ঃ— ১৬টা কেন্দ্ৰীয় বেংক চামিল কৰণ কৰাৰ পিচত ১৬ টা অতিৰিক্ত শাখা খোলা কথা কোৱা হৈছে। এই শাখা খোলাৰ পিচত এপেক্স বেংকত বৰ্ত্তমান ডিপজিত এমাউণ্ট কিমান আছে ? এই ডিপজিত এমাউণ্টৰ ভিতৰত গ্ৰআৰচ ডিপজিত এমাউণ্ট কিমান আছে আৰু এই ডিপজিত এমাউণ্টৰ পৰা ৰাইজক কিমান ল'ন দিয়া হৈছে ?

শ্ৰীসোনেশ্বৰ বৰা (মন্ত্ৰী) :— গ্ৰআৰচ ডিপজিতৰ কথাটো এতিয়া কোৱা টান হব। কিন্তু সেই ডিপজিটত যিখিনি টকা আছে সেইখিনি এপেক্স বেংকে দিব পাৰিব।

শ্ৰীনগেন বৰুৱা :— মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰো যে চেণ্ট্ৰেল বেংক আৰু এপেক্স বেংক এই দুয়োটা বেংক চামিল কৰিব লগা হল। কো-অপাৰেটিভ বেংকবিলাকৰ অৱস্থা ভাল কিন্তু জিলাৰ চেণ্ট্ৰেল বেংকবিলাক যোৱা কেইবছৰ মানৰ ভিতৰত দেউলীয়া হল। এই অৱস্থা কিয় হব পালে ইয়াৰ কাৰণ বিচাৰ কৰিছে নে ?

যদি বিচাৰ কৰিছে ইয়াৰ কাৰণসমূহ কি আছিল ? এইটো প্ৰতি-বিধান কৰিবৰ কাৰণে চামিল কৰাটোই একমাত্ৰ ব্যৱস্থা বুলি ভাবিছেনে অন্য যিবিলাক কাৰণ আছিল সেইবিলাক সংশোধনৰ কাৰণে কিবা ব্যৱস্থা লৈছে ?

শ্ৰীসোনেশ্বৰ বৰা ( মন্ত্ৰী ):— এই কথা ঠিক যে বেংক বিলাক দেউলীয়া হোৱাৰ কাৰণ অনেক আছে। সেই গোটেই খিনি কথা কোৱাটো উচিত নহব।

শ্ৰীগিয়াচুদ্দিন আহমেদ ঃ— গোটেই কথাটো অলপ গোলমলীয়া হৈছে। আচ-লতে এপেক্স বেংবিলাকৰ লগত চেণ্ট্ৰেল বেংকবিলাক চামিলকৰণৰ কথা কৈছে যদিও এইটোৰ দ্বাৰা চেণ্ট্ৰেল বেংকবিলাক লিকুইডিচন হোৱা নাই জানো গোটেই এচেৎচ এণ্ড লাইএবিলিটি এপেক্স বেংকৰ ওপৰত জাপি দিয়া হৈছে। সেইটো যদি হয় কোন আইনমতে কোনে কৰিলে ? এপেক্স বেংক বা চেণ্ট্ৰেল বেংকৰ কোন নিয়মমতে এই বেংক দুটা চামিল কৰণ কৰা হৈছে ?

সোনেশ্বৰ বৰা (মন্ত্ৰী) ঃ— ৰিজাৰ্ভ বেংকৰ পইচা এপেক্স বেংকে আনে আৰু এপেক্স বেংকৰ পইচা চেণ্ট্ৰেল বেংকে নি ব্যৱসায় কৰে। আচল গুৰিত হল ৰিজাৰ্ভ বেংক। যেতিয়া এই বেংকবিলাক দেউলীয়া হৈ যোৱা দেখিলে তেতিয়া ৰিজাৰ্ভ বেংকে ১৯৭৩ চনত নিৰ্দ্দেশ দিলে যে হয় এই বেংকবিলাক লিকুইডিচনত দিব লাগিব নহয় এপেক্স বেঙ্কৰ লগত চামিল কৰিব লাগিব। লিকুইডিচনত দিলে অংশি-দাৰসকল, জমাথোৱা সকল আৰু চাকৰিয়াল সকলৰ অৱস্থা নাই-কীয়া হৈ যাব। তেতিয়াৰ চৰকাৰে ২৪-৬-৭৪ তাৰিখে কেবিনেটত সিদ্ধান্ত ললে যে চামিল কৰণ কৰি অংশীদৰ সকল, জমাথোৱা সকল, আৰু কৰ্ম্মচাৰী যাতে সকলক ৰক্ষা কৰাৰ ব্যৱস্থা কৰা

হওক আৰু সমবায় বিভাগ বদনামৰ কালিমাৰ পৰা ৰক্ষা পৰে তাৰ চেষ্টা কৰিলে। সমবায় বিভাগৰ মুৰত যাতে ৰামটাঙোন নপৰে তাৰ বাবেই হয়তো এই ব্যৱস্থা কৰিলে।

শ্ৰীদীপক ভট্টাচাৰ্য্য :— মহোদয় কোঃ অপাঃ চেন্ট্ৰেল, ব্যাংকের কর্ম্মচারীগণ ১০-১২ বৎসর কাজ করার পর যারা এপেক্স ব্যাংকে এসেছেন তারা বেতন, ডি এ ইত্যাদি নিয়ে সর্বমোট ৩৫০ টাকা মাসে পান। অথচ এপেক্স ব্যাংকে যারা কাজ করেণ তারা শুরুতেই ৫০০ টাকা করে মাসে বেতন পান। এই বৈষম্য দূর করার ব্যৱস্থা হবে কি? তাছাড়া কাছাড় সেন্ট্রেল ব্যাংকেব কর্ম্মচারীরা ১৯৭৭ ইংরাজীতে ৪ মাসের বেতন পাননি এবং গত ১ বছরেরও বোনাসের টাকা বাকী আছে এই টাকা দেওয়া হবে কি?

শ্ৰীসোনেশ্বৰ বৰা (মন্ত্ৰী)— বাকী থকা খিনিৰ হিচাব পত্ৰ কৰি দিব লাগিব। চামিল কৰণৰ পাচত এপেক্স বেংকত যিসকলে চাকৰি পাইছে আৰু দৰমহা সদ্যহতে আগৰ দৰেই পাব, বাকীখিনি পিচত বিবেচনা কৰা হব। মই আগৰ প্ৰশ্ন এটাৰ উত্তৰ দিব থাকি গল। সমবায়ৰ ১৫ ধাৰা অনুসৰি এই চামিল কৰণ কৰা হৈছে।

শ্ৰীগোলক ৰাজবংশী :— চেন্ট্ৰল বেংকৰ অৰ্থ হৈছে গাৱঁলীয়া কৃষকৰ লোন দিয়া। এতিয়া চেন্ট্ৰল বেংক এপেক্স বেংকৰ লগত চামিল কৰি দিয়া হৈছে যি লোন নিদিয়ে। গতিকে এতিয়া খেতিয়ক সকলক লোন দিয়াৰ কাৰণে অন্য কি ব্যৱস্থা লোৱা হৈছে?

শ্ৰীসোনেশ্বৰ বৰা (মন্ত্ৰী) :— চেন্ট্ৰেল বেংক নাথাকিলে যিবিলাক ৰাষ্ট্ৰীয়কৃত বেংক আৰু অন্যান্য বেংক আছে সেই বিলাকৰ জৰিয়তে গাওঁ পঞ্চায়ত আৰু সমবায় সমিতিৰ জৰিয়তে ঋণ দিয়াৰ ব্যৱস্থা আছে।

শ্ৰীগোলক ৰাজবংশী :— অন্য বেংক থাকিলেও চেন্ট্ৰেল বেংকৰ ভূমীকা গুৰুত্ব পূৰ্ণ ৰাষ্ট্ৰীয়কৃত বেংকৰ ফাংচন চেন্ট্ৰেল বেংকৰ ফাংচনৰ দৰে নহয়। চেন্ট্ৰেল বেংকে লোন দিয়াৰ কথাত গুৰুত্ব দিছিল। ৰাষ্ট্ৰীয়কৃত বেংকৰ দ্বাৰা লোন দিলে খেতিয়ক সকল বঞ্চিত নহব নে?

শ্ৰীসোনেশ্বৰ বৰা (মন্ত্ৰী) :— চেন্ট্ৰেল বেংকৰ জন্ম লাভ কৰাৰ বৃত্তান্ত আছে। আমি দেখিবলৈ পাইছো যে গোৱালপাৰাত ৩৭৫৭, কামৰূপত ২০।২।৭০, তেজপুৰত ৪।২।১৯, নগাওঁত ২।৯।২০, ডিব্ৰুগড়ত ২।৩।১৩, কাছাৰত ৩০।৯।২১ চনৰ পৰা চেনট্ৰেল বেংক বিলাক চলি আছিল। গতিকে চেন্ট্ৰল বেংকৰ জন্ম বৃত্তান্ত দীঘলীয়া। এই জন্ম বৃত্তান্ত কবলৈ গলে বৰ ডাঙৰ বুৰঞ্জী হব।

শ্ৰীখগেন বৰবৰুৱা :— কেন্দ্ৰীয় বেংক আৰু এপেক্স বেংকৰ কৰ্ম্মচাৰী সকলক নিয়োগ কৰা হব বুলি আশ্বাস দিছিল। কিন্তু তেওঁলোকৰ চিনিঅৰিটিৰ প্ৰটেকচন হব নে নহয়?

শ্ৰীসোনেশ্বৰ বৰা (মন্ত্ৰী) :— এতিয়া যি সকলক নিয়োগ কৰিছো তেওঁলোকৰ চিনিঅৰিটি প্ৰটেকচন দিয়া হৈছে।

## Re: State Dispensaries of Cachar District

Shri Ramendra De asked :

* 122. Will the Minister of State Health be pleased to state—

(a) The number of state Dispensaries in Cachar

District running without qualified doctors ?

(b) The number of such State Dispensaries in Badarpur Assembly Constituency ?

(c) Whether it is a fact that there are such State Dispensaries at Kaliganj and Rakeshnagar under Karimganj Sub-division ?

(d) If so whether qualified doctors (MBBS) will be posted to the said Dispensaries and if so, when ?

Dr. Kosheswar Bora (Minister of State, Health) replied :

122. (a)— No dispensary is running without qualified doctors.

(b)— Does not arise.

(c)— Kiliganj and Rakeshnagar are manned by qualified doctors of the rank of Medical and Health Officer – II.

(d)— Does not arise as both MBBS and LMP doctors are treated as qualified doctors. The question of posting MBBS doctors will be considered in due course.

শ্রীরামেন্দ্র দে ঃ - মাননীয় অধ্যক্ষ মহোদয়, প্রথমে মন্ত্রী মহোদয় বলেছেন যে কোন এমন ডিস্‌পেন্সারি নেই যেখানে কোৱালিফাইড ডাক্তার

নাই। আবার "সি" প্রশ্নের উত্তরে বলেছেন যে সেখানে কোয়ালিফাইড ডাক্তার দেওয়া হবে সুতরাং এই এ এবং সি এই দুটি প্রশ্নের উত্তর মিলছেনা। পরষ্পর বিরোধী মনে হচ্ছে। যদি সেখানে কোয়ালিফাইড ডাক্তার থাকেন তাহলে সেখানে ডাক্তার দেওয়ার প্রশ্ন উঠেনা। কিন্তু আমি যতটুকু জানি কাছাড় জেলার কালিগঞ্জ এবং রাকেশ নগরে এমন সব সরকারি ডাক্তার আছেন যাদের বেতন মাসে মাত্র ২৮০ টাকা। এবং মন্ত্রী মহোদয়ও স্বীকার করেছেন যে কাছাড়েও অনেক ডিস্‌পেন্সারিতে কোয়ালিফাইড ডাক্তার নাই সুতরাং এ বিষয়ে তিনি কি ব্যবস্থা অবলম্বন করবেন?

শ্রীকোমেশ্বৰ বৰা (মন্ত্ৰী): — অধ্যক্ষ মহোদয়, সদস্য গৰাকীয়ে যিটো প্ৰশ্ন কৰিছে, তাৰে উত্তৰ প্ৰশ্নৰ চিৰ উত্তৰত দিয়া হৈছে। ডিৰ উত্তৰত কোৱা হৈছে যে, এম, বি, বি, এচ, আৰু এল, এম, পি, দুয়ো ডিগ্ৰীৰ ডাক্তৰেই কোৱালীফাইড হিচাবে চলি আছে। কেইজন মান এল, এম, পি ডাক্তৰৰ মাত্ৰ ২-৩ বছৰ মানহে আছে। পাচত সেই বিলাক পোষ্ট আপগ্ৰেডত কৰি এম, বি, বি, এচ, ডাক্তৰ লোৱা হব।

শ্রীবামেন্দ্র দে:— রাকেশ নগর এবং কালিগঞ্জে এল এম পি ডাক্তার আছেন কি না মন্ত্রী মহোদয় জানাবেন কি?

শ্ৰীকোমেশ্বৰ বৰা (মন্ত্ৰী):— সেই দুই এখন ডিচপেনচেৰীতেই যে দুজন এল এম, পি ডাক্তৰ আছে এনে নহয়। ১৯৬৬ চনৰ আগতে অসমৰ বিভিন্ন ঠাইত ১০-১২ জন ডাক্তৰ ইষ্ট পাকিস্থানৰ ইনচটিটিউচনৰ পৰা পাচ কৰি আহি অসমত প্ৰেকটিচ কৰি আছিল আৰু অসমত মেডিকেল কাউন্সিলত তেওঁলোকে পাচ বছৰৰো ওপৰ জনসাধাৰণ শেৱা কৰিছিল। তাৰ পৰিপেক্ষিতত তেওঁলোকক স্পেচিয়েল ৰেজিচ-

ট্ৰেচন কৰি কাম কৰি থাকিবলৈ দিয়া হৈছে।

Shri Altaf Hussain Mazumdar :— Sir, will the Minister be pleased to state is it not obligatory on the part of the doctors to stay in the compound or nearabout ? As a matter of fact in many of the dispensaries in Cachar they do not stay in the compound and come from a long distance and as a result people do not get their services. Are there no quarters and if so whether quarter will be provided ?

ডঃ কোষেশ্বৰ বৰা ( মন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, আমাৰ সদস্য মজুমদাৰ ডাঙৰীয়াই কোৱা কথাটো সচা। ডাক্তৰ হস্পিতালৰ কম্পাউণ্ডত নাথাকে। বহুতো চিকিৎসালয়ৰ এনেকুৱা দুৰবস্থা হৈ আছে যিবিলাকত ডাক্তৰ, নাৰ্চ আৰু ফাৰ্মাচিষ্ট থাকিবলৈ ঘৰ নাই। গতিকে ভাড়া ঘৰত থাকি তেওঁলোকে কাম কৰিব লগা হৈছে। এই বছৰ ডাক্তৰৰ কোৱাটাৰ কৰিব পাৰিম বুলি আচনি লোৱা-হৈছে আৰু ডাক্তৰৰ কোৱাটাৰ থাকিলে ৰাইজে সুবিধা পাব।

শ্ৰীনুরুল হুদা :— মন্ত্ৰী মহোদয় বলেছন যে তদানীন্তন ইষ্ট পাকিস্থান থেকে আগত কাছাড়ে কয়েকজন এবং আসামের অন্যান্য যায়গায় ১২-১৩ জন প্র্যাকৃটিশ নার্স আছেন। তাদের কোনও ডিগ্রী বা ডিপ্লোমা আছে কি ?

আমার দ্বিতায় প্রশ্ন হলো যে এরা কত বৎসর ধরে এইসব ডিস্‌পেন্সারিতে কাজ করছেন এবং তাদের স্কেল অব পে

বত ?

ডাঃ কোষশ্বৰ বৰা (মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, মোৰ আগৰ প্ৰশ্নৰ উত্তৰত কৈছিলো যে, এল, এম, পি বা এম, বি, বি, এচ ডিগ্ৰীৰ ডিপ্লমা লৈ তেওঁলোকে অসমত বহু বছৰ কাম কৰি আছে। কাগজ পত্ৰত পাইছো তেওঁলোকে কোনো ৰিকগনাইজড ইনচটিটিউচনৰ পৰা পাচ কৰা নাছিল, কিন্তু সেই সময়ত অসমত ডাক্তৰ নথকা কাৰণে চিভিল চাৰ্জন বিলাকে কাম চলাব লগা হৈছিল। গতিকে এই ডাক্তৰ সকলক স্পেচিয়েল ৰেজিচট্ৰেচন দি চাকৰি দিয়া হৈছিল। এওঁলোক ৰিটায়াৰ হোৱাৰ পাচত আমাৰ এম, বি, বি এচ ডাক্তৰ লোৱা হব। আমি হিচাব কৰি পাইছো অহা চাৰি পাচ বছৰৰ ভিতৰত এই ডাক্তৰ সকলে চাকৰিৰ পৰা অব্যাহতি পাব। তেখেত সকলৰ দৰমহাৰ বিষয়ে মই সঠিককৈ নাজানো কিন্তু সদস্য দে ডাঙৰীয়াই এইটো জানিব।

( ভইচ-দৰমহা অ ছিল ১৮০ টকা )

শ্ৰীদীপক ভট্টচাৰ্য্য :— স্যার, হাইলাকান্দিতে নিত্যানন্দপুর ষ্টেট ডিস-পেন্সারিতে ডাক্তারের কোয়ার্টার আছে কিন্তু গত ২ বৎসর ধরে ডাক্তার নাই কেন ?

ডঃ কোষেশ্বৰ বৰা (মন্ত্ৰী) :— এইটো মই জানো গতিকে ডাক্তাৰ থকা ব্যৱস্থা মই সোনকালে কৰিম।

শ্ৰীমুকুট শৰ্ম্মা ঃ— অধ্যক্ষ মহোদয়, ইষ্ট পাকিস্থানৰ পৰা অহা ডাক্তৰ সকলে আমাৰ ইয়াত কণ্ডেন্স কোৰ্চ পাচ কৰি এম, বি, বি, এচ পঢ়ে নেকি ?

ড: কোষেশ্বৰ বৰা (মন্ত্ৰী) :— সেইটো এটা বেলেগ প্ৰশ্ন। তথাপি মই অলপ কওঁ। কাৰণ ইয়াত এজন তেনেকুৱা ডাক্তৰ ওলাইছে। তেখেতে এল, এম, পি পাচ কৰি, যেগুলাৰ নোহোৱাকৈ এম, বি, বি, এচ পঢ়িবলগা তাৰ পিচত পোষ্ট গ্ৰেজুৱেট লৈ আহিছে। এতিয়াও যেগুলাৰ নোহোৱা কাৰণে আগৰ পোষ্টতেই আছে।

শ্ৰীনিশীথ ৰঞ্জন দাস :— মহোদয়, আমি যখন জিজ্ঞাসা করেছিলাম যে রাজ্যে চিকিৎসার সম্প্রসারনের জন্য নতুন কোন হাসপাতাল হবে কিনা তখন আমাদের স্বাস্থ্যমন্ত্রী মহোদয় বলেছিলেন যে নতুন কোন চিকিৎসা কেন্দ্র হচ্ছে না কেবল যে চিকিৎসা কেন্দ্র আছে সেগুলিকে চিকিৎসার উপযোগী করে তোলার জন্য সরকার যথাসাধ্য চেষ্টা করছেন। কিন্তু আমি জিজ্ঞাসা করতে চাই যে আমাদের রাজ্যে যে সব ডিস্পেন্সারিগুলিতে চিকিৎসার নামে প্রহসন চলছে সেগুলিতে অনতিবিলম্বে এম বি বি এস ডাক্তর নিয়োগ করা হবে কি? সমস্ত ষ্টেইট ডিসপেন্সারিতে এম বি বি এস চিকিৎসক নিয়োগ করা হবে কি?

ডঃ কোষেশ্বৰ বৰা :— এই চিকিৎসালয় বোৰত আমি এম, বি, বি, এচ ডাক্তৰ দিবলৈ চেষ্টা কৰিছো ইতিমধ্যে আমাৰ ৰাজ্যত এনেকুৱা ডাক্তৰ বহুতো ওলাইছে যদিও পোষ্ট বিলাক আপগ্ৰেড নোহোৱা কাৰণে দুই এখন ডিচপেনচাৰী তেনেকৈ আছে। আগৰ ডাক্তৰ বিলাকৰ চেকেণ্ড গ্ৰেড প্ৰমোচন হোৱা নাই গতিকে ডিচপেনচেৰী বিলাক আপগ্ৰেডেড কৰি তাত ডাক্তৰ দিয়া হব।

শ্ৰীউমেশ দাস :— মই এটা প্ৰশ্ন কৰিব খুজিছো যে, ডিগ্ৰী নথকা ডাক্তৰ বিলাকৰ ঠাইত আমাৰ ডাক্তৰ দিব লগা হোৱা কাৰণেই ডিচ-পেনচাৰী বিলাক আপগ্ৰেড কৰা হোৱা নাই নেকি

ডঃ কোষেশ্বৰ বৰা (মন্ত্ৰী) :— ঠিক সেইটো নহয়। ডিচপেনচেৰী বিলাক আপগ্ৰেড কৰিলেও তেখেত সকলক আন আন ঠাইতো ৰাখিব পাৰিম। এতিয়া কিছুমান ডিচপেনচাৰী আপগ্ৰেড কৰাৰ লগে লগে তাত ডাক্তৰ দিয়াৰ ব্যৱস্থাৰ কথা চিন্তা কৰি আছোঁ।

শ্ৰীবীৰেণ চৌধুৰী :— মন্ত্ৰী মহোদয় কৈছে যে, ৰেজিষ্টাৰ প্ৰেকটিচনাৰ আছে। যিবিলাক ডিচপেনচেৰীত ৰেজিষ্টাৰ প্ৰেকটিচনাৰ আছে সেই বিলাকৰ মূল দায়ীত্ব এম, বি, বি, এচ, ডাক্তৰক দিলে তেওঁলোকক খেদাই দিয়া নহয় তেওঁলোকে দৰমহা পাই থাকিব। গতিকে তেনেবিলাক ডিচপেনচাৰীত এম, বি, বি, এচ, ডাক্তৰ দিয়া ব্যৱস্থা কৰিবনে ?

ডঃ কোষেশ্বৰ বৰা (মন্ত্ৰী) :— মই দুই এখন ডিচপেনচাৰীত তেনে ব্যৱস্থা কৰিবলৈ আৰম্ভ কৰিছো।

Re : Extension of F. L. S./C. L. S. line at Karimganj town

Shri Nishit Ranjan Das asked :

* 123. Will the Chief Minister be pleased to state—

(a) Whether Government is aware of the fact that there is public demand for extension of F. L. S./C. L. S. line of Information & Public Relatious Department at Karimganj town ?

(b) If so what steps have been taken by the Govern-

ment in this regard ?

Shri Golap Borbora ( Chief Minister ) replied :

123. (a)— Yes.

(b)— Subject to availability of fund extension work will be taken up.

Re : Installation of F. L. S./C. L. S. line at Badarpur town

Shri Nishith Ranjan Das asked :

* 124. Will the Chief Minister be pleased to state—

Whether there is any scheme of the Government to install F. L S./S. L. S. line at Badarpur town ?

Shri Golap Borbora ( Chief Minister ) replid :

124— Not at present.

শ্রীনিশীথ রঞ্জন দাস :— অধ্যক্ষ মহোদয়, এই কাজের জন্য কত টাকা খরচ হবে ?

শ্রীগোলাপ বরবরা (মুখ্যমন্ত্রী) :— ৩০ হাজার টাকা লাগবে।

শ্রীনিশীথ রঞ্জনদাস: — ৩০ হাজার টাকা নিশ্চয়ই এই সরকার এই কাজের

জন্য সংগ্রহ করতে পারবেন ?

শ্রীগোলাপ বরবরা (মুখ্যমন্ত্রী) :— জিনিষটা হলো অন্য রকম। বিভিন্ন টাউনের পপুলেশন হিসাব করে কতকগুলি কেটিগরি ধরা হয়েছে এবং সেই হিসাবে ৬টি মেন টাউনে ফিক্সড লাউড স্পীকার দেওয়া হয়েছে। এছাড়াও বিভিন্ন শহরে সেণ্ট্রেল লাউড স্পীকার আছে। আপনি বোধহয় করিমগঞ্জ শহরের কথা বলছেন। সেখানে সেণ্ট্রেল লাউডস্পীকার সিষ্টেম প্রথম ছিল ৮ হর্ণ পয়েন্ট। এখন সেই ব্যবস্থার অনেক উন্নতি করা হয়েছে, সেখানে এখন ১৯ হর্ণ পয়েন্ট করা হয়েছে। কিন্তু ফিক্সড লাউড স্পীকার সিষ্টেম করার ব্যাপারে আরও অন্যান্য যায়গারও ডিমাণ্ড আছে, সুতরাং তখন একই সঙ্গে করিমগঞ্জের কথা বিবেচনা করা হবে।

শ্রীনিশীথ রঞ্জন দাস— এই বৎসরের মধ্যে করা হবে ?

শ্রীগোলাপ বরবরা (মুখমন্ত্রী) :— এই বিষয়ে চিন্তা করা হচ্ছে।

শ্রীরামেন্দ্র দে— অন্যান্য শহরের সঙ্গে করিমগঞ্জে করা হবে। কিন্তু বদরপুরে তা করা হবে কি না একথাতো বলা হলো না ? এর কোনও বিশেষ কারণ আছে কি ?

শ্রীগোলাপ বরবরা ( মুখ্যমন্ত্রী ) :— না থাকার কোনও কারণ নাই। পপুলেশনের কথা বিবেচনা করে অন্যান্য শহরের সঙ্গে বদরপুরে এই ব্যবস্থা নেওয়া হবে কি না সেটা সময় মত চিন্তা করা হবে।

## বিষয় ঃ মদ নিবাৰণী পৰিষদ

শ্ৰীহৰেন্দ্ৰ গোস্বামীয়ে সুধিছে ঃ

* ১২৫। মাননীয় আবকাৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমৰ মদ নিবাৰণী পৰিষদ খনক এতিয়ালৈকে বছৰি কিমান অৰ্থ সহায্য দিয়া হয়?

(খ) চৰকাৰী সাহায্যৰ উপৰিও আন কোনো সংস্থাৰ পৰা এই পৰিষদে সাহায্য পায়নে?

(গ) মদ নিবাৰণী পৰিষদৰ উদ্যোগত কিমানলোকে এতিয়ালৈকে মদ খাবলৈ এৰিলে?

ডাঃ কোমেশ্বৰ বৰাই (আৱকাৰী বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে:

১২৫। (ক)— মাদক দ্ৰব্য নিবাৰণী পৰিষদক ১৯৭৪-৭৫ চনৰ পৰা ১৯৭৮-৭৯ চনলৈ তলত দিয়া হিচাপে আৰ্থ সাহায্য দিয়া হৈছে।

১৯৭৪-৭৫— ২০,০০০.০০ টকা। (বিশ হাজাৰ)।

১৯৭৫-৭৬— ২,৪৮,০০০.০০ টকা (দুইলাখ আঠচল্লিচ হাজাৰ)।

১৯৭৬-৭৭— ৩,০০,০০০.০০ টকা (তিনি লাখ)।

১৯৭৭-৭৮— ৩,৬০,৭৮০.০০ টকা (তিনি লাখ ষাঠী হাজাৰ সাতশ আশী)।

১৯৭৮-৭৯— ৪,০০,০০০.০০ টকা (চাৰি লাখ)।

(খ)— পৰিষদে চৰকাৰৰ বাহিৰে আনকোনো সংস্থাৰ পৰা সাহায্য নাপায়।

(গ)— মদ খাবলৈ এৰা লোকৰ তেনে কোনো হিচাপ উলিওৱা নাই। সমস্যাটো বহল আৰু জটিল যে ইয়াৰ আচল সংখ্যা উলিওৱা টান। এতিয়ালৈকে ২৯:৪ জন লোকে পৰিষদৰ প্ৰতিজ্ঞা পত্ৰত মদ

নাখাওঁ বুলি স্বাক্ষৰ কৰিছে।

শ্ৰীহৰেন্দ্ৰ গোস্বামী :— অধ্যক্ষ মহোদয়, মদ নিবাৰণী অভিযানত এতিয়ালৈকে যিমান টকা খৰছ হৈছে সেই অনুপাতে মদ নোখোৱা লোকৰ সংখ্যা কম হৈছে। কিন্তু কিমান মানুহ মদ খাবলৈ এৰিছে তাৰ হিচাব আছেনে ?

ডাঃ কেষেশ্বৰ বৰা ( মন্ত্ৰী )— সেইটোৰ হিচাব মোৰ ওচৰত নাই। কিন্তু এই অভিযানৰ পৰা আমি সাফল্য হৈছো বুলি কব পাৰো।

শ্ৰীঅতুল গোস্বামী :— অধ্যক্ষ মাহাদয়, অসমৰ মদ নিবাৰণী পৰিষদত কিমানজন সদস্য আছে আৰু তেওঁলোকৰ নাম আৰু ঠিকনা মন্ত্ৰী মহোদয়ে জনাবনে ?

ডাঃ কেষেশ্বৰ বৰা ( মন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, এই কেইটা বছৰত তিনিখন পৰিষদ আৰু এইবাৰৰ পৰিষদত ১৪ জন সদস্য আছে।

তেওঁলোকৰ নাম হৈছে :— সভাপতি বীৰেণ ৰাম ফুকন, এক্স, এম, এল, এ ডাঃ বি, এন, চৌধুৰী, ডাঃ এইচ কে বৰুৱা শ্ৰীএইচ, কে, বৰঠাকুৰ, শ্ৰীৰবিন নবিচ, শ্ৰীইন্দ্ৰ বৰা, ধেৰিয়াজুলি, শ্ৰীখগেন দত্ত ধেমাজী, শ্ৰীপিটসিং কোৱৰ, এক্স, এম, এল, এ, শ্ৰীকমলা শইকীয়া, শিৱসাগৰ, শ্ৰীতৰুলতা বৰা, এক্স, এম, এল, এ শ্ৰীকুঞ্জ হাগজেৰ, ডিফু, কাৰবি আংলং শ্ৰীচন্দ্ৰাৱতী দেউৰী, মাজুলী, শ্ৰীলুডু টিয়া, হাফলং, ডঃ ঘনশ্যাম দাস, গুৱাহাটী, এইকেইজনেই হল পৰিষদৰ সদস্য।

Shri Altaf Hussain Majumdar :— Sir, Government is also one of the sellers of liquor, and so, will the Minister be pleased to state whether the consumption

of liquor is increasing or decreasing or the status quo is maintained ?

ডাঃ কোযশ্বৰ বৰা ( মন্ত্ৰী ):— এতিয়য়ালৈকে আমাৰ ৰেভিনিউ ফিগাৰমতে কনজামচন বঢ়াও নাই আৰু কমাও নাই।

শ্ৰীগিয়াচুদ্দিন আহমেদ ঃ— অধ্যক্ষ মহোদয়, কিমান মানুহে এতিয়ালৈকে মদ খাবলৈ এৰিলে আৰু তাৰ উত্তৰত মন্ত্ৰী মহোদয়, কৈছে যে, তাৰ হিচাব নাই। গতিকে মন্ত্ৰী মহোদয়ে জনাবনে যে, মদ নিবাৰণী অভিযান আৰম্ভ হোৱাৰ পিচৰ পৰা কিমানলোকে মদ খাবলৈ ধৰিলে সেইটোৰ হিচাব আছে নে নাই ? লগতে খোৱাৰ কাৰণে পাৰমিট চিচটেম আছে নেকি ? আৰু যদি আছে পাৰমিট হল্ডাৰ কিমান ?

ডাঃ কেযেশ্বৰ বৰা (মন্ত্ৰী) ঃ— কিমানে খাবলৈ ললে সেইটো কোৱা টান। যিবিলাক পাৰমিট হল্ডাৰ ড্ৰাই এৰিয়াত আছে তেওঁলোকে ফৰইন লিকৰৰ পাৰমিট পাইছে কিন্তু কাণ্টি লিকৰত পোৱা নাই।

শ্ৰীহৰেন্দ্ৰ দেৱ গোস্বামী ঃ— অধ্যক্ষ মহোদয়, সেইটো কিমান শ্ৰেণীৰ মানুহৰ ক্ষেত্ৰত প্ৰযোয্য কৰা হৈছে ?

ডাঃ কোযেশ্বৰ বৰা (মন্ত্ৰী) ঃ— অসমৰ বিশেষকৈ সকলো শ্ৰেণীৰ লোককে এইটো প্ৰযোয্য কৰা হৈছে।

শ্ৰীখগেন বৰবৰা ঃ— মাননীয় অধ্যক্ষ মহোদয়, এই মদ নিবাৰণী কৰোঁতে কিমান টকা খৰছ হৈছে আৰু এই ব্যৱস্থাত কিমান টকা লাভ হৈছে মন্ত্ৰী মহোদয়ে আমাক জনাবনে ?

ডাঃ কোষশ্বৰ বৰা ( স্বাস্থ্য বিভাগৰ মন্ত্ৰী ) ঃ— সেইটোৰ সম্পূৰ্ণ হিচাব দিয়া টান। আমি বৰ্ত্তমান ইয়াৰ পৰা ৰাজহ প্ৰায় চাৰে চাৰি কোটি টকা পাওঁ। লোকচানৰ হিচাপ কৰা নাই কাৰণ এইটো এটা সৰ্ব্বব্যাধি যাক নিৰ্মূল কৰোতে অসমৰ যিমান টকাই খৰছ নহওক কিয় সেই খিনি কৰিবলৈ চৰকাৰে চিন্তা কৰিছে।

শ্ৰীঅজয় দত্তঃ — মন্ত্ৰী মহোদয়ে কৈছে যে ড্ৰাই এৰিয়াত পাৰমিট দিয়াৰ ব্যৱস্থা আছে। মই জানিব বিচাৰিছো কি ভিত্তিত এই পাৰমিট দিয়া হয় এই পাৰমিট দিয়াটো যে দূৰ্নীতিৰ চক্ৰ চলিছে সেই কথা মন্ত্ৰী মহোদয়ে জানে নে ?

ডাঃ কোষেশ্বৰ বৰা (ৰাজ্যিক মন্ত্ৰী) ঃ— পাৰমিট দিয়াৰ কাৰণে এটা কমিটি আছে আৰু সেই কমিটিৰ জৰিয়তে দিয়া হয়। কিন্তু এতিয়া আমাৰ দৃষ্টিগোচৰ হৈছে যে তাত খেলিমেলি হৈছে। আচলতে স্বাস্থ্য জনিত কাৰণত যি মদ নোখোৱাকৈ থাকিব নোৱাৰে তেওঁলোকক হে পাৰমিট দিয়া হয়। কিন্তু দেখা গৈছে যে পাৰমিটৰ সংখ্যা ইমান দ্ৰুত গতিত বাঢ়ি গৈছে যে গোটেই কথাখিনি পৰীক্ষা কৰি চাবলৈ বাধ্য হৈছো আৰু সেইমতে ব্যৱস্থা কৰা হব।

শ্ৰীপ্ৰেম বৰা ঃ— অসমত মদ নিবাৰণ পৰিষদ কেতিয়া গঠণ কৰা হৈছে আৰু তাৰ কাৰ্য্যকাল কিমান? পৰিষদৰ সদস্য হবলৈ হলে কিবা গুণাগুণৰ দৰ্কাৰ আছে নে নাই ?

ডাঃ কোষেশ্বৰ বৰা (মন্ত্ৰী) ঃ— প্ৰথমে ১৯৭৪ চনত এই পৰিষদ গঠণ কৰা হৈছিল। সাধাৰণতে তাৰ কাৰ্য্যকাল দুই বছৰ থাকে। সদস্য সকলৰ গুণাগুণ বিশেষকৈ লিখিত ভাবে তেনেকৈ নাই যদিও মদ খোৱা মানুহ সদস্য থাকিব পাৰে কিন্তু সদস্য হোৱাৰ পাছত মদ

নাখাও বুলি প্ৰতিশ্ৰুতিবদ্ধ হব লাগিব। আনহাতে মদ খোৱা মানুহ থাকে কাৰণ তেওঁ মদৰ অপকাৰিতা বুজাই দিব লাগিব।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— অসমত মদ নিবাৰণ পৰিষদৰ ওচৰত আমাৰ মাননীয় মন্ত্ৰী সকলে আৰু বিধান সভাৰ সদস্য সকলে মদ নাখাওঁ বুলি চহী কৰি দিয়া খবৰ কিবা মন্ত্ৰী মহোদয়ৰ হাতত আছে নেকি ?

ডাঃ কোষেশ্বৰ বৰা ( মন্ত্ৰী ) :— সেই খবৰ নাই, প্ৰতিজ্ঞা পত্ৰ দিয়া বুলি জানো কিন্তু ঘুৰাই দিয়া খবৰ পোৱা নাই ।

শ্ৰীগোলোক ৰাজবংশী : - মেডিকেল বিজ্ঞানৰমতে কলেৰা হলে আৰু কলেৰাৰ জাৰ্ম সোমাই দি বেমাৰীৰ ৰেজিষ্টেন্ট আনে ঠিক তেনেকৈ বসন্ত হলেও বসন্তৰ ইমিউনিটিৰ দ্বাৰা বসন্ত সাম কাতে। গতিকে মদ খোৱাৰ ক্ষেত্ৰত তেনে কিবা ব্যৱস্থা আছে নেকি ?

ডাঃ কোষেশ্বৰ বৰা (মন্ত্ৰী) :— মোৰ যিটো অভিজ্ঞতা হৈছে যি সকলে মদ নাখালে থাকিব নোৱাৰে তেওঁলোকক হেলথ পাৰমিট দিয়া হয় ।

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ :— মন্ত্ৰী মহোদয়ে কৈছে যে মদ খোৱা লোক সকলো মই নিবাৰণ পৰিষদত থাকিব পাৰে আকৌ মন্ত্ৰী মহোদয়ে কৈছে যে মদ নিবাৰণী পৰিষদৰ সদস্য হোৱাৰ দিনাই মদ খোৱা বাদ দিব লাগে। এই সদস্য সকলৰ ভিতৰতো যে মদ খোৱা লোক আছে মন্ত্ৰী মহোদয়ে তাক জানে নে ?

ডাঃ কোষেশ্বৰ বৰা (মন্ত্ৰী) :— আমাৰ হিচাবত নাই কিন্তু গণ্ডগোল কৰা খবৰ পালে নিশ্চয় ব্যৱস্থা লম ।

Shri Altaf Hossain Majumdar :— Janata Party is commi-

tted to total prohibition ( veices : is that so ? ) and one for becoming a member of the party has to give a pledge that he is a teetoteller. Will the Minister be pleased to give a date line by which total prohibition in the State can be effected ?

ডাঃ কোষেশ্বৰ বৰা (মন্ত্ৰী) :— কেন্দ্ৰীয় চৰকাৰৰ আচনি মৰ্ম্মে ১৯৮১ চনত গোটেই ভাৰতবৰ্ষতে সম্পূৰ্ণ মদ নিবাৰণ আচনি লোৱা হৈছে। অসমৰ ফালৰ পৰা আমি নিজেও যোৱা বছৰ ২ দিন সম্পূৰ্ণ (১৯৭৮ ত) নিবাৰণ আৰু ৭৯ চনত দুদিন কৰাৰ কথা ভাবিছো ১৯৮১ চনৰ ভিতৰত সম্পূৰ্ণ প্ৰহিবিচন কৰাৰ কথা এতিয়ালৈকে সিদ্ধান্ত হোৱা নাই।

শ্ৰীভূবনেশ্বৰ বৰ্ম্মণ :— এই যে মদ নিবাৰণী পৰিষদ গঠণ কৰিলে তেওঁলোকে তেওঁলোকৰ কাৰ্য্যকালও চলাই আছে। মই এটা জানিব বিছাৰিছো এই মদ নিবাৰণীৰএৰিয়া যি বিলাক ড্ৰাই এৰিয়া সেই-বিলাকত চোৰাংভাবে মদ বিক্ৰীৰ দোকান আছে সেই দোকান বিলাকৰ পৰা মাহিলী এক্সাইজ বিষয়াসকলে পইছা লয় তেওঁ-লোকক চলাই আছে। সেই বিষয়ে কি ব্যৱস্থা লৈছে মন্ত্ৰী মহোদয়ে জনাব নে ?

ডঃ কোষেশ্বৰ বৰা (মন্ত্ৰী) :— বিভাগীয় তেনে খবৰ নাই কিন্তু ২-১ কৰ্ম্ম-চাৰীয়ে চোৰাংভাবে তেনে কাম কৰে বুলি খবৰ পাইছো। এই বিষয়ে আইনগতভাবে সাক্ষী নিদিলে, সম্পূৰ্ণ তথ্যপাতি নিদিলে ধৰা টান। উপযুক্ত তথ্যপাতি দিলে নিশ্চয় ব্যৱস্থা লম।

Starred Question No. 126 was not put, the Member being absent.

Re : Industrial Employment ( Standing Order ) Act and Rules of Pre-independent India

Shri Dileswar Tanti asked :

* 127. Will the Minister, Labour be pleased to state—

(a) Whether the Government is aware that the Industrial Employment (Standing order) Act and Rules of pre-independent India are still in force in the Industries of Assam, particularly, in Tea Industries ?

(b) Whether the Government is also aware of the fact that under the present Rule or Act there is no provision for inflicting any punishment to the managment even if they illbehave, physically assault and manhandle worker or workers ?

(c) If so, whether the Government propose to take nescessary steps to amend the aforesaid Act and Rules ?

Shri Jagannath Sinha ( Minister, Labour ) replied :

1·7. (a)— Yes.

(b)— Offences like physical assault and manhandling are dealt with under the relevant Criminal Laws.

(c)— Action can be taken against the employer for physical assault on a worker under appropriate Law. As such there is no necessity to amend this Act for this purpose.

শ্ৰীদিলেশ্বৰ তাঁতী :— সাধাৰণতে ষ্টেণ্ডিং অৰ্ডাৰ বা ৰুল আছে কোনোবাই কাৰোবাক এচল্ট কৰিলে ওৱাৰ্কাৰজনে মেনেজাৰক আপিল কৰিব পাৰে আৰু তাত সন্তুষ্ট নহলে লেবাৰ কমিচনাৰৰ ওচৰত আপিল কৰিব পাৰে কিন্তু লেবাৰ কমিচনাৰে মেনেজমেণ্টক কোনো শাস্তি মিচকন্দক্টৰ কাৰণে দিব নোৱাৰে। গতিকে তেওঁলোকৰ ওপৰত যাতে শাস্তি বিধান হয় তাৰ ব্যৱস্থা লবনে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী :— ষ্টেণ্ডিং অৰ্ডাৰ থকা ব্যৱস্থাতো যদি সন্তুষ্ট নহয় তেনেহলে সেই শ্ৰমিক সংশোধনৰ কাৰণে আপিল কৰাৰ ব্যৱস্থা আছে।

Mr. Speaker : — Question hour is over.

Undisposed Starred Questions dated 7-3-79

## বিষয় ঃ হাইকোর্ট আৰু জজ কোর্টৰ তৃতীয় আৰু চতুর্থ শ্রেণীৰ কর্ম্মচাৰীৰ দৰমহা

শ্রীৰবীন্দ্র নাথ মালাকাৰে সুধিছে :

* ১২৮ মাননীয় ন্যায়িক বিভাগৰ মন্ত্রী মহোদয় অনুগ্রহ কৰি জনাবনে—

(ক) হাইকোর্ট আৰু জজ কোর্টৰ তৃতীয় আৰু চতুর্থ শ্রেণীৰ চাকৰিয়ালৰ দৰমহাৰ পার্থক্য কিয় ৰখা হৈছে ?

(খ) এই সকলোবোৰ চাকৰি "জুদিচিয়াৰিৰ" অন্তর্ভুক্ত নহয় নেকি ?

(গ) যদিহে হয়, তেনেহলে তেওঁলোকৰ বেতন আদি একে নিৰিখত কৰিব নোৱাৰিনে ?

শ্রীকেশৱ চন্দ্র গগৈ ( ন্যায়িক বিভাগৰ মন্ত্রী ) য়ে উত্তৰ দিছে ঃ

১১৮। (ক)— হাইকোর্টৰ তৃতীয় আৰু চথুর্থ শ্রেণীৰ কর্ম্মচাৰীৰ দৰমহাৰ নিৰিখ সংবিধানৰ অনুচ্ছেদ ২১৯ৰ অধীনত মাননীয় মুখ্য ন্যায়ধীশে নির্দ্ধাৰণ কৰে। জিলা ন্যায়াধীশৰ অধীনৰ তৃতীয় আৰু চতুর্থ শ্রেণীৰ কর্ম্মচাৰীৰ দৰমহাৰ নিৰিখ চৰকাৰে নির্দ্ধাৰণ কৰে। জিলা ন্যায়াধীশৰ কর্ম্মচাৰীবর্গক উপায়ুক্তৰ কর্ম্মচাৰীৰ সমপর্য্যাৰ হিচাবে গণ্য কৰা হয়।

(খ)— নহয়।

(গ)— উপৰোক্ত (ক) আৰু (খ) প্রশ্নৰ উত্তৰত পৰিপ্রেক্ষিতত প্রশ্ন নুঠে।

Re : Setting up of a Cigarette Factory near Bilasipara.

Shri Giasuddin Ahmed asked :

* 129. Will the Minister, Industries, be pleased to State—

(a) Whether the previous Gouernment decided to set up a Cigarette Factory near Bilasipara in the Dhubri Subdivision ?

(b) Whether land was also taken prossession of for the said factory ?

(c) Whether it is fact that the present Government have cancelled the earlier decision of the previous Government ?

(d) If so, why ?

Shri Jagannath Sinha ( Minister, Industries ) replied :

129. (a)— No. Initially, however, there was a decision by Assam Industrial Development Corporation to set up such a factory.

(b)— Yes, the advance possession of the land has been taken.

(c) — It is not a fact.

(d)— Does not arise.

Re: Setting up of Tube-Wells and ring Wells in Karimganj Subdivision

Shri Abdul Muqtadir Choudhury asked :

* 130. Will the Minister of State, Health be pleased to state ?

(a) The total number of Tnbe wells and ring wells set up by the Public Health Engineering. Department within Karimganj Snbdivision (Newly created District) ?

(Gaon Panchayat wise figure may de furnished).

(b) Howmany of these Tube Wells are in working condition and how many nf them are actually in existence ?

Dr. Kosheswar Bora ( Minister of State, Health ) replied :

130. (a)— The Publc Health Engineering Department installed 416 Hand Tube Well and 40 R'ng Wells upto the end of March, 1978. Out of these 661 Hand Tube Well and 40 Ring Wells installep during 1956-61 were handed over to

the Anchalik Panchayats. Balance 155 Nos: Hand Tube-Well installed during 5th Five Years Plan are with Public Health Engineering Department at prosent.

(b)— Out of 155 Hand Tube-Wells installed during the 5ths Five Year Plan all are in existance and 146 arc in working condition. Information in respect of 661 Hand Tube-Well and 40 Ring Wells which have bean hunded over to Anchalik Panchayat are not available with the Department.

Re: Barpata Baghbor (Old) PWD. Road (10km—16km)

Shri M. Ibrahim Ali asked :

*131. Will the Minister, P. W. D. be pleased to state—

(a) Whether it if a fact that the present condition of Barpeta Baghbar (Old) P.W.D. Road ( 10 km-16 km ) is very bad and requires immediate repair and improvement ?

(b) If so, whether it is also a fact that as a main link PWD. Road to the Subdivisional Headquarter Barpeta, the above road has been included

in the "Food for work scheme" for improvement in the Current financial year ?

(c) If not, why ?

Shri Dulal handra Barua ( Minister, P.W.D. ) replied :

131. (a)— The first 10 Km. of the road is trafficable. The road beyond 10th to 16th Km. is constantly affected by floods of river Brahmaputra and is imdassable due to breaches and damages to bridges.

(b) & (c)— The repoir works on the road is in progress from the maintenace and repair grants.

A diversion in 15th and 16th Km. has also been taken up under M. N. P. for 1978-79.

Re : Protection measure of Barjane Village

Shri Rabindra Nath Choudhary asked :

* 132. Will the Minister, Flood Control be pleased to state—

(a) Whether the Government is aware that about hundred familties have been eroded during the

current year in Barjane Village under Abhayapuri P. S. and still the erosin is going on ?

(b) Whether any protection measures such as erecting bundh, spur etc. have been taken up ?

(c) Whether Government propose to connect the Manash river near Barjane Village with the river Brahmaputra cutting a chennel of about a mile and thus save the areas permanent y ?

Shri Ramesh Mohan Kouli ( Minister, Flood Control ) replied :

132. (a)— 56 ( fifty six ) numaber of families and about 23 bighas of land were affected by erosion upto 27th October 1978 as reported by the Circle, Office Srijangram Circle, Abhayapuri and now there is no erosion.

(b — No.

(c)— No.

বিষয় ঃ ভখুৰাদিয়াৰ শৰা জলজলীৰৈকে থকা গাওঁ সমূহ

শ্ৰীউমেশ চন্দ্ৰ দাসে সুধিছে ঃ

* ১৩৩। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) নগৰবেৰা ভাখুৰাদিয়াৰ পৰা গুমিলৈকে এটা মথাউৰি আছে নেকি ?

(খ) ভখুৰাদিয়াৰ পৰা ছমৰীয়ালৈকে থকা এই মথাউৰ আৰু জলজলী নৈৰ মাজত কিমান গাওঁ পৰিছে আৰু এই গাওঁ কেইখনৰ জন-সংখ্যা কিমান ?

(গ) এই গাওঁ কেইখন মথাউৰিৰ বাহিৰত পৰা বাবে প্ৰতি বছৰে বান পানীৰ দ্বাৰা ক্ষতিগ্ৰস্ত বুলি জনাবনে ?

(ঘ) যদি জানে তেন্তে এই মানুহখিনিক ৰক্ষা কৰিবলৈ ৰঙ্গেশ্বৰীৰ পৰা ছমৰীয়ালৈকে জলজলী নৈৰ পাৰে পাৰে এটা ৰিং বান্ধ দিয়াৰ কথা চৰকাৰে চিন্তা কৰিছে নেকি ?

(ঙ) যদি কৰিছে তেন্তে এই বছৰতে কাম আৰম্ভ কৰা হব নেকি ?

শ্ৰীৰমশ মোহন কুলি ( বান নিয়ন্ত্ৰণৰ বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে :

১৩৩। (ক)— আছে।

(খ)— ভখুৰাদিয়াৰ পৰা জলজলী নৈকে কোনো মথাউৰি নাই। জলজলী নৈৰ পাৰত ২৭ খন গাওঁ আছে। আৰু তাৰ জন-সংখ্যা চমৰীয়া উন্নয়ন খণ্ড বিষয়াৰ ১৯৭১ চনৰ লোক গণনা অনুযায়ী ২৩২৬২ জন।

(গ)— জানে।

(ঘ)— ৰিং বান্ধ দিয়াৰ কোনো প্ৰস্তাব নাই।

(ঙ)— উপৰোক্ত প্ৰস্তাৱ সাপেক্ষে এই প্ৰশ্ন হৈছে।

## UNSTARRED QUESTIONS AND ANSWERS

Date : 7th March 1979

(To which answere were laid on the Table)

Re : Road Communication of Baghbar Constituency

Shri M. Ibrahim Ali asked :

8. Will the Minister, P.W.D. be pleased to state—

(a) Whether Government is aware thatin the matter of Road Communication Baghbar is the most Bakward Constituency in Lower Assam ?

(b) What are the Criteria for the Distribution of funds from the head "Improvement of low standard P. W. D. Road" ?

(c) Whether any of the worst P. W. D. Roads of Baghbar has been selected under the head Improvement of low standard P. W. D. Road ?

(d) If not, the reasons thereof ?

Shri Dulal Chandra Baruah ( Minister, P.W.D. ) replied :

8. (a)— Yes, one of the Communically Backward Constituengy.

(b)— The Criterion of sclection of projects under this scheme as finalised in February 1977 are :—

(1) Replacement of timber bridges above 20ft. by pucca culverts ( Within 20 ft. ) where practicable confined to State Highways and Major District Road.

(2) Upgrading the existing timber bridges to Class XVIII (where traffic jus ifies) /XII loading confined to State Highways and Major District Road.

(3) Construction of missing bridges timber bridges on State Highway, Major District Road, other District Road, or Village Road.

(4) Renovation of the Road crust ( gravel ) by filling up the channel formation complete with gravelling confined to State Highways and Major Distr ct Road.

(c)— None during the current year under this subhead.

(d)— The two main Roads *i. e.* Mandir-Rawmani and Barpeta-Baghbar Road have been taken up under Special Repairs during the current year.

Re : Bahari-Baghbar Brahmaputra E. & D. Bund

Shri M. Ibrahim Ali asked :

9. Will the Minister, P. W. D. be pleased to state –

(a) Woether the Government is aware of the importance of Bahari Baghbar Brahmaputra E. & D: Bund which can be used as Road-Cum-Embankment in the backward areas ?

(b) Whether Survey works were done in this regard for conversion of B/Dyke into Road-Cum-Embarkment ?

(c) If so, with what effect ?

(d) If not, whether Government will take immediate steps for convresion of B/Dyke into a Road cum-Embankment ?

Shri Dulal Chandra Baruah ( Minister, P.W.D. ) replied ;

9. (a)— The bund in question has been built with

specific purpose of flood protection by the Flood Control Department. Though the need of more communication net-work cannot be denied, conversion of this dyke into road cum bund is considered not advisable

(b) No.

(c)— Does not arise.

(d)— Does note arise.

## MISCELLANEOUS

শ্ৰীখগেন বৰবৰুৱা :— মই যোগান মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি কব খোজো যে গোটেই অসমৰ ভিতৰতে কেৰাচিন তেলৰ উৎপন্ন হয়। কিন্তু অসমতে আজি তেলৰ অভাৱ হৈছে। যোৱাকালি "দৈনিক অসম" কাকতত প্ৰকাশিত হৈছে যে গোটেই অসমতে কেৰাচিন তেলৰ সাংঘাটিক নাটনি হৈছে আৰু পাণ্ডুৰ এটা ডিপুৰ সন্মুখত মানুহৰ দীঘলীয়া শাৰী দেখা গৈছে। এই ঘটনা কিয় ঘটিছে এই বিষয়ত মন্ত্ৰী মহোদয়ে এটা বিবৃতি দাঙি ধৰিব লাগে। কালি মই এম. এল. এ হোষ্টেলত কেৰাচিনৰ অভাৱত ষ্টোভত জ্বলাব নোৱাৰি ভাত খাব নোৱাৰা অৱস্থা হৈছে।

Shri Noorul Huda :— May I point out that some days back I have given a notice under Rule 54 regarding the serious shortcge of Salt and Kerosine. I don't know whether your secretariat has come

to a decision on it.

শ্ৰীমুকুট শৰ্ম্মা ঃ—গুৱাহাটি মহানগৰী আৰু অসমৰ বিভিন্ন ঠাইত কেৰাচিন তেলৰ অভাৱৰ কাৰণে ৰাইজে কষ্ট ভোগ কৰিব লগা হৈছে। সেই সম্পৰ্কে যোগান মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

শ্ৰীএ এন আক্ৰাম হুচেইন ঃ— গুৱাহাটী মহানগৰী আৰু অসমৰ নগৰ আৰু গাওঁৰ কেৰাচিন তেলৰ ভীষণ নাটনিয়ে দেখা দিছে। গুৱাহাটী শোধানাগাৰৰ পৰা শ শ কিলোমিটাৰ তেল অসমৰ বাহিৰলৈ গৈ আছে আৰু অসম চৰকাৰৰ নিস্ক্ৰিয়তাৰ ফলত অসমৰ ৰাইজে তেল পোৱাৰ পৰা বঞ্চিত হৈছে। মই জনাত কেৰাচিন তেল লিটাৰে প্ৰতি মুকলি বজাৰত আঢ়ৈ টকাৰ পৰা ৩ টকাত বিক্ৰী হৈছে। চোৰাং বেপাৰী, সকলে বহু পৰিমাণৰ তেলে মজুত কৰি ৰাখিছে। এই সম্পৰ্কত মই যোগান মন্ত্ৰীৰ পৰা স্পষ্টী কৰণ বিচাৰিছো।

* শ্ৰীতুলাল বৰুৱা (মন্ত্ৰী) মাননীয় অধ্যক্ষ মহোদয়, অসমত কেৰাচিন তেলৰ নাটনি সম্পৰ্কত মাননীয় সদস্য সকলে যি উদ্বেগ প্ৰকাশ কৰিছে সেই ক্ষেত্ৰত ময়ো একমত। এইটো বৰ দুৰ্ভাগ্যজনক কথা হৈছে যে আমাৰ ইয়াতেই কেৰাচিন উৎপন্ন হয় আৰু আমাৰ ইয়াতেই কেৰাচিন তেলৰ নাটনি হয়। আমাৰ ইয়াত মাজে মাজে কেৰাচিন তেলৰ দাম বৃদ্ধি হয়, এই সম্পৰ্কত কেন্দ্ৰীয় চৰকাৰৰ লগত আমি যোগাযোগ কৰিছো যে বিতৰণ নীতিটো পৰিবৰ্ত্তন কৰিব লাগিব আৰু আমাৰ যিটো চাহিদা সেই চাহিদা অনুসৰি তেল দিব লাগে, বাদ বাকী বাহিৰলৈ নিব লাগে। কিন্তু এই বস্তুটোৰ বন্দৱস্ত এতিয়ালৈকে সম্পূৰ্ণ কৰিব পৰা নাই। ফলত

* Speech not corrected

আজি হঠাৎ তাৰে কেইটা কাৰণত কেৰাচিন তেলৰ নাটনিয়ে দেখা দিছে। অকল গুৱাহাটী চহৰতে নহয় সমস্ত অসমতে তেনেকুৱা এটা অৱস্থাৰ সৃষ্টি হৈছে, এইটো বৰ দুৰ্ভাগ্যজনক কথা। এই সম্পৰ্কত আমাৰ ফালৰ পৰা বিহিত ব্যৱস্থা লবলৈ বিচাৰিছো। এতিয়া মই থুলমুলকৈ কব বিচাৰিছো, কল এটেন-চনত ভালকৈ কম। আমাৰ চাহিদা হৈছে মাহে ১১,২৫০ মেট্ৰিক টন। তাৰ কিছুমান আহে দিগবৈৰ পৰা আৰু কিছুমান পাব লাগে নুনমাটিৰ পৰা। দিগবৈৰ পৰা দিয়ে তিনচুকীয়াত আৰু নুনমাটিৰ পৰা দিয়ে গুৱাহাটীত। বাকী ক'ছাৰ বা অন্যান্য অঞ্চলত কি কাৰণে বজা নাই নিউ জলপাইগুৰিৰ পৰা টেপ কৰি দিছে। এই সম্পৰ্কত সকলোৱে জানে যে লেবাৰ ট্ৰাবোল আৰু অন্যান্য যন্ত্ৰৰ বিজুতি বুলি নুনমাটি আৰু দিগবৈৰ পৰা যিখিনি তেল পাব লাগে সেইখিনি সময়মতে নিদিয়ে। কিছুদিন আগতে কিছুমান ড্ৰিলাৰ নিয়োগ কৰিছিল। তেওঁলোকৰ বিপক্ষে বিহিত ব্যৱস্থা লব পৰা হোৱা নাছিল। এইটো সত্য যে ইয়াত এটা ভিতৰুৱা শক্তিৰ হাত আছে আৰু সেই শক্তিয়ে এই নাটনিৰ সৃষ্টি কৰিছে। এনে চোৰাং বেপাৰীয় যাতে কেৰাচিন তেলৰ নাটনি ঘটাব নোৱাৰে তাৰ বাব ২-৩ দিনৰ ভিতৰতে কঠোৰ ব্যৱস্থা লোৱা দিহা কৰিছো আৰু সেইমতে চৰকাৰী কৰ্ম্মচাৰী সকলক নিৰ্দ্দেশ দিয়া হৈছে। নিউজলপাইগুৰিৰ পৰা যিখিনি কেৰাচিন বিতৰণ কৰা হয় সেইখিনি আনিবৰ কাৰণে আমাৰ উপযুক্ত ওৱেগনৰ অভাৱ। অন্যান্য খাদ্য সামগ্ৰীৰ ক্ষেত্ৰতো এই ওৱেগনৰ অভাৱ হেতুকে আমি সেইবোৰ বস্তু যথাসময় আনিব নোৱাৰো। বৰ্ত্তমান আমাৰ সন্মুখত কিছুমান সমস্যাই দেখা দিছে- জলপাই গুৰিৰ পৰা তেল আনিবলৈ ওৱেগনৰ অভাৱ আৰু ষ্টক

কম বুলি কৈছে। কালি পবহি কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি সেইটো পুনৰ গুদামত ষ্টক ৰখাৰ বন্দৱস্ত কৰা হৈছে, ওৱেগনৰ বন্দৱস্ত কৰা হৈছে। ইয়াৰ বাহিৰেও ৰেলৱে ওৱেগনৰ বাধা বিঘিনি আছেই। আণকি মিটাৰ গজ লাইনত লামডিং তিনচুকীয়া আদি ঠাইলৈ পঠোৱা ক্ষেত্ৰতো বিজুতিয়ো দেখা দিছে। ৰেলৱে কৰ্তৃপক্ষৰ লগত ৰেলৱে মিনিষ্ট্ৰি, কেন্দ্ৰীয় মন্ত্ৰীৰ লগত আলোচনা কৰি মুভমেণ্টৰ বন্দৱস্ত কৰা হৈছে। ২-৩ দিনৰ কাৰণে হয়তো নাটনিয়ে দেখা দিব পাৰে কিন্তু পিচলৈ এই নাটনি দূৰ হব। ৪ দিনৰ পিচত এই অৱস্থাৰ উন্নতি হব বুলি ভাবিছো। সেই মৰ্ম্মে বিহিত ব্যৱস্থা চৰকাৰৰ ফালৰ পৰা লোৱা হৈছে। মাননীয় সদস্য সকলে যিটো কথা প্ৰকাশ কৰিছে তাৰ লগত ময়ো একমত। আজি দিছপুৰত এইটো অৱস্থা হৈছে কিন্তু যত ইলেকট্ৰিচিটি নাই লৰা-ছোৱালীয়ে কেৰাচিন তেলৰ চাকিৰে পঢ়িব লাগে সেই লৰা-ছোৱালী বিলাকৰ অৱস্থা নিশ্চয় মনত আছে। আনহাতে তেওঁলোকৰ পৰীক্ষাও নিচেই ওচৰ পালেহি। গতিকে বেলেগ ঠাইলৈ বেলেগ বেলেগ কোটা পঠাবলৈ বিহিত ব্যৱস্থা কৰিছোঁ যাতে বাইজৰ অসুবিধা নহয়। মাননীয় সদস্য সকলে যদি কিবা পৰামৰ্শ আগবঢ়াই সেইমতে আমি কাম কৰিম। লগতে আৰু এটা ফেক্টৰী হৈছে কেন্দ্ৰীয় চৰকাৰৰ বাজেটৰ ওপৰত বহু ধৰণৰ কিবা কিবি কৰিবলৈ বিচাৰিছে। এই সম্পৰ্কত শাসন যন্ত্ৰ কটকটীয়া কৰিবলৈ লৈছো যাতে কোনো ধৰণৰ কৃত্ৰিম নাটনিৰ সৃষ্টি নহয় আৰু বেচি মূল্য যাতে বৃদ্ধি নহয় তাৰ ব্যৱস্থা চৰকাৰে কৰিছে। এই সম্পৰ্কত সম্পুৰ্ণ তথ্যপাতি লৈ কি ব্যৱস্থা কৰিবলৈ ওলাইছো মই সদনত অতি কম দিনৰ ভিতৰত জনাম। এইখিনিকে কৈ মই মোৰ

বক্তব্য সামৰিলো।

শ্ৰীবানেশ্বৰ শইকীয়া :— যোৱা ৰাজ্যপালৰ ভাষণত পৰিস্কাৰ ভাবে কোৱা হৈছে "only for operatinal difficulties there are certein trouble in respect of distribution of kerosine'? Is the Govt. cannot remove these operational difficulties. The whole State is fecing shortage of Kerosine why the Govt. is silently sitting ?

Shri Dulal Chandra Baruah ( Minister ) :— The points raised the A. O. C. and I. O. C. have been removed and certain stop gap arrangement were made by which we are getting Kerosine from New Jalpaiguri. This has been stopped now. We are taking Steps to remove these difficulties.

শ্ৰীপ্ৰেম বৰা :— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে মাহিলী ১২, ২৫০ মেট্ৰিক টন আমাক লাগে, আমি এতিয়া কেনেকৈ পাইছোঁ আৰু চৰবাৰৰ হাতত ষ্টক আছেনেকি ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, মোটামোটিকৈ চলিব পৰাকৈ ষ্টক আছে। ১২, ২৫০ মেট্ৰিক টনৰ ঠাইত আমি পাইছোঁ ৮ হেজাৰ ৩৫০ মেট্ৰিক টন, সেয়াৰে আমি কোনো ৰকমে চাহিদা পূৰাব পাৰো, তাৰ ওপৰইঞ্চি থিনি ২৫ হেজাৰ মেট্ৰিক টনৰ কাৰণে আমি দাবী জনাইছোঁ। ১৩ হেজাৰ মেট্ৰিক টন যদি আমি পাওঁ সম্পূৰ্ণ চাহিদা আমি পূৰাব পাৰিম। বৰ্তমান জেগাই

জেগাই বিষয়া ৰখা হৈছে, সেই অনুসৰি পঞ্চায়ত বা অন্যান্য অনুষ্ঠাণৰ যোগেদি গাওঁ অঞ্চলত বিক্ৰী কৰাৰ ব্যৱস্থা লোৱা হৈছে।

শ্ৰীপ্ৰমোদ গগৈ :— অধ্যক্ষ মহোদয়, মই মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা অসমৰ ইঞ্জিনিয়াৰ সকলৰ প্ৰস্তাৱিত ধৰ্মঘট সম্পৰ্কে এটা স্পষ্টীকৰণ বিচাৰিছোঁ। অসমৰ ইঞ্জিনিয়াৰ সকলে ধৰ্মঘটৰ যি কথা ঘোষণা কৰিছিল সেই সন্দৰ্ভত গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে এক তাৰিখৰ দিনা সদনত কৈছিল যে তেখেত সকলে চৰকাৰৰ লগত আলোচনা কৰাৰ ফলত ধৰ্মঘট প্ৰত্যাহাৰ কৰিছে. সেই খবৰ শুনি আমি ভাল পাইছিলো যে এনে হোৱাৰ ফলত কাম কাজত অসুবিধা নহব। কিন্তু এতিয়া আমি শুনিছো ইঞ্জিনিয়াৰ সকলে আচলতে ধৰ্মঘট প্ৰত্যাহাৰ কৰা নাই, তেখেত সকলে চৰকাৰক জনাইছিল যে অহা ১২ মাৰ্চৰ ভিতৰত দাবীবিলাক পূৰণ নহলে ১৬ মাৰ্চৰ পৰা কাম বন্ধ আন্দোলন আৰম্ভ কৰিব। এই সম্পৰ্কে চৰকাৰ পক্ষৰ পৰা কি ব্যৱস্থা লোৱা হৈছে আৰু বিশেষকৈ ইঞ্জিনিয়াৰ সকলে কাম-কাজ বন্ধ কৰে তেনেহলে উন্নয়ণমূলক কাম বিলাকৰ ক্ষেত্ৰত কি অসুবিধা হব সেইটো আমি অনুভৱ কৰিব পাৰিছোঁ। সেই কাৰণে মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা এই বিষয়ে জানিব বিচাৰিছোঁ। আশাকৰো অনুগ্ৰহ কৰি তেখেতে জনাব।

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— অধ্যক্ষ মহোদয়, এই গোটেই বিষয়টোৰ এটা আলাপ-আলোচনা চলোৱা হৈছে আৰু এতিয়াও চলিয়েই আছে। ইতিমধ্যে আমি এই বিভাগৰ সংশ্লিষ্ট বিষয়া তথা ইঞ্জিনিয়াৰ সকলৰ প্ৰতিনিধিৰ লগত আলোচনা কৰিছোঁ। মুখ্য সচীৱৰ লৈতেও আলোচনা চলাই থকা হৈছে যাতে ধৰ্মঘট

নহোৱা অৱস্থা এটাৰ সৃষ্টি কৰিব পৰা হয়, কাম-কাজত যাতে কোনো ৰকমৰ অৱহেলা নহয় ভাৱবাবে আৱশ্যকীয় কৰিব লগা যিথিনি আলোচনা চলাই থকা হৈছে।

## CALLING ATTENTION

Mr. Speaker : - Now, the next item Shri Sulo Bora.

শ্ৰীশূল বৰা :— মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ৫৪ নং নিয়ম অনুসৰি ১৯৭৯ চনৰ ১২ জানুৱাৰী তাৰিখৰ "দৈনিক অসম" কাকতত প্ৰকাশিত "আত্মসাতৰ অভিযোগ" শীৰ্ষক বাতৰিটোলৈ পঞ্চায়ত বিভাগৰ মন্ত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিছোঁ।

Shri Zahirul Islam (Minister) :— Sir, the news-item that appeared in Dainik Asom on 22-1-79 under the caption "আত্মসাতৰ অভিযোগ" is very much vague. It is presumed that the news item relates to Barpeta Sub-division only. Unless the allegation specifies the name of the G. P. or G. P. level Cooperative Society, the persons involved and the nature and extent of wastage of funds as alleged, it is difficult for Govt. to sort out the cases. If the Hon'ble Member can give a specific allegation of misappropriation and waste of funds of Panchayat bodies, Govt. will certainly investigate

into such allegations and take necessary action: A large number Audit reports on the accounts of G. Ps in Barpeta M. P. has also been received in the Deptt. recently from the Examiner of Local Aco unts. Such Audit Reports are normally to be disposed of by G, Ps and M. P. concerned. But, if any serious case of wastage of misappropriation of funds is brought to the notice of the Govt., suitable action is taken by Govt. against the persons involved.

The information in respect of misappropriation of funds of G. P. level Coopera tive Societies is not available with P. &. C. D. Deptt. A reference was, therefore, made to Corpeoration They have reported that theae is only one case of misappropriation amounting to Rs. 5,721.40 by the Chairman of Baghbor goan Panchayat Samabai Samity.

Regarding the appointment of Tailoring Instructress it may be stated that there ladies were appointed as Instructreess of Mondia Development Block on 1. 5. 78. by P. C. D. at a monthly hanorarium of Rs 100/- They were (1) Shrimati Golapi Bala Kalita, (2) Smti. Jarina Khatun

and (3) Smti. Bijuli Das, Smti. Jarina Khatun is the wife of Shri Mir Hussain, B. D. O. and Smti Bijuli Das is the wife of the Auditer, Smtil Golapi Bala Kalita and Smtil Bijuli Das have since been released wite effect from 15-9-78.

## MATTER UNDER RULE 301

**Mr. Speaker :—** Now, item No. 3.

**Shri Ramendra Dey :—** Sir, I beg to raise a matter under the Rule 301 of the Rules of procedure and Couduct of Busines in Assam Lesislative Assembly regarding করিমগঞ্জ মহকুমার বদরপুর থানার এলেকাধীন মোড়ল পড়োগ্রাম বরাক নদীর ভাংগনে প্রায় ধ্বংসের পথে। বহু বাড়ী ঘর ক্ষেতের জমি হারিয়ে মানুষ বাস্তুহারাতে পরিণত হয়েছে। বর্তমানে মোড়স পাড়াসহ শ্রীগোরী বাজার ধ্বংস হয়ে মানুষের জীবনযাত্রা বিপন্ন হবে"

মাননীয় অধ্যক্ষ মহেদয়, গত ৩০ বছরে কংগ্রেস চরকার এই নদী ভঙ্গন মনেকরেননি করার প্রয়োজন প্রতিরোধ করার কোন বৈজ্ঞানিক এবং বাস্তব পরিকল্পনা গ্রহণ করে নাই। যার ফলে কেবল কাছাড় জিলা নয় সমস্ত আসাম রাজ্য নদ-নদী ভাংগনের ফলে গরীব লোক ভূমিহারা বস্তুহারা খেত মজুরে পরিনত হয়েছে।

**মাননীয় অধ্যক্ষ :—** এতবড় ইন্টডাকশনের কোনাও দরকার নাই।

Shri Ramendra Dey :— Sir, I think under Rules 30 there is spape for detail discussion কত লক্ষ লক্ষ মানুষ তাদের বাড়ী ঘর জমি এবং জীবিকা থেকে যে এই ভাংগনের ফলে বিচ্ছিন্ন হয়ে গিয়েছে এবং দিন মজুরে পরিণত হয়েছে তার হিসাব নাই। এই কংগ্রেস সরকার তখন এই নদী ভাংগনকে প্রতিরোধ করার কোনও বাস্তব ব্যবস্থা না নেওয়ার জন্যইতো আজ মানুষের এই অবস্থা এরজন্য কি তারা দায়ী নন?

মাননীয় অধ্যক্ষ :— আপনি প্রবলেমের কথা বলুন।

শ্রীরামেন্দ্র দে :— সেজন্যই আমি জনতা সরকারের দৃষ্টি আকর্ষণ করে বলতে চাই যে কেবল মাত্র ভাগ্যের উপর নির্ভর নাকরে তারা যেন প্রকৃতির সঙ্গে লড়াই করে এই বরাক নদীর ভাঙ্গন প্রতিরোধ করেন এবং এরজন্য একটি বাস্তব এবং বৈজ্ঞানিক পরিকল্পনা গ্রহন করেন। যদি তা না করেন তাহলে বদরপুর কনষ্টিট্যুয়েন্সির শতকরা ৬০ ভাগ মানুষ ক্ষতিগ্রস্ত হবে এবং শিলচর করিমগঞ্জের যে একমাত্র রাস্তা যা ত্রিপুরা, মিজোরামের সঙ্গে একমাত্র যোগস,ত্র রক্ষা করছে তা বিপন্ন হবে। এইদিকে আমি সরকারের দৃষ্টি আকর্ষণ করছি। আমাদের কংগ্রেসী সদস্য বন্ধু বলেছেন যে ৩০ বছরের কথা এখানে বলবোনা। নিশ্চয়ই বলবো। কারণ তাদের ব্যর্থতার জন্যই আজ এই অবস্থা হয়েছে, মানুষের এই সংকট হয়েছে। সেজন্যই ৩০ বছরের কংগ্রেসী ব্যর্থতা আজ এখানে আলোচনার বিষয়বস্তু। আমি আশা করবো বর্ত্তমান জনতা সরকার এই অভিজ্ঞতা সঞ্চয় করে এই নদী ভাঙ্গন থেকে সেই অঞ্চলের জনসাধারণকে রক্ষা করার জন্য একটা বাস্তব এবং বৈজ্ঞানিক ব্যারস্থা গ্রহণ করবেন।

Shri Romesh Mohan Kouli ( Minister ) :— The village Srigouri is situated on the left bank of the Barak about 4 K. M downstream of Badarpur town. This is an old and thickly populated village. The area is covered with permanent and semi permanent buildings including Srigouri High School. The P. W. D Road from Silchar to Karimganj is passing through this area.

The river Barak in this reach is gradually croding to wards the left bank and is croding the High School Play ground situated on the river bank. The erosion has been caused due to sconring of the bed combined with underground seepage from the country side. As revealed from local enquiry about 30 M depth of crosion took place in about last ten years. The crosion taking Place at present is very mild in nature and in under observation. Necessary investigations are in progress.

The village Moralpara is about 1½ K. M upstream of Srigouri and also sitnated on the same bank. Active crosion is taking place at village Moralpara and now the erosion is shifting towords upstram.

The laght of the affected reach is about 900 metres and the average rate of erosion is 15 m. to 20 m per years. No protection measures have been taken up by the flood Control Department as yet. This is under observation.

বাজেটৰ ওপৰত সাধাৰণ আলোচনা

Mr. Speaker :— I called a meeting of the Leaders of Various Parties and Groups on 6th March, 1979 in my Chamber to discuss about the allotment of time amongst the Members of diffarent Political parties and Groups for general discussion on the Budget. The General discussion on the Budget has been fixed for 7 days i. e. 7th, 6th, 9th, 15th, 16th, 17th and 16th March, 1979. The total time available for discussion is 1240 minutes. Out of this, 100 minutes have been earmarked for reply of the Finance Minister and other Ministers, if any. The rest of time has been equally divided amongst the Members of the House according their strength as follows :—

1. Janata Party excluding the Ministers. 462 minutes.
2. Indian National Congress.... 253 Minutes.

| | | |
|---|---|---|
| 3. | C. P. I (M) | ... 121 Minutes. |
| 4. | Indian National Congress(I) | ... 88 Minutes. |
| 5. | C. P. I | ......... 66 Minutes. |
| 6. | R. C. P. I | ......... 44 Minutes. |
| 7. | R. D. F. | ......... 66 Minutes. |
| 8. | Independent | ......... 33 Minutes. |
| 9. | Extra | ......... 7 Minutes. |
| | | Total— 1140 Minutes. |

In this connection, I would like to request the Leaders and Whips of the different Political Parties and Groups to indicate the time to be taken by each Member in the list of speakers submitted to the Secretary. Now Shri Nagan Barua ?

* শ্ৰীনগেন বৰুৱা :— মাননীয় অধ্যক্ষ মহোদয়, মই ১৯৭৯-৮০ চনৰ চৰকাৰৰ বাজেটৰ ওপৰত মই দুটামান কথা নিবেদন কৰিব বিছাৰিছো। প্ৰথমে মই আমাৰ বিত্তমন্ত্ৰী ডাঃ ভৰীয়াক ধন্যবাদ দিছো যে তেখেতে এই বছৰ এনে এখন বাজেট দাখিল কৰিছে যিখন আচলতে ... ...

Shri Golok Rajbanshi :— Sir, the tradition is that generally the discussion on the Budget speech should be opened from the opposition side after

* Speech not corrected

the Minister's budget speech.

* শ্ৰীনগেন বৰুৱা ঃ— এই বাজেটত অসমৰ যিটো অৰ্থনৈতিক পৰিস্থিতি এই পৰিস্থিতিৰ তেখেতে সুন্দৰ ভাবে বাখ্যা আৰু অন্যান্য তথ্য-পাতিসৈতে দাখিল কৰিছে। আৰু লগে লগে তেখেতে আমাৰ চৰকাৰৰ যিখিনি কাম কৰিবলৈ লোৱা হৈছে, জনসাধাৰণৰ কল্যাণৰ কাৰণে এইবিলাক কথাৰ ওপৰত তেখেতে কেনেভাৱে চৰকাৰে কাম কৰিব পাৰে তাৰ ওপৰত এটা সুন্দৰ ছবি দাঙি ধৰিছে। এইক্ষেত্ৰত আচলতে এটা কথা পৰিলক্ষিত হৈছে যে আমাৰ চৰকাৰে এইবছৰ মাটি বাজেট দাঙি ধৰিবলগীয়া হৈছে। এই মাটি বাজেটৰ জৰিয়তে যদিও বাজেট ঘাটি হৈছে তথাপিও উন্নয়ণ-মূলক কামৰ কাৰণে আৰু আমাৰ ৰাজ্যত যিমান সংখ্যক কৰ্মচাৰী আছে, বিভিন্ন শিক্ষক সকল আছে আৰু অন্যান্য ৰকমৰ যিবিলাক কল্যাণমূলক আঁচনি আছে, সেই আঁচনিত যিখিনি টকা খৰচ কৰিব লাগে বা বৰ্ত্তমান অৱস্থাত যি ধৰণে কাম কৰিবলৈ লোৱা হৈছে সেইখিনিৰ কাৰণে যি প্ৰয়োজনীয় টকা এটা দিবলৈ যাওঁতে বাজেট ঘাটি হৈছে। এইটো আমি আশা কৰিব পাৰো আৰু বিত্তমন্ত্ৰীও আশা কৰিছে আমি যি ধৰণে এইবছৰ টকা খৰচ কৰিছো ঘাটি বাজেট কৰি সেই টকা খৰচৰ ফলত যি উন্নতি হব, উৎপাদন বৃদ্ধি হব আৰু যিখিনি ভাল কাম হব তাৰ ফলত আমাৰ অৰ্থনৈতিক পৰিস্থিতি উন্নত হব। আমাৰ বিত্তমন্ত্ৰী ডাঙৰীয়াই তেখেতৰ বক্তৃতাত এই বেলি এটা নতুন কথাৰ সূচনা কৰিছে। সেইটো হৈছে তেখেত বাজেট বক্তৃতা দুটা খণ্ডত প্ৰকাশ কৰিছে। প্ৰথম খণ্ডত আছে অসমৰ অৰ্থনৈতিক অৱস্থা আৰু

* Speech not corrected

দ্বিতীয় খণ্ডত অসমৰ ৰাজকোষৰ অৱস্থা ভালদৰে দাঙি ধৰিব বিচাৰিছো। এই অৰ্থনৈতিক অৱস্থাৰ পৰিপ্ৰেক্ষিতত ৰাজকোষ কেনেকৈ এই অৰ্থনৈতিক অৱস্থাত সক্ৰীয় কৰিব পাৰি এই কথাত তেখেতে বলিষ্ঠ বক্তব্য ৰাখিছে। অৰ্থনৈতিক ফালৰ পৰা তেখেতে কেইটামান গুৰুত্বপূৰ্ণ কথা উল্লেখ কৰিছে সেইকেইটা মনকৰিবলগীয়া। এইটো সংশোধণীৰ কাৰণে বা কাৰ্য্যকৰী ব্যৱস্থা লবৰ কাৰণে চৰকাৰ আৰু তেখেতৰ বিত্ত বিভাগে নিশ্চয় নেতৃত্ব দিব পাৰিব বুলি আমি আশা ৰাখিছো। ইয়াত কোৱা হৈছে যে আমাৰ যিটো মূল্যসূচী সেইটো মনকৰিবলগীয়া। ১৯৭৮ চনৰ বছৰটোত অসমৰ সামগ্ৰীক মূল্যসূচীৰ যি পৰিস্থিতি ১৯৭৭ চনৰ লগত তুলনামূলক ভাবে কম পৰিমাণে উৰ্দ্ধমূখী হৈছে আৰু এটা স্থিতৰস্থাত আছে। ১৯৭৭ চনত মূল্যসূচী ৪৩৯ তেই সুস্থিৰ আছিল, ১৯৭৮ চনত এইকাৰী পাইকাৰী মূল্যসূচী ৪০৯ টকাৰ পৰা শতকৰা ৩.৪ ভাগ মাত্ৰ বাঢ়িছে। অৰ্থাৎ ৪২৩ পাইছেগৈ। শ্ৰমিক গ্ৰাহক মূল্যসূচীৰ ক্ষেত্ৰত ১৯৭৭ চনত ৩৬৭ ৰ ঠাইত ১৯৭৮ চনত ৩.৫ ভাগ বাঢ়ি ৩৮০ হৈছেগৈ। কৃষি উৎপাদনৰ ক্ষেত্ৰত ১৯৭৭-৭৮ চনত ১১৭ ৰ পৰা ১২৩ হৈছেগৈ। উদ্যোগিক উৎপাদনৰ মূল্যসূচী ১৯৭৭-৭৮ চনত ১২৪ ৰ পৰা ১১৭ হৈছেগৈ। তাৰ মানে আমি এই কথাই বুজিব পাৰিছো যে এইবছৰ মূল্যসূচীৰ যিটো উৰ্দ্ধমূখী ভাৰতৰ অৰ্থনীতিত আছিল সেইটো সুস্থিৰ অৱস্থাত আছে আৰু বোধ কৰিব পৰা হৈছে। এই সুস্থিৰ অৱস্থাৰ পৰা এই কথাই আশা কৰিব পাৰি যে মূল্যসূচী আমাৰ যেতিয়া উৎপাদন বাঢ়ে আৰু অৰ্থনৈতিক কাৰ্য্যসূচী ৰূপায়ন হয়, এই ৰূপায়নৰ ফলত আমাৰ অৰ্থনৈতিক উৰ্দ্ধমূখী মূল্যসূচীৰ ঠাইত, উৰ্দ্ধমূখী হোৱাৰ পৰিবৰ্তে

নিম্নমুখী হোৱা পৰিলক্ষিত হৈছে। এতিয়া এই বাজেটৰ পৰা যিখিনি কাম কৰিবলৈ লোৱা হৈছে ১৯৭৮-৮০ চনত ৰাজকোষৰ পৰা ৭'৫৫ কোটি টকা অতিৰিক্ত খৰচ হব। এইটো সুখৰ কথা যিটো গ্ৰাহক মূল্যসূচীৰ ওপৰত নিৰ্ভৰ কৰি মৰগীয়া বানচৰ বৃদ্ধি অসমৰ কৰ্মচাৰী আৰু শিক্ষক সকলক দিবলৈ স্থিৰ কৰিছে এইটো চৰকাৰে ভাল সিদ্ধান্তই লৈছে। এই টকা খৰচ কৰি আমাৰ যি কৰ্মচাৰী আৰু শিক্ষক সকল আছে য'ত চৰকাৰী কৰ্মচাৰীৰ সংখ্যা প্ৰায় ৯০ হাজাৰ আৰু শিক্ষক প্ৰাথমিক স্কুলৰ পৰা কলেজ পৰ্য্যায়লৈকে মুঠতে ১ লাখ আছে। এই এক লাখ ১০ হাজাৰ কৰ্মচাৰী আৰু শিক্ষকৰ কাৰণে অতিৰিক্ত মৰগীয়া বানচ আৰু দৰমহা আদিৰ ক্ষেত্ৰত এই টকা দিয়াটো সন্তোষজনক কথা হৈছে। এইটো আমাৰ চৰকাৰে কৰা আৱশ্যকীয় ব্যয় বুলিয়েই মই সমৰ্থন কৰিছো। দ্বিতীয়তে আৰু এটা কথা হৈছে আৰু এইটো আটাইতকৈ বেছি মন কৰিবলগীয়া কথা যে ব্যক্তিগত বিনিয়োগ যিমানখিনি আচলতে হব লাগে সিমানখিনি হোৱা নাই। তাতকৈ বহু কম পৰিমাণৰ ব্যক্তিগত বিনিয়োগ আমাৰ ইয়াত হৈছে। আমাৰ অসমত যিবিলাক উদ্যোগ, ব্যৱসায় বানিজ্য সেইবিলাকৰ প্ৰধান কাৰ্য্যালয় বা তাৰ প্ৰায় বিলাকৰে হেড অফিচ বিলাক অসমৰ বাহিৰত আছে। অসমৰ তেল, চাহ, কয়লা আদি চৰকাৰী খণ্ডত যিমান বিলাক আছে সেইবিলাকৰো বেছি ভাগৰেই প্ৰধান কাৰ্য্যালয় বা ৰেজিষ্টাৰড অফিচ শতকৰা ষাঠি ভাগৰেই বাহিৰত চলি আছে। ইয়াৰ কাৰণে অসম ৰাজ্যখনত যিমান পৰিমাণৰ ধন বিনিয়োগ হব লাগিছিল সেই পৰিমাণে ধনৰ বিনিয়োগ হোৱা নাই। উদাহৰণ স্বৰূপে অসমত সাতশ ছাপন্ন খন চাহবাগান আছে আৰু এই চাহবাগানৰ পৰা বহু ক্ষেত্ৰত আয় হয় ১৯৭৮

চনত চাৰিশ একৈশ মিলিয়িন কিলোগ্ৰাম আৰু ইয়াৰ মূল্য হয়গৈ ছয়শ চোসত্তৰ কোটি টকা। আৰু এই সাতশ ছাপন্ন থন চাহবাগানৰ পৰা উৎপন্ন হয়। আৰু ইয়াৰ মূল্য হয়গৈ চাৰিশ তিয়াল্লিশ কোটি টকা। ইমানখিনি উৎপন্ন হোৱা সত্বেও তাৰ বিনিয়ময়ত ইয়াৰ কোম্পানী বিলাক অসমৰ বাহিৰত হোৱা কাৰণে এই বিলাকৰ প্ৰধান কাৰ্য্যালয় বিলাক বাহিৰত থকা কাৰণে এই পৰিমাণে চেলটেক্স, এগ্ৰিকালচাৰ টেক্স আৰু অন্যান্য ৰকমৰ টেক্স আদিৰ অংশৰ পৰা অসম ৰাজ্যখন বঞ্চিত হৈ আছে। আমাৰ অসমত চাহ শিল্পই হৈছে এটা বৃহত শিল্প। কাৰণ যিখিনি মাটি, ৰাস্তাঘাট আদিৰ ব্যৱস্থা কৰি দিয়া হৈছে, ব্যৱসায় বাণিজ্য আদিৰ কাৰণে যিখিনি সুবিধা কৰি দিয়া হৈছে সেই পৰিমাণে অসমৰ ৰাজহত এই শিল্পৰ পৰা বিশেষ কোনো বৰঙণি যোগাৰ পৰা নাই। অতি পৰিতাপৰ কথা যে এই শিল্প বিলাকৰ বহুতৰ প্ৰধান কাৰ্য্যালয় আনকি ভাৰতৰ বাহিৰতো আছে। ইয়াৰ কাৰণে আমি যিমানখিনি অংশ পাব লাগে সেইখিনিৰ পৰা বঞ্চিত হৈছো। প্লাইউড ফেক্টৰি বা আন আন যিবিলাক উদ্যোগ আছে সেই বিলাকৰো ৰেজিষ্টাৰ্ড অফিচ অসমৰ বাহিৰত থকাৰ কাৰণে সাধাৰণতে আমি যিখিনি অংশ পাব লাগিছিল সেইখিনি পোৱা নাই। সেইবিলাকৰ প্ৰধান কাৰ্য্যালয় হয় কলিকতাত নহয় বোম্বাইত নতুন দিল্লীত। সেই কাৰণে ব্যক্তিগত খণ্ডত যি ধৰণে টকা বিনিয়োগ হব লাগিছিল সেই ধৰণে হোৱা নাই। তাৰ কাৰণে ভাৰতীয় উদ্যোগ বা জনকল্যান কৰাৰ ক্ষেত্ৰত তেনেকুৱা কাম কৰাৰ ক্ষেত্ৰত যিমান-খিনি ধন পাব লাগিছিল সিমান পৰিমাণৰ ধন পোৱা হোৱা নাই। তাৰ কাৰণেই বাজেতৰ ওপৰত হেচা পৰিছে। অৱশ্যে

বিত্তমন্ত্ৰী ডাঙৰীয়াই ইয়াৰ কাৰণে এটা ইঙ্গিত দিছে যে এই-বিলাক প্ৰতিষ্ঠানৰ প্ৰায় বিলাকৰে প্ৰধান কাৰ্য্যালয় স্থানীয় ভাৱে ৰখাৰ কাৰণে চৰকাৰৰ ফালৰ পৰা বলিষ্ঠ পদক্ষেপ লবলৈ আশা কৰিছে। তেনেকুৱা ভূমিকা লোৱাৰ কাৰণে চৰকাৰৰ ফালৰ দৃঢ়তা থাকিলেই নহব তাৰ কাৰণে দৃঢ়তাৰে নীতি ঘোষনা কৰাৰ কাৰণে মই চৰকাৰক আহ্বান জনাইছো। তাৰ উপৰিও আমাৰ ইয়াত যিবিলাক বেংক, এল-আই-চি, ইণ্ডিয়ান ফাইনেন্স কৰপোৰেচন বা তেনে ধৰণৰ বিত্তীয় নিগম আছে সেইবিলাকৰ পৰাও চৰকাৰী বা বেচৰকাৰী ভাৱে ধন পোৱাৰ সুযোগ কণ লব লাগিব। আমাৰ ইয়াৰ আচঁনি ৰূপায়িত কৰিবলৈ হলে এল-আই-চি আদি অনুষ্ঠান বিলাকৰ লগত কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ মাধ্যমেৰে সংযোগ ঘটাব লাগিব আৰু তাৰ দ্বাৰা দৰকাৰ হলে স্থানীয় নিকায় আৰু নিগম বিলাকৰ যোগেদি এই ধন পোৱাৰ কাৰণে প্ৰচেষ্টা কৰিব লাগিব। আজি প্ৰাথমিক স্কুলৰ কাৰণে ঘৰ নাই, কলেজ আদিৰ কাৰণে ঘৰ তুৱাৰ কৰি দিব পৰা নাই সেইবিলাক কামৰ কাৰণে এনেভাৱে ধন সংগ্ৰহ নকৰিলে আচনি কৃতকাৰ্য কৰি তোলা সম্ভৱপৰ নহয়। সম্ভৱ-মূলক শিক্ষা বিভাগৰ অধীনত এটা কৰপোৰেচনৰ নিচিনা কৰি এনেবোৰ প্ৰতিষ্ঠানৰ পৰা ধন পোৱাৰ ব্যৱস্থা কৰিব লাগিব তেতিয়াহলেহে কাৰ্য্যসূচী ৰূপায়ণত সহায়ক হব আৰু বাজেটৰ ওপৰতো হেচা কমিব। পাচ বছৰীয়া পৰিকল্পনাৰ টকাৰে ৰাইজৰ অভাৱ অভিযোগ সমূহ ঠিকমতে সমযত কৰি দিব পৰা নহয় যদিও এই ধৰণে টকা সংগ্ৰহ কৰিব পাৰিলে সেই ক্ষেত্ৰত যথেষ্ট সুবিধা হব। জলসিঞ্চন ব্যৱস্থাত ইতিমধ্যে আমি বহুখিনি আগবাঢ়িব পাৰিছো। কিন্তু এনেবোৰ কাৰ্য্যত নেতৃত্ব দিবলৈ বিত্তমন্ত্ৰী

মহোদয়ক অনুৰোধ জনাইছো আৰু যাতে সুকলমে আচনি বিলাক ক্ষীপ্ৰ গতিত আগুৱাই নিব পৰা যায় তাৰ কাৰণে চেষ্টা কৰিব বুলি আশা কৰিছো। আমি অসমত চেলটেক্স তিনিকোটি আৰু ফাইনেন্স টেক্স তেৰকোটি মাত্ৰ পাও। চাৰ্ট, গেঞ্জী, ৰেডিমেট পোচাক আদিৰ পৰা তিনিকোটি আহে। পিয়াজ, আলু, ডাইল আদিৰ পৰা মটৰ, গাড়ী, চাইকেল আদিৰ পৰা তেৰকোটি মান টকা পোৱা হয়। মুঠতে এইখিনি টকাই আমাৰ ৰাজহ হিচাবে আহে। ষোল্লকোটিৰ বেছি নহয়।

মই ভাবো এই আসাম ফাইনেন্স টেক্সৰ জৰীয়তে আমি ৬০ কোটি টকা পাব লাগে। আকৌ চেলটেক্সৰ জৰীয়তে এতিয়া যি ১গুণ পাইছোঁ সেইটো ৩।৪ গুণ বেচি পাব লাগে। আজি বিশেষকৈ আমি ৰেডিমেইড গাৰমেণ্টৰ পৰা যিমানখিনি চেলটেক্স পাব লাগে সিমানখিনি পোৱা নাই কিয়নো আজি আমাৰ প্ৰায় শতকৰা ১৮ ভাগ মানুহেই ৰেডিমেইড গাৰমেণ্ট ব্যৱহাৰ কৰে মাত্ৰ কেইজনমান মানুহে ৰেডিমেইড ব্যৱহাৰ নকৰে তাৰোপৰি চাহবাগানত আমাৰ যিমান বিলাক মজুৰ আছে তেওঁলোকে প্ৰায় সকলোৱেই এই ৰেডিমেইড গাৰমেণ্ট ব্যৱহাৰ কৰে, আজি চাহবাগিছাৰ জনসাধাৰণ যদি হিচাব কৰি চাও তেতিয়া হলে দেখা যাব প্ৰায় ১২ লাখ মানুহ আছে, তেওঁলোকে মাহেকীয়া মজুৰীৰ পৰা এই কাপোৰ কিনে গতিকে আমি যদি এই ৰেডীমেইড কাপোৰৰ পৰা যিখিনি চেলটেক্স পাব পাৰো সেইখিনি যদি ভাল ধৰণে আদায় কৰিব পাৰো তেতিয়াহলে প্ৰায় ৫০৬০ লাখ মান টকা এই চেল্চটেক্সৰ নামত পাব পাৰো। কিন্তু প্ৰকৃতপক্ষে আমি ইয়াত বহুখিনি ঘাটি খাই আছো আৰু যিমান

পৰিমাণৰ টকা আমি এই দুটা শিতানত পাব লাগে তাতকৈ বহু কম টকা পাই আছো, ইয়াৰ কাৰণ ক'ত সেইটো বিচাৰি উলিয়াই প্ৰশাসনৰ ক্ষেত্ৰত ক'ত ত্ৰুটি-বিচ্যুতি আছে সেইটো উলিয়াই তাক নিকা কৰিব লাগে আৰু এই প্ৰশাসন অধিক কাৰ্য্যক্ষম কৰি তোলাৰ কাৰণে মই বিত্তমন্ত্ৰী মহোদয়ক বিশেষ দৃষ্টি দিবলৈ অনুৰোধ কৰিলো। তাৰ বাহিৰেও অন্যান্য দিশত যি টকা আছে, এগ্ৰিকালচাৰেল চেলটেক্স আমি পাওঁ বিশেষকৈ চাহৰ পৰা আহে। এই টকাটো আমাৰ ২৬ কোটিতকৈ অলপ বেছি আহে। এইটো ভিৰিয়েচন হৈ থাকে। কেতিয়াবা চাহৰ দাম বাঢ়ি যায়, তেতিয়া ক্ৰমে বাঢ়ে। আৰু কেতিয়াবা কমি যায়। নতুনকৈ টেক্স এই ক্ষেত্ৰত লাগোৱা হোৱা নাই। যিমান খিনি টেক্স এই ক্ষেত্ৰত পাব লাগে সেইখিনি পোৱা হোৱা নাই। গতিকে এইবিলাক সংগ্ৰহৰ ক্ষেত্ৰত যিটো কথা হৈছে সেইখিনি ভালদৰে চাব লাগে। আমাৰ চেণ্ট্ৰেল চেলটেক্স আছে তাত ৬ কোটি মান আহে। পেট্ৰোলিয়াম জাতৰ সামগ্ৰীৰ পৰা ৭ লাখ টকা আৰু প্ৰফেচনেল টেক্স ৬৫ লাখ টকা। কিন্তু এই টেক্স চেণ্ট্ৰেল গভৰ্ণমেণ্টৰ বহুতো অফিচ অসমৰ বাহিৰত হোৱা কাৰণে আমাৰ টেক্স কম হৈ যায়। সেইকাৰণে এই গোটেই বিলাক ব্যৱস্থা ভালধৰণে পৰীক্ষা নিৰীক্ষা কৰি বিশেষ মনোযোগ দি প্ৰশাসনীয় যন্ত্ৰটো অধিক কাৰ্য্যক্ষম কৰি তুলিবলৈ মই বিত্তমন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। চাহৰ ক্ষেত্ৰত আৰু এটা কথা কব বিচাৰিছো যে আমি ভাৰতবৰ্ষৰ ভিতৰতে চাহৰ উৎপাদন বেছি কৰো। কিন্তু চাহ উৎপাদনৰ তুলনাত চাই. আমি যিমান টকা পাব লাগে চেণ্ট্ৰেল তুলনাৰ পৰা কম টকা পইচা পাইছো যিমানখিনি উৎপাদন কৰো সেই উৎপাদন মতে ৫৪৪ কোটি টকা অসমৰ চাহৰ মূল্য।

এইখিনি মুল্যৰ যিটো অংশ সেইখিনি পোৱা হলে আমাৰ বহুত সুবিধা হল হেতেন। চেলটেক্সৰ ক্ষেত্ৰত আমাৰ যিবিলাক অকশন মাৰকেট অফিচ আছে আৰু হেড অফিচ সেইবিলাক কলিকতাত থকাৰ কাৰণে আমি যিমানখিনি ইনকাম টেক্স পাব লাগে সিমানখিনি নেপাওঁ।

অসমৰ অকশন মাৰকেট গুৱাহাটীত যিটো আৰম্ভ কৰা হল তাৰো ভেটি সুদৃঢ় ভাবে হোৱা নাই। কলিকতাত হেড-অফিচ বিলাক থকাৰ কাৰণে আমাৰ যিটো অসুবিধা হৈছে সেইটো অসমৰ বাইজে অসমৰ যুৱক সকলে মাননীয় সদস্য সকলে সকলোৱে উপলব্ধি কৰিছে। গতিকেই এই অকশণ মাৰকেটৰ হেড অফিচ বিলাক গুৱাহাটীলৈ উঠাই অনাৰ কাৰণে যিকোনো প্ৰকাৰে চেষ্টা কৰিব লাগে। এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰক বুজনি দিয়াৰ অংশ লব লাগে। ইয়াৰ বাহিৰেও আমাৰ ধন প্লাইউডৰ পৰা আহিব পাৰে। ইয়াৰো হেড অফিচ বিলাক কলিকতাত আছে। এই প্লাইউড ফেক্টৰী পৰা চেলটেক্স ৬ লাখতকৈ বেচি টকা নেপাও। এইটো আচৰিত কথা। অথচ অসমৰ গছ-গছনি কাটি সকলো খিনি সুবিধা প্লাউডৰ কাৰণে ইয়াৰ পৰাই কৰি দিয়া হয়। কিন্তু অসমে প্লাইউডৰ ইনকাম টেক্স বিলাক নেপায়। এই প্লাইউদ ফেক্টৰী কোম্পানী আৰু ৰেজিষ্টাৰ হেড-অফিচ বিলাক কলিকতাত আছে। গতিকেই ইয়াৰ চেলটেক্স আৰু ইনকমটেক্স বিলাক বাহিৰলৈ গুচ গৈছে। এইকাৰণেই আজি অসমৰ প্লাইউদলৈ যিবিলাক ফেক্টৰী হৈছে সেইবিলাক অসমৰ বাহিৰত থকা কোনো যুক্তি নাই। যদিও এই হেড-অফিচ বিলাক আমি ইয়াত পাতো তেতিয়াহলে চেলটেক্স ইনকমটেক্স আৰু আন আন সকলো টেক্স লৈ এটা শকত পুজি পাব পাৰো।

তাৰ দ্বাৰা আমি আমাৰ বাজেটত যে চাবে ৪৭ কোটি টকা ঘাটি হৈছে! সেইটো পূৰণ কৰি আৰু অধিক টকা আদায় কৰিব পাৰো। ইয়াত যি কৃষিৰ ওপৰত কেচামাল আৰু অন্যান্য কৃষিজাত বস্তু মেনিফেকচাৰ বা উৎপাদন কৰা হয় তাৰপৰা আমি অনেক ধৰণৰ উদ্যোগ গঢ়ি তুলিব পাৰো। কিন্তু সেই উদ্যোগ বিলাক ইয়াত নহয় বাহিৰত হৈছে। আমাৰটো বৃহত উদ্যোগ নিচেই কম।৷ গতিকেই কৃষিৰ ওপৰত কৰিব পৰা উদ্যোগ আৰু অন্যান্য উদ্যোগ গঢ়ি তুলিব পাৰিলে প্ৰায় ৬০ কোটি টকাতকৈ বেচি টকা আমি আহৰণ কৰিব পাৰিম। গতিকেই এই উদ্যোগ গঢ়ি তুলিবৰ কাৰণে মই বিশেষ ভাবে অনুৰোধ জনাও।

আজি বনজ সম্পদৰ ওপৰত যিখিনি কথা কোৱা হৈছে তাৰ ওপৰত মই বিশেষ আলোচনা নকৰো। কাৰণ আজি আমাৰ বনজ সম্পদ ধ্বংশ আৰু লুপ্তপ্ৰায় হৈছে। মই কব খুজিছো যে এই বনজ সম্পদবোৰৰ ডেভেলপমেণ্টৰ কাৰণে যি আচনি লোৱা হৈছে তাক ভালদৰে কাৰ্য্যকৰী নকৰিলে আমাৰ ৰাজহৰ ঘাটিৰ পৰিমাণ আৰু বেছি হব। সেই কাৰণে আচনি কাৰ্য্যকৰি কৰিবলৈ যাওঁতে বিশেষ ভাৱে মন কৰিব লাগিব যাতে এই আচনিৰ টকাখিনি অথলে নেযায় আৰু ঠিক সেইদৰে কৃষিৰ ক্ষেত্ৰত প্ৰডাক্তিভ চিষ্টেম লব লাগিব। আমাৰ যিবিলাক ডিপাৰ্টমেণ্টৰ ওপৰত এই দায়িত্ব আছে ইয়াৰ ৰিপ্ৰিণ্ট ফিক্সদ সময়মতে কৰি আমাৰ প্ৰশাসনীয় এফিচিয়েন্সি বঢ়াব লাগে। কৃষিৰ কাৰণে ইৰিগেচনৰ ওপৰত চৰকাৰে বিশেষ গুৰুত্ব দিব লাগে আৰু ইয়াত টকা খটুৱাব নোৱাৰিলে বিপদৰ সম্ভাৱনাই বেছি আছে। আজি পাঞ্জাব আদি ঠাইত কৃষিৰ কাৰণেই ৰাজ্যৰ ৰাজহ ডেৰ হেজাৰ কোটি টকা বাঢ়িল। কাৰণ এই ৰাজ্যৰ ৰাইজ কৃষিমুখী আৰু পাঞ্জাব চৰকাৰেও

এই কৃষি উদ্যোগৰ ক্ষেত্ৰত বিশেষ সুবিধা আগবঢ়োৱাৰ কাৰণে ইয়াৰ জনমুখী আয় বাঢ়িল। কিন্তু অসমত আজিলৈকে তেনে কোনো বহুত কৃষি উদ্যোগ গঢ়ি উঠা নাই। কৃষি উৎপাদনৰ কাৰণে ইৰিগেচনৰ যি বিশেষ আৱশ্যক তাৰ কোনো উন্নতি সাধন হোৱা নাই। পঞ্জাবৰ গাৱেঁ গাৱেঁ অঞ্চলে অঞ্চলে কৃষি উদ্যোগ গঢ়ি উঠিল। কিন্তু অসম এই ক্ষেত্ৰত পিচপৰি আছে। ফলত অসমৰ জনমুৰী আয় পঞ্জাৱতকৈ বহুত কম। ইয়াৰ কাৰণ হ'ল অসমৰ কৃষি উৎপাদন পদ্ধতি সেই পুৰণি কলিয়া হৈয়ে আছে। যদি আমি এই পুৰণি ব্যৱস্থা তুলি দিব নোৱাৰো, তেতিয়া হলে কৃষি উৎপাদনৰ ক্ষেত্ৰত আমি সদায়েই পিছপৰি থাকিম। আজি অসমৰ লেণ্ড পলিচিও ঠিকমতে হোৱা নাই। সোনকালে ইয়াৰ সংশোধন নকৰিলে আমি কৃষিৰ ক্ষেত্ৰত আগবাঢ়িব নোৱাৰিম। এইখিনিতে আমাৰ ইৰিগেচনৰ ওপৰত বিশেষ গুৰুত্ব দি আৰু কৃষিৰ প্ৰয়োজনীয় নাঙল বা অন্যান্য সা-সজুলি বা ট্ৰিলাৰ টেষ্টৰ আদি অসমৰ বাহিৰৰ পৰা আনিবৰ কাৰণে বহি নেথাকি আমাৰ ৰাজ্যতে সেইবোৰ প্ৰডাকচনৰ কাৰণে চেষ্টা কৰিব লাগে। ইৰিগেচনৰ ক্ষেত্ৰত জনসাধাৰণক যি প্ৰতিশ্ৰুতি দিয়া হৈছিল, সেই প্ৰতিশ্ৰুতি ৰক্ষা কৰা হোৱা নাই। কৃষিৰ শিতানত আজি বাজেটত যি টকা ধৰা হৈছে, সেই টকা খেতিয়কৰ কামত, জলসিঞ্চনৰ কামত লগালে বিশেষ লাভজনক হব। বিশ্ববেংক বা অন্যান্য নেচনেল বেংকৰ পৰা যাতে খেতিয়ক সকলক পোনে পোনে আনি দিব পৰা হয় তাৰ বাবে নিশ্চয় চৰকাৰে ব্যৱস্থা হাতত লব লাগিব। কেন্দ্ৰীয় বিত্তমন্ত্ৰীয়ে সাৰৰ দাম কমাই দিয়া কথা কৈছে। এই সাৰ যাতে প্ৰকৃত খেতিয়ক সকলে ঠিকমতে পাব পাৰে তাৰ ব্যৱস্থা কৰিব লাগে। নহলে আমাৰ খেতিয়ক সকলৰ যি পুৰনি কলীয়া খেতি

কৰা পদ্ধতি আছে তাৰ পৰা তেওঁলোক উদ্ধাৰ হব নোৱাৰিব। প্ৰডাক্সন পদ্ধতিতো প্ৰডাক্তিভ হোৱা হব লাগিব। গতিকেই পুৰনি চিষ্টেম পৰিবৰ্ত্তন কৰিব লাগিব। এই কৃষি উৎপাদনৰ কাৰণে টকা দিলেই নহব। তাক কাৰ্য্যকৰী যাতে সুকলমে কৰিব পাৰি তাৰ কাৰণে ৰাইজ আৰু খেতিয়ক সকলৰ সহযোগ লৈ কাম কৰি যাবলৈ চৰকাৰক অনুৰোধ কৰিলো।

অধ্যক্ষ মহোদয়, উদ্যোগৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে যি কথা সেইটো হৈছে ৰাজ্যত ইন্দাষ্ট্ৰিয়েল ডিষ্টিক কৰাৰ কথা। আজিলৈকে মাত্ৰ চাৰিখন মান ইন্দাষ্ট্ৰি কৰা হৈছে। অহা এপ্ৰিল মাহত বাকীবোৰ ৰাজ্যত কৰা হব বুলি আমি আশা ৰাখিছো। গতিকে এই ইণ্ডাষ্ট্ৰিবোৰ কিদৰে গঢ়ি উঠে তাক ভালদৰে চাব লাগিব। ব্যক্তিগত খণ্ডতেই হওক বা সমবায় খণ্ডতেই হওক তাক ভালদৰে গঢ়ি উঠাৰ কাৰণে ব্যৱস্থা লোৱা দৰকাৰ। আমাৰ আগৰ চৰকাৰৰ দিনত কেইটামান যুট মিল আৰু কেইটামান চেনিকল স্থাপন কৰা হল তাৰ ফলত চেনিৰ উৎপাদন বাঢ়িল গতিকেই নতুনকৈ চেনিকল পাতিবলৈ দিয়া হোৱা নাই। নগাওঁৰ কামপুৰত যিবিলাক খেতিয়ক বা অংশীদাৰ সকলে প্ৰয়োজনীয় অংশ কিনিছিল সেইবিলাকৰ অৱস্থা আজি উন্নত নহয়। সেইদৰে ডুমডুমা আৰু কামপুৰত যি উৎপাদনৰ আশা আছিল সেই আশা আজি নোহোৱা হৈছে। সেই ধৰণে যুট মিলৰ যিটো ব্যৱস্থা আছে তাৰ উৎপাদন বঢ়াব পৰা নাই। আজি আমি যি কেইটা ইণ্ডাষ্ট্ৰিৰ কথা কৈছো, তাক ভালদৰে পৰিচালনা কৰি বেছি কটকটীয়া ভাবে তাৰ দৃঢ় ব্যৱস্থা কৰিব লাগে। দুই চাৰিটা ইনজিনীয়াৰীং ইণ্ডাষ্ট্ৰিৰ কাৰণে চৰকাৰৰ উদ্যোগ বিভাগে ব্যৱস্থা লব লাগে আৰু এই উদ্যোগ বিলাকৰ প্ৰশাসনীয় ব্যৱস্থা লব লাগে। ইণ্ডাষ্ট্ৰি বিলাকৰ দৰকাৰী সা-সজুলি

বিলাক যাতে ইয়াতে উৎপাদন কৰিব পৰা যায় তালৈ লক্ষ্য ৰাখিব লাগে। তেতিয়া হলে আমাৰ নিবনুৱা সমস্যাবো কিছু সমাধান কৰিব পৰা যাব। উদ্যোগ আৰু কৃষিৰ ক্ষেত্ৰত কাৰ্য্যকৰী ব্যৱস্থা যাতে লব পাৰি তাৰ বাবে চৰকাৰৰ বিত্ত বিভাগে বিশেষ গুৰুত্ব দিব লাগে। এইখিনিকে বাজেটৰ নৈতিক সমৰ্থন কৰি মই মোৰ বক্তব্য সামৰিছো।

শ্ৰীগোলোক ৰাজবংশী :— মাননীয় অধ্যক্ষ মহোদয়, জনতা চৰকাৰৰ এইখন দ্বিতীয় বাজেট। প্ৰথম বাজেটত, যিহেতু তেখেত সকলে নিজৰ মতামত কৰা নাই বুলি কৈছিল, কিন্তু আমাক পূৰ্ব্বতে প্ৰতিশ্ৰুতি দিছিল যে দ্বিতীয়খন বাজেটত তাৰ যিটো মনোভাব সেইটো প্ৰকাশ পাব। গতিকে মই খাতাংকৈ ধৰিব পাৰিছো যে জনতা চৰকাৰৰ যিটো প্ৰতিছবি এই প্ৰতিছবি এইখন বাজেটত ওলাই পৰিছে। কোনোবাই যদি সোধে গোটেই বাজেট পঢ়াৰ পিচত আপোনাৰ মন্তব্য কি? তেতিয়া আমি নিশ্চয় কবলৈ বাধ্য হম যে এইটো যৰ পৰা আৰম্ভ হৈছিল তভেই আছে। এই বাজেটৰ পৰা আমি এটা ভয়াবহ দৃশ্য দেখিবলৈ পাইছো। আমাৰ অৰ্থ মন্ত্ৰীয়ে দেখুৱাইছে যে অপেনিং বাজেটত ২৫ কোটি টকাৰ ঘাটি আছিল আৰু আমাৰ এই ঘাটি বছৰটোৰ শেষত অৰ্থাৎ ১৯৭৮-৭৯ চনৰ শেষত ৪৭ কোটি ৪৯ লাখ ৩৪ টকা অকল সেয়ে নহয়, এই ঘাটি পূৰ্ণ কৰিবৰ কাৰণে যি ইংগিত দিছে, যিটোক মই ভয়াবহ বুলি কছো।

The Seventh Finance Commission did not allocate any funds for this purpose. While we stand committed to the policy enunciated at

that time, I am not very sure what we would be able to achieve within this constraint.

গতিকে বাজেট এখন কৰোতে অকল জমা খৰচ চালেই নহয়। খৰছ কেতিয়াবা বেছি হব পাৰে। কিন্তু আমি কি পাম সেইটো বিচাৰ কৰি চাব লাগিব। আজি এবছৰে জনতা চৰকাৰেও কি কৰিলে কি নকৰিলে তাৰ বাবে দোষ দিবলৈ নাযাও। এই বাজেট এতিয়াও তিষ্ঠিব পাৰেনে নোৱাৰে তাত সন্দেহ আছে। এতিয়া ৫ বাৰ বিধান সভা পাতি টকা বিছাৰিছে। অতিৰিক্ত পৰিপূৰক দাবী আৰু ভোট অন্ এক্কাউণ্ট আহিছে। কিন্তু আৰু ২ টা বছৰ বাকী আছেই। এই দুটা বছৰ শেষ হবলৈ যাওতে আৰু যে কেইবাৰ এই পদ্ধতিৰে টকা বিছাৰিব সেইটো কব নোৱাৰো। তেখেতে হয়তো এইটো কব যে আগৰ চৰকাৰে দোষ ক্ৰুতি বোৰ গুচাই ভাল কৰিবৰ কাৰণেই তেখেতসকল আহিছিল। আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই প্ৰথমতেই কৈছিল যে সুন্দৰকৈ গঢ়িবৰ বাবেই বাজেটত এই ভোট অন্ একাউণ্টচ উত্থাপন কৰিব লগীয়া হল। কিন্তু পৰিকল্পনাৰ সকলো কথা অহা বছৰতহে কোৱাটো সন্তৱপৰ হব। সেইকাৰণে আমি ধৰি লৈছো। এই বাজেটেই সম্পূৰ্ণ বাজেট হৈ আহিছে। কিন্তু এই বাজেট ভয়াবহ ভাৱে দাঙি ধৰিছে। আমি আচৰিত হৈছো এই আদাৰ বিচছেছ কৰ পৰা পাম। অসমৰ অৱস্থা যদি ভালদৰে পৰ্য্যালোচনা কৰিব নোৱাৰে তেনেহলে টকা কৰপৰা তুলিম? তাৰ সম্যক ধাৰণা দিব নোৱাৰে। আমি পৰিকল্পনা বৰা টকা কেন্দ্ৰীয় চৰকাৰৰ পৰা আহে। মোৰ বন্ধু শ্ৰীনগেন বৰুৱা ডাঙৰীয়াই বিভিন্ন ধৰণে কেনেকৈ এই টকা আহিছে তাক দেখুৱাই দিছে। চেভেনথ ফাইনেন্স কমিচনত আমি এটা অংশ হেৰুৱাম। This will necesstate

further augmertation of the states own resources to make up for the complete drying up of this important source of revenue. যদি আমি আমাৰ নিজৰ বিৰ্চছেৰে এই টকা গোটাব নোৱাৰো তেনেহলে এটা গেপ থাকি যাব। এই ৪৫ কোটি টকাৰ গেপটো কৰপৰা পূৰণ কৰিম? এই গেপ পূৰণ কৰিবৰ কাৰণে অৰ্থনীতিবিদৰ দৃষ্টি ভঙ্গীৰে অসমৰ গোটেই কথাখিনি যদি পৰ্য্যালোচনা কৰা নহয় তেনেহলে ইয়াৰ এটা নতুন ছবি দাঙি ধৰিব নোৱাৰিব।

দুৰ্ভাগ্যবশতঃ তেখেত সকলে সপ্তম বিত্ত আয়োগৰ ওচৰত যিখন স্মাৰক পত্ৰ দিছিল তাত অসমৰ সম্যক ছবি প্ৰতিফলিত কৰিব নোৱাৰিছিল। এইখিনিকে বাজেটত দাঙি ধৰাৰ কাৰণেই তেখেত সকলে নিজেই নিজৰ কথাটো বিশ্বাস কৰিবলৈ টান পাইছে যেন ধাৰণা হয়।

অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে অৰ্থনীতি যিটোক তেখেত সকলে মূল নীতি বুলি কৈছে সেইটো নিৰ্ভৰ কৰিছে দুটা কথাৰ ওপৰত। সেয়া হল কৃষি আৰু কটেজ ইণ্ডাষ্ট্ৰি বা কুটীৰ শিল্প। সেই দেখি ইয়াক যদি সংগঠিত কৰিব নোৱাৰে তেনেহলে অৰ্থনীতিৰ ক্ষেত্ৰ টনকীয়াল কৰিব নোৱাৰে। আমাৰ নিজৰ যি সম্পদ আছে তাক উদ্ধাৰ কৰাৰ কোনো ব্যৱস্থা নাই। কিন্তু টেক্স কৰিব পাৰে। টেক্সৰ ফলাফল কি হৈছে সেইটো আজি বিধান সভাত আলোচনা হৈছে। কেন্দ্ৰীয় চৰকাৰে কেৰাচিনৰ ওপৰত টেক্স লগালে। বিধানসভাৰ সদস্য সকলে ভাত নোখোৱাকৈয়ে সভালৈ আহিছো টেক্স বঢ়াই দি অৰ্থনৈতিক সমস্যা সমাধান কৰাৰ কথা নহয়। নতুন টেক্স এভিনিউ উলিৱাতে অৰ্থনীতিবিদ সকলৰ

পাবদৰ্শিতা প্ৰকাশ পায়। দুৰ্ভাগ্যবশতঃ আমাৰ বাজেটত তাৰ কোনো ইঙ্গিত দিয়া নাই। অসমৰ টেক্স এভিনিউ উলিয়াবৰ কাৰণে ৩ টা কথা আছে। এমপ্লয়মেন্ট মানুহৰ এমপ্লইমেন্ট বঢ়োবৰ কাৰণে উদ্যোগ আৰু কৃষি আদিত সা-সুবিধা দিব লাগিব তেতিয়াহলে ইনকাম বঢ়াব পৰা হব। অসমত বৃহত্তৰ উদ্যোগৰ যোগেদি ইনকাম বঢ়াব পাৰে। ৰাজ্যৰ ইনকাম বঢ়াব পাৰি ইকনমিক পলিচীৰ ওপৰত নিৰ্ভৰ কৰি। কুটীৰ শিল্পই হওক বা সৰুৱা শিল্পই হওক ইয়াৰ ওপৰত গুৰুত্ব দিব লাগে। কিন্তু অধ্যক্ষ মহোদয় বাজেটত ইয়াৰ কোনো ইঙ্গিত নাই। ১৯৭৮ চনৰ হিচাব মতে খেতি কৰা মানুহৰ সংখ্যা আছিল ২২ লাখ ৮৩ হাজাৰ ৬৯৮ জন। কৃষি শ্ৰমিকৰ হিচাপ হল ৪ লাখ ৫ হাজাৰ ৫৪০ জন। লাইফষ্টেট ফৰেষ্টিৰ ৪ লাখ ৪৪ হাজাৰ ১২২ জন। মাইনিং আৰু কুৱেৰীত ১৪ হাজাৰ ৬২১ জন। কটেজ ইণ্ডাষ্ট্ৰি আৰু মেনুফেকচাৰিংত ৫৬ হাজাৰ ৬ শ' ৮৫ জন। আৰু নন এগ্ৰিকালচাৰেল ওৱাৰকাৰচ ৪ লাখ ৯৮ জন, কেজুৱেল ওৱৰকাৰচ আছে ২ লাখ ৫ হাজাৰ ৭১৪ জন। গোটেই অসমৰ জনসংখ্যা হল ৯ কোটি ৪৬ লাখ আগৰ চেনচাচ হিচাপ মতে। এই গোটেই হিচাবটো লগে লগে বাঢ়ি আহিছে। কিন্তু গোটেই অসমত খেতিয়কৰ সংখ্যাই বেছি। আনকি ভাৰতবৰ্ষৰ ভিতৰতে এই সংখ্যাই অসমত বেছি। এই খেতিয়ক সকলৰ ওপ-ৰতে নিৰ্ভৰ কৰে অসমৰ ৰাজহ।

গতিকে সৰ্বভাৰতীয় ভাবে ৰিচাৰ্চৰ ক্ষেত্ৰত অসমৰ বেছি নিৰ্ভশীল ৰিচোৰ্চ হৈছে কৃষি। এই কৃষিৰ কাৰণে কিমানজন মানুহৰ মাটি আছে কিমান জনৰ নাই, মই আগতে দিয়া হিচাপতেই দেখুৱাই দিছো। তেতিয়াহলে আমি অৰ্থনৈতিক

বুনিয়াদ ৰচনা কৰিবলৈ, মাটিৰ যি সমস্যা সমাধান কৰিব লাগিব আৰু এই মাটিৰ সমস্যা সমাধান কৰিবৰ কাৰণে আমাৰ মুখ্যমন্ত্রী মহোদয়ৰ সুন্দৰ অসম এখন গঢ়াৰ সপোনৰ কথা আমি কৈ আহিছো। গতিকে ইয়াৰ কাৰণে এখন কমিটি গঠন কৰি মাটিৰ যিবিলাক আইন আছে, সেই আইনমতে চিলিং আইনৰ দ্বাৰা ১৫০ ৰ পৰা ৭৫ বিঘা কৰোতে কিমান মাটি পালে, ৭৫ ৰ পৰা ৫০ বিঘা কৰোতে কিমান মাটি পালে, চাহবাগানৰ পৰা অতিৰিক্ত কিমান মাটিৰ ওলাল, এইবিলাক হিচাপ কৰি চাব লাগিব। আৰু যিবিলাক পুৰণি আইন সেইবিলাকো দৰকাৰ হলে সংশোধণ কৰি সলনি কৰিব লাগিব। এইবিলাক সোনকালে নকৰিলে মাটি বিতৰণৰ ক্ষেত্রত ব্রাণ্টিং হোৱাৰ সম্ভাবনা আছে। মই আজি জনতা চৰকাৰক সুধিব খুজিছো যে ইয়াৰ কাৰণে আৰু কিমান দিন লাগিব? কিবা কৰা হলনে? ব্রাণ্টি কৰালৈ কিমান সময় আছে? মই এইবছৰেই কৰিব কোৱা নাই। এই বাজেটৰ পৰা অহা বাজেটলৈ প্রগতিৰ নামত আমি যিটো দেখা পাইছো সিদিনা ৰাজহ মন্ত্রীয়ে এটা ইংগিত দিছিলে মাটি কেনেকৈ বন্দবস্ত দিব। এইটো সিদ্ধান্ত হোৱাৰ পিচত কাগজতো ওলালে। সেইটো কেবিনেটত কৰিলে নে নাই, মুখ্যমন্ত্রীৰ ইয়াত সন্মতি আছিল নে নাই কোনেও কব নোৱাৰে যিয়েই নহওক পিচদিনাই এইটো সিদ্ধান্ত বন্ধ কৰিবলগীয়া হল। এই এক বছৰৰ মুৰত উম দি দি এটা কণি পাৰিছিল যদিও একে দিনতেই ঘোলা হৈ গল। আৰু বা কিমান বছৰ কণি পাৰৰ কাৰণে বৈ থাকিব লাগিব? সেইকাৰণেই মই সুধিব বিচাৰিছো যে আপোনালোকে কি কৰিলে আৰু কি কৰিব? নে যোৱা ৩০ বছৰৰ সোপাকে লৈ থাকিব? যদি আগৰ সোপাকে লৈ থাকে মোৰ কবলগীয়া নাই। মুখ্যমন্ত্রীয়ে বৰ জৰুৰ কৰি

যি কমিচন কৰি দিছিল তাৰ প্ৰগ্ৰেছ এই বছৰ যে নাই অহা বছৰলৈ যে নহব আৰু তাৰ আগৰ বছৰলৈকো ভূমি সমস্যাৰ সমাধান নহব। আপোনালোকে কেনেকৈ মাটি দিব খুজিছে আমি কব নোৱাৰো। যদি মাটি দিব নোৱাৰে তাৰ ফল কি হব। অসম গঢ়াৰ যি বুনিয়াদ সেইটো গঠন কৰা নহব। আৰু এটা কেৰচৰ সৃষ্টি হব। এইখিনি মুখ্যমন্ত্ৰীয়ে সিদিনা কোৱা কথা। যদি এইটোৱে হয় আমি এই বাজেটৰ পৰা আমি কি আশা কৰিব পাৰো।

অধ্যক্ষ মহোদয়, মোৰ দ্বিতীয় কথা হ'ল এমপ্লয়মেন্ট। মই কোৱা নাই নিবনুৱা সমস্যা জনতা চৰকাৰে একে দিনতেই সমাধান কৰিব পাৰিব। এইটো কেতিয়াও কৰিব নোৱাৰে। কিন্তু কেতিয়া কৰিব পাৰিব তাৰ এখন ছবি দাঙি ধৰিব লাগিছিল যে আমি এনেধৰণৰ ব্যৱস্থা কৰি নিযুক্তি দিব বিচাৰিছো। তেনেধৰণৰ কোনো ইংগিত বাজেটত নাই। মাত্ৰ একবছৰৰ ভিতৰত কিমান ইঞ্জিনিয়াৰ লোৱা হল আৰু কিমান ইঞ্জিনিয়াৰ লোৱা হব তাৰ এটা হিচাপ দিছে। এমপ্লয়মেন্ট একচেঞ্জে কৈছে যে আঠৈলাখ নিবনুৱা আছে, আৰু এমপ্লয়মেন্ট ৰিভিউ কমিটিয়ে কৈছে যে ১৫ লাখ নিবনুৱা আছে। আমি বাৰু ধৰি ললো ১৫ লাখ নিবনুৱাই আছে। এই ১৫ লাখ নিবনুৱাক প্ৰধানমন্ত্ৰী মোৰাৰজী দেশাই কৈছিল যে ১০ বছৰতে নিয়োগ কৰা হব। অকল চাকৰি দিয়েই নিবনুৱা সমস্যা সমাধান কৰাৰ কথা কোৱা নাই। মুখ্যমন্ত্ৰী শ্ৰীবৰবৰাইও কেনেকৈ নিবনুৱা নিযুক্তি দিব বিচাৰিছে তাৰ এটা ইংগিত তেখেতে দিছিল এইদৰে আমি প্ৰাইমাৰী শিক্ষাৰ জৰিয়তে প্ৰাইমাৰী শিক্ষক সকলক এটা বিৰাট সেনা বাহিনীত নিয়োগ কৰি গাওঁৰ ভিতৰে-বাহিৰে যিবিলাক সৰু-সুৰা উদ্যোগ গঢ়াৰ

সম্ভৱ আছে তাত কামত নিয়োগ কৰিব পৰা হব। দেশ গঠনৰ নামত এই যুৱক সকলে ভলেণ্টিয়াৰী আগবাঢ়ি অহাৰ উৎসাহ পাব আৰু তাৰদ্বাৰা নিবনুৱা সমস্যা কিছু পৰিমাণে লাঘব হব। মুখ্যমন্ত্ৰীয়ে আৰু কৈছে যে বাজেটখন ভোট অন একাউণ্টচ ব্যৱস্থাৰে উত্থাপন কৰা হ'ল যদিও পৰিকল্পনাৰ সকলো কথা অহা বছৰলৈহে কৰ পৰা সম্ভৱ হব। এইটোৱেই যদি আইডিয়া হয় তেনেহলে কেনেকৈ সমস্যা সমাধান হব। মই সুধিব বিছাৰিছো যে আমাৰ প্ৰাইমাৰী শিক্ষাৰ বাজেটৰ যিটো লক্ষণ, মাটিৰ ক্ষেত্ৰত নিয়োগ কৰি, মাটিত জৰিত কৰি অৰ্থনৈতিক বুনিয়াদ গঢ়াৰ যিটো সপোন দেখিছে সেই সপোন দেখিছে সেই সপোন বাস্তৱ ৰূপায়িত হবলৈ আৰু আমি কিমান দিন বাট চাব লাগিব।

আন এটা কথা হৈছে আমাৰ নিবনুৱা সকলক দুটা ভাগত ভাগ কৰিব পাৰি। এটা কথা হৈছে শিক্ষিত নিবনুৱা আৰু আনটো হৈছে অশিক্ষিত নিবনুৱা। যিটো কথা আমাৰ ইয়াত কোনোবা বন্ধুৱে উত্থাপন কৰিলেই কয় যে আমাৰ ওচৰলৈ যিসকল আহিব পাৰে তেওঁলোকৰ কাৰণে আমি হৈ চৈ কৰো আৰু যিসকল আহিব নোৱাৰে তেওঁলোকৰ কাৰণে কি কৰো? মই সুধিব খুজিছো যে আমাৰ শিক্ষিত সকলক চাকৰি দিয়াত আঢ়ৈ লাখ যেনিবা গ'ল। বাকীখিনিৰ কাৰণে ৫০ টকাকৈ নিবনুৱা ভাট্টা দিবলৈ গলে আমি কিমানক দিম। মাটি বিলাকত খেতি কৰিব পৰা ব্যৱস্থা কৃষি বিভাগে কৰিছে নে নাই আমি নাজানো। এইখিনি কৰিব পৰা হলেও আমি অনেকক নিয়োগ কৰিব পাৰিলোহেতেন। এনেকুৱা এটা ছবি এই বাজেটত আছেনে নাই। আমাৰ দেশত ১০ বছৰত নিবনুৱা সমস্যা সমাধান কৰিম

বুলি কৈছে। কিন্তু এইটো ১০ বছৰৰ শেষৰ ফালে একে বছৰেই কৰিব নোৱাৰে। বছৰৰ পিচত বছৰ ধৰি ক্ৰমান্নয়ে কৰি যাব লাগিব। এই তুবছৰৰ ভিতৰত কিমান নিবনুৱা সমস্যা সমাধান কৰিব পাৰিলে? এই তুবছৰৰ কথাটো মই এই কাৰণেই কৈছো যে এই বাজেটৰ শেষতহে আমি ইয়াৰ ফল দেখা পাম। আমাৰ কংগ্ৰেছে বেয়া কাম কৰিলে তাৰ ফলত এবছৰত একো নহল। কিন্তু অহা বছৰলৈ কি কৰিব বাজেটত ইয়াৰ ইংগিত আছেনে? যদি নাই এইখন বাজেটয়ে আমাক কি ইংগিত দিছে? বাজেট আৰু জমা খৰচ প্ৰাথমিক স্কুলত পঢ়া তহবিল একে বস্তু নহয়। জমা খৰচ সাধাৰণতে দোকানীও কৰিব পাৰে। বাজেট ইন্টচিপেটৰী হব লাগিব। বাজেট কৰিলে ইমান কাম পাব, এনেধৰণৰ যিবিলাক থাকিব লাগে সেইবিলাক ইয়াত নাই। মাত্ৰ এই বাজেটত তুটা ভাগ কৰি দিছে।

শ্ৰীকেশৱ গগৈ (বিত্তমন্ত্ৰী):— তুটা ভাগ নহয়, তিনিটা ভাগ।

শ্ৰীগোলোক ৰাজবংশী:— মই তিনিটা ভাগেই পাইছো আৰু লৈ আহিছো। এই তিনিটা ভাগ লগ কৰি বাজেট কৰিছে। কিন্তু আমাৰ শেষৰ ফালৰ শেষ ফল কি হব। এই বাজেটত তাৰ কোনো ইংগিত নাই। সেই কাৰণে মই কব খুজিছো যৰ পৰা আৰম্ভ কৰিছে তাতেই আছে

মোৰ তৃতীয় কথা হ'ল কুটীৰ শিল্প। মোৰ ২০ মিনিট সময় শেষ হওঁ হওঁ হৈছে। সেইকাৰণে দীঘলিয়া নকৰো। গতিকে মোৰ কথা হ'ল কুটীৰ শিল্পৰ উৎপাদন বঢ়াবলৈ চৰকাৰৰ কিবা আঁচনি আছেনে? নতুন কিবা আঁচনি লৈছেনে? এই শিল্পত কিমান নিয়োগ হব কিমান উৎপাদন হব তাৰ ফলাফল কি পাম

ইয়াৰ কিবা ইংগিত আছে নে নাই ?

মই কৈছো তেল, কৈয়লা, চাহপাত এইবিলাকৰ পৰা অংশ আনি আমাৰ ভড়াল টনকিয়াল কৰক এইটো মই নকওঁ। আজিৰ যুগত নিজৰ ৰিচচ্ বঢ়াব নোৱাৰি কুটিৰ শিল্পত যি কেইটা বস্তু লাগে সেই কেইটা আমাৰ ইয়াত আছে নে নাই চাব লাগিব। কুটিৰ শিল্প গঢ়িবলৈ যাওঁতে কেচা মাল কিমান মানুহ নিয়োগ হব ইত্যাদি কথা চাব লাগিব। আমি যদি পাৱাৰ যোগান ধৰিব নোৱাৰো, বিত্তৰ যদি যোগান ধৰিব নোৱাৰো তেতিয়াহলে সুফল আশা কৰিব নোৱাৰি। বজাৰ পাম নে নেপাম ইয়াৰ প্ৰতি লক্ষ্য কৰিব লাগিব। আজি এইবিলাক কথা সমন্বয় ঘটাব পৰা নাই। আজিৰ যুগত যদি পাৱাৰ যোগান নেথাকে তেন্তে আধুনিক দৃষ্টি ভংগীত কুটিৰ শিল্পৰ বস্তু যোগান দিব নোৱাৰিম। মূল কথা হৈছে ইলেক্ট্ৰিচিটি। এই বছৰ ১০ কোটি খৰচ কৰিব নোৱাৰি অন্যান্য বিভাগত দাইভাত কৰি পঠিয়াইছে বুলি জনাইছে। সেইটো অৱশ্যে আমি কব নোৱাৰো। যদি এইটো কৰিছে বেলেগ কথা কিন্তু কেতিয়াবা যদি ধৰো তেন্তে নিশ্চয় উত্তৰ পাম। দুখলগা কথা পাৱাৰৰ কাৰণে খৰচ কৰিব নোৱাৰি অন্য বিভাগত ঘুৰাই দিয়া কথাটো শোচনীয় কথা। কিয়নো এই পাৱাৰৰ ওপৰতেই আমাৰ ক্ষুদ্ৰ আৰু গধুৰ শিল্পৰ উন্নতি নিৰ্ভৰ কৰিছে। তেনেহলে এই বাস্তৱ ৰূপায়িত হব নোৱাৰে। গতিকে এই অংক কেইটা কৰি দেখা গল যে ইয়াৰ ফলাফল শূন্য। আকৌ কৈছে কেন্দ্ৰীয় চৰকাৰে ঋণ যেটো ৰেহাই দিছে তাত আনন্দ কৰা কোনো থল নাই। কিয়নো আজি ৫ শ টকাকৈ ঋণ লৈ আমি ৰশিং কৰি থাকো তেতিয়াহলে কিবা এটা কৰিব পাৰিলোহেতেন। কিন্তু যেতিয়া ৰেহাই দিয়া বুলি কৈছে ঠিক তেনে ক্ষেত্ৰত যেতিয়া কাৰবাৰটো শেষহৈ যাব

তেতিয়া আমাক মুকলি কৰি এৰি দিব আৰু অন্য কোনো সাহাৰ্য্য নবঢ়াব। তেতিয়া আমি টোকাৰি লৈ বহি থকা বাদে অন্য উপায় নাই। যিহেতু আমাৰ যদি ৰেভিনিউ নেথাকে তেনেক্ষেত্ৰত আনন্দ কৰিব লগীয়া একো নাই। আৰু কেন্দ্ৰীয় চৰকাৰেও সহায় কৰিবলৈ আগ নাবাঢ়িব। শেষত মই এটা কথা কৈ মোৰ বক্তব্য সামৰণি মাৰিম। জনতা চৰকাৰে ৩০ বছৰ কংগ্ৰেছ চৰকাৰ বেয়া বেয়া বুলি কৈ কিবা এটা ভাল দেখুৱাৰ বুলি ৰাট চাই আছিলে এতিয়া কি কি কৰিছে, ৩১ বছৰ কালত কি কৰিছিল। তেখেত সকলে আকৌ ৩১ বছৰৰ আগলৈকে ঘুৰি যাব। এইখিনিকে কৈ শেষ কৰিলো।

শ্ৰীনৰেন দত্ত :— মাননীয় উপাধ্যক্ষ মহোদয়, ১৯৭৯ ৮০ চনৰ যি খন বাজেট বিবৃত্তি ইয়াত ডাঙি ধৰা হৈছে ইয়াত আমি কোনো নতুনত্ব দেখিবলৈ পোৱা নাই। শ্ৰেণী বিভক্ত সমাজ এখনৰ চৰকাৰী বাজেট মূলতঃ হয় যি শ্ৰেণীৰ হাতত শাসন ব্যৱস্থাৰ বাঘজৰী থাকে সেই শ্ৰেণীৰ স্বাৰ্থৰ অনুকুলে আৰু তেওঁলোকৰ লাভৰ কাৰণে এই বাজেট-খনে যোৱা বছৰৰ বাজেটৰ নিচিনা হৈছে। অৱশ্যে যোৱা বাজেটৰ লগত এইবাৰৰ বাজেটৰ কিছু পাৰ্থক্য আছে। এই বাৰৰ বাজেটত দূৰ্ব্বলতাক কিছু দেখুৱাবলৈ চেষ্টা কৰা হৈছে কিন্তু এই বাজেটতো জনসাধাৰণক সকাহ দিবপৰা কোনো ব্যৱস্থা আমি দেখিবলৈ পোৱা নাই। আমাৰ অসমৰ ক্ষেত্ৰত য'ত শতকৰা ৯১ জন মানুহ গাৱত বাস কৰে, এই গাৱৰ সংখ্যা ২১ হাজাৰ ৯শ ৯৫ খন আৰু চহৰত বাস কৰে মাত্ৰ ৯ জন মানুহ। এইখন ৰাজ্যৰ ৰাজ্যিক আয় শতকৰা ৫৬ ভাগ আহে কৃষিৰ পৰা আৰু শ্ৰম জীবি জনসাধাৰনৰ শতকৰা ৩ ভাগৰ ২ ভাগ কৃষিত নিয়োজিত হয়। আজি এইখন দেশত আমি এই বাজেটত এটা কথা লক্ষ্য কৰিবলগীয়া হৈছে যে কৃষিৰ ওপৰত

বা ভূমি সংস্কাৰ ওপৰত যিমান গুৰুত্ব দিব লাগিছিল সেই বিষয়ে কোনো নাম গোন্ধেই নাই। কৃষিৰ মাজেদি দেশৰ বৃহত্তৰ সমাজক সকাহ দিব পৰাকৈ, অধিকাংশ লোকক নিয়োগ কৰিব পৰাকৈ আৰু কৃষি উত্‌পাদন বৃদ্ধিৰে দেশৰ অৰ্থনৈতিক উন্নয়ণ সাধন কৰাৰ কাৰণে কি ব্যৱস্থা লোৱা হৈছে? মূল বাজেটত ভূমি সংস্কাৰ সৰ্ম্পকীয় এটা শব্দও দেখিবলৈ নেপালো এইটো আটাইতকৈ দুখ লগা কথা। অৱশ্যে ৰিভিউ অৰ ডিপাৰ্টমেণ্টল একটিভিটিজত সাধাৰণ ভাবে ভূমি সংস্কাৰৰ কথা উল্লেখ কৰিছে। অসমত কৃষিৰ ওপৰত বলিষ্ঠ পদক্ষেপ লব বুলি যি ঢাকঢোল বজাইছিল। ১৯৪৮ চনতে আধিয়াৰ আইন পাচ কৰা হল, কিন্তু সেই আইন চুৰান্ত ব্যৰ্থতাত পৰ্য্যবসতি হল। আধিয়াৰক ৰক্ষা কৰাৰ দূৰৰ কথা শতকৰা ৯০।৯৫ জনক উচ্ছেদ কৰা হল। ১৯৫৬ চনত চিলিং আইন পাচ কৰিলে। এই চিলিং আইনৰ বলত মাটি গিৰি সকলে ১৫০ বিঘা মাটি ৰাখিব পাৰিব আৰু বাকী উদ্বৃত্ত মাটি ভূমি হীন খেতিয়কক ভগাই দিয়াৰ ব্যৱস্থা কৰা হব। কিন্তু এই আইন ১৯৫৬ চনত পাচ কৰাৰ ১২ বছৰৰ পিচত ১৯৬৮ চনত কাৰ্য্যকৰী কৰিবলৈ লোৱা হ'ল। এই সুদীৰ্ঘ কাল ছোৱাৰ ভিতৰত মাটি গিৰি সকলক চলে বলে কৌশলে মাটি লুকোৱাবলৈ সুন্দৰ সুযোগ দিয়া হল। আৰ ফল স্বৰুপে-যদিও কাগজে পত্ৰে নানা ধৰণৰ ফিগাৰ দি বহুতো তথ্য প্ৰচাৰ কৰা হল বাস্তৱতে মাটি নেপালে।

Mr. Speaker :— Hon'ble Mumber may contineu ofter lunch: The House stand adjourned till 2-39 P. M.

( After lunch )

শ্ৰীনৰেন দত্ত :— মাননীয় উপাধ্যক্ষ মহোদয়, ১৯৫৬ চনৰ ভূমিনীতিৰ

সুৰুঙাৰ সুযোগ গ্ৰহণ কৰি মাটিগিৰি সকলে মাটি লুকাই ৰখাৰ সুযোগ গ্ৰহণ কৰিছে। এই আইনত ক্ৰমে কিছুমান মাটিগিৰিৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে ফাক ৰখা হল যে কো-অপাৰেটিভ ফামিংৰ নামত ১ হাজাৰ বিঘা পৰ্য্যন্ত মাটি ৰখাৰ ব্যৱস্থা থাকিল। ধৰ্ম্মীয় অনুষ্ঠানৰ নামত, দাতব্য অনুষ্ঠানৰ নামত, চাহ খেতি বিশেষ ভাৱে কৰাৰ নামত আৰ বিভিন্ন নামত বিৰাট পৰিমানৰ মাটি লুকাই ৰখাৰ কাৰণে সুযোগ দিয়াৰ ব্যৱস্থা ৰখা হল। এই সুযোগ সুদীৰ্ঘ ১২ বছৰ ৰখা হল। ফলত ভুমিহীন খেতিয়ক, কৃষি শ্ৰমিকে মাটি পোৱাৰ পৰা বঞ্চিত হল। তাৰ পিচত মাননীয় মহেন্দ্ৰ মোহন চৌধুৰী যেতিয়া ৰাজহ মন্ত্ৰী আছিল তেতিয়া লেণ্ড চেটেলমেণ্ট পলিচি ৰিজলিউচন লোৱা হ'ল। এই প্ৰস্তাৱ মৰ্ম্মে ১৯৬৮ চনত ডি, চি, এচ, ডি, অ আদিক চাৰ্কুলাৰ দিয়া হল। যদি এই নিয়ম মতে ভুমিহীন লোকৰ এখন তালিকা প্ৰস্তুত কৰিব লাগে আৰু এই ভুমিহীন লোকক তিনিটা শ্ৰেণীত (ক,খ,গ) ভাগ কৰিব লাগে আৰু উদ্‌বৃত্ত মাটি ১৯৭০ চনৰ ৩১ মাৰ্চৰ ভিতৰত বিতৰণ কৰাৰ ব্যৱস্থা কৰিব লাগে। ভুমিহীনৰ লিষ্ট প্ৰস্তুত কৰা হল। মই সেইবিলাকৰ উদাহৰণ দিব নোখোজো কাৰণ সময় বৰ কম। এই তালিকা প্ৰস্তুত কৰা হল নানা কৌশল অবলম্বন কৰি কিন্তু এই নীতি কাৰ্য্যকৰী কৰা নহল। সেই সময়ত কোৱা হৈছিল যে ৯০ হাজাৰ ১৮৬ বিঘা মাটি বিতৰণ কৰিব পৰা যাব কিন্তু কিমান মাটি ভুমিহীন কৃষকে পালে তাৰ হিচাব নহল। অৱশ্যে সেইবিলাক কাগজে পত্ৰই আছিল। তাৰ পিচত ১৯৭০ চনত আকৌ এই আইন সংশোধন কৰা হল। সেইটোত চিলিংৰ সীমা ৭৫ বিঘালৈ নমাই নিয়া হল। তাৰ পিচত ১৯৭৫ চনত আকৌ সংশোধন কৰা হল। প্ৰগতিবাদী

ভূমিনীতি গ্ৰহণ কৰা হল। চিলিংৰ সীমা ৫০ বিঘা কৰা হল। কিন্তু ভূমিহীন সকলে মাটি নাপালে। নানা ষড়যন্ত্ৰ কৰি মাটি লুকাই ৰখা হল। এই 'বিপ্লৱী ভূমিনীতি' ষচনা কৰাৰ পিচত ১৯৭৫ চনৰ ১৬ জানুৱাৰী তাৰিখে অন্ধকাৰ ৰাজত্ব আৰম্ভ হল। গনতন্ত্ৰ বিশ্বাসী কংগ্ৰেছী সকলে অন্ধকাৰ ৰাজত্ব জাপি দিলে-সেইয়া হল ইমাৰজেন্সি। সেই সময়ত মাটিহীনক মাটি দিব বুলি ভেলেকী হাজী দেখুৱাই কাগজে পত্ৰই প্ৰচাৰ কৰা হল। কিন্তু মাটি হলে কোনেও নাপালে। তাৰ পিচত ভাৰতৰ ইতিহাসত পৰিবৰ্ত্তন আহিল। ভাৰতবৰ্ষৰ জনসাধাৰণে কংগ্ৰেছক গাদীচ্যুত কৰি জনতা চৰকাৰক শাসনত বহুৱালে। আমি বাৰে বাৰে মাৰ্ক্সবাদী কমিউনিষ্ট পাৰ্টিৰ ফালৰ পৰা কৈ আহিছো। আমাৰ মত আৰু পথৰ পাৰ্থক্য আছে। অৰ্থনীতিত কোনো মিল নথকা স্বত্তেও গনতান্ত্ৰিক অধিকাৰ নাগৰিক অধিকাৰ ৰক্ষাৰ কাৰণে আৰু জনসাধাৰণৰ স্বাৰ্থৰ হকে কাম কৰাৰ নীতিক আমি সমৰ্থন দিছো। দুখৰ কথা জনতা চৰকাৰ গাদীত প্ৰতিষ্ঠিত হোৱাৰ আজি এবছৰ হল। কিন্তু এবিঘা চিলিংৰ উদৱৃত্ত মাটি কোনো ভূমিহীনৰ মাজত বিতৰণ কৰা হোৱা নাই। মাটি বিতৰণ কৰাটো হোৱাই নাই, আনহাতে ৰিভিজনৰ সুযোগ দি কিছু মাটি আকৌ জমিদাৰক ফিৰাই দিয়াৰ ব্যৱস্থা কৰা হৈছে। নলবাৰী মহকুমাত তেনেকুৱা হিচাবে ৪ হাজাৰ বিঘা মাটি ঘূৰাই দিয়া হৈছে। ৩০-৩২ হাজাৰ বিঘা মাটি অধ্যাগ্ৰহণ কৰা হৈছে, জমিদাৰ সকলক ৰিভিজন কেচত ৪ হাজৰ বিঘা মাটি ঘূৰাই দিয়া হৈছে। এইটো পাৰচেণ্টেজ শুদ্ধ নহবও পাৰে।

যদি আচলতে গৰীব লোক সকলৰ ভূমি সমস্যা সমাধান নীতি প্ৰচলন কৰা হ'লহেতেন তেনেহলে চিলিংৰ যি উদত্ত মাটি পোৱা গৈছিল সেই মাটি ভূমিহীন খেতিয়কক দিয়াৰ চেষ্টা কৰিব

পাৰিলেহেতেন, কিন্তু কৰা নাই। সকলোৱে এইটো বুজি পাইছো যে জনতা চৰকাৰৰ ভূমিনীতি জনসাধাৰণৰ স্বাৰ্থৰ কাৰণে ৰচিত হোৱা নাই। আয়োগে বা কমিচন গঠন কৰাতো একো ডাঙৰ কথা নহয়। আজি ৩১ বছৰে যি ধৰণে ভূমিনীতি প্ৰচলন কৰা হৈছে আৰু কাৰ্য্যত পৰিণত কৰা হৈছে তাক হেমাহিহে দেখুৱা হৈছে। সেই হেমাহি জনতা চৰকাৰৰ দিনতো দেখুওৱা হল। জনতা চৰকাৰৰ এবছৰীয়া শাষন কালতো দেখিবলৈ পাইছো জনতা চৰকাৰৰ নীতি জনবিৰোধী নীতিতহে পৰিণত হৈছে। যদি গৰীব ভূমিহীন কৃষক সকলক মাটি আৰু কৃষি উৎপাদনৰ কাৰণে বিভিন্ন সুবিধা দিলেহেতেন তেতিয়াহলে অসমৰ অৰ্থনীতিৰ গুনগত পৰিবৰ্ত্তন হলহেতেন।

এই বিত্তীয় বিবৃতিত ভূমি সংস্কাৰ সম্পৰ্কে এষাৰো মাত মতা নাই। গতিকে এই বাজেট জনবিৰোধী বাজেট বুলি মোৰ ধাৰণা।

তাৰ পাচত মই কৃষি উৎপাদনলৈ আহো। কৃষি উৎপাদনৰ ক্ষেত্ৰত এই বিবৃতিত প্ৰায় ৪৪' কোটি টকা ধৰা হৈছে আৰু জলসিঞ্চনৰ কাৰণে প্ৰায় ২৩' কিমান কোটি টকা ধৰা হৈছে। কিন্তু ইয়াৰ মাজত কৃষি উৎপাদনৰ কি বৃদ্ধি হব বা কিধৰণে বৃদ্ধি হব তাৰ বাবে দিশ নিৰ্ণয় কৰা নাই। এই সম্পৰ্কে মই আগলৈ আহো, কৃষি উৎপাদন কৰাৰ কাৰণে কংগ্ৰেছ চৰকাৰে 'গ্ৰোমৰ ফুড আচনি গ্ৰহন কৰিলে। কিন্তু কৃষি উৎপাদন আচনি চুৰান্ত ব্যৰ্থতাত পৰিণত হল। ১৯৬৪ চনত সেউজ বিপ্লৱৰ লক্ষ্য আছিল সাৰ, বীজ, কীটনাশক ঔষধ আৰু জলসিঞ্চন ব্যৱস্থাৰ সমন্বয় সাধন কৰি কৃষি উৎপাদন বৃদ্ধি কৰা। এই

বিলাকৰ মাজেৰে দেশৰ অৰ্থনীতি মজবুত কৰা। কিন্তু এই সেউজ বিপ্লৱ হালধীয়া বিপ্লৱত পৰিণত হল। কাগজে-পত্ৰই, ৰেডিঅত যথেষ্ট কৰা হল কিন্তু সেউজ বিপ্লৱ উৎপাদন বৃদ্ধিত ব্যৰ্থ হল। যোৱা বছৰ প্ৰথম অধিবেশনত মই কৈছিলো। কৃষি নিগম এগ্ৰ ইণ্ডাষ্ট্ৰিজ কৰ্পৰেচন প্ৰতিষ্ঠা কৰা হল। ইয়াৰ লক্ষ্য আছিল, কৃষক সকলে যাতে অন্যান্য সা-সজুলি পায় আৰু তাৰ দ্বাৰা কৃষি উন্নয়ন কৰিব পৰা যায়। কিন্তু 'এগ্ৰ ইণ্ডাষ্ট্ৰীজ কৰ্পৰেচন' প্ৰতিস্থাৰ পৰা ৭৮ বছৰে প্ৰায় ৫০ লাখ টকা লোকচান হল। গতিকে কৃষি উৎপাদন বৃদ্ধিৰ কাৰণে আহিল-পাতি যোগান ধৰাৰ যি দায়িত্ব আছিল তাত চৰকাৰ ব্যৰ্থ হল। তাৰ পাচত ১৯৭২ চনত ৰবি শস্যৰ আচনি, ১০ কি ১২ কোটি টকাৰ আচনি। কৃষক সকলক উৎপাদনত সহায় কৰাৰ নামত কৃষি পাম নিগম খোলাৰ আচনি কৰিলে। ১৯৭৩-৭৪ চনত লক্ষ্য আছিল গোটেই ৰাজ্যৰ মহকুমা বিলাকত এখনকৈ কৃষিপাম খোলাহৰ আৰু তাৰ মাধ্যমেৰে ভূমিহীন কৃষকৰ ভূমি সমস্যা সমাধান কৰা হব। এই উদেশ্যে ১২ খন কৃষি-পাম খোলা হয়। এই পামৰ জৰিয়তে দুখীয়া ৰাইজক উচ্ছেদ কৰাহে হল। কিন্তু প্ৰকৃততে উত্পাদন ব্যৱস্থা শক্তিশালী কৰাৰ কাৰণে বিবেচনা কৰা হল। তাৰ পাচত ক্ষুদ্ৰ আৰু উপান্ত খেতিয়কক মাটি দিয়াৰ আচনি কৰিলে। এই আচনিও চুৰান্ত ব্যৰ্থ হল। তাৰ পিচত আনিলে বিশ্ববেংক আচনি। ১২,৫০০ টিউবওৱেলৰ জৰিয়তে ৪২ হাজাৰ হেক্টাৰৰ মাটিত জলসিঞ্চনৰ ব্যৱস্থা কৰা হব। ১৯৭৬-৭৭ চনৰ পৰা ৪ বছৰলৈ এই আঁচনি কাৰ্য্যকৰী কৰা হব। এই আঁচনিৰ জৰিয়তে বহুওৱা শতকৰা ৮০ ভাগ নলীনাদ ব্যৰ্থ হৈছে। তাৰ পিচত আহিল বেনৰ পৰিকল্পনা। ইউ,এন,অ'ৰ কৃষি সঞ্চালক বেনৰে

প্ৰস্তুত কৰা এই পৰিকল্পনা।

অধ্যক্ষ মহোদয়, এই প্লেনৰ আচনিৰ মাধ্যমত এচ, ডি, অ থাকিব। তেওঁৰ তলত থাকিব চাৰজেন্স মেষ্টাৰ স্পেচিয়েলিষ্ট। তাৰ তলত থাকিব ভিলেজ লেভেল এক্সটেনচন ওৱৰকাৰ। ৮ টা পৰিয়ালৰ গোট কৰি ১ শ পৰিয়ালেৰে ৮ টা ভাগ কৰি ভিলেজ লেভেল এক্সটেনচন ওৰ্কাৰে কিছু দিনৰ পিচত গৈ পৰামৰ্শ দিব আৰু তেখেত সকলক চাৰজেন্স মেষ্টাৰ স্পেচিয়েলিষ্টে পৰামৰ্শ দিব। এইদৰেই আগতেও কোটি কোটি টকা খৰচ কৰা হৈছে। দেশক সাম্ৰাজ্যবাদী ষড়যন্ত্ৰৰ কেন্দ্ৰ বলী কৰা হৈছে। আজি আমাৰ কৃষিৰ উৎপাদন বৃদ্ধি হোৱা নাই। কৃষিৰ উৎপাদন বৃদ্ধি কৰিবলৈ হলে সাৰ, পানী, আৰু বীজৰ ভাল ব্যৱস্থা কৰিব লাগিব। আৰু যেতিয়া খৰাঙ বতৰ হয় তেতিয়া খৰাঙৰ সময়ত পানীৰ ব্যৱস্থা কৰিব লাগিব। এই বাজেটৰ মাজেদি আমাৰ জনসাধাৰণৰ মুল সমস্যা ভূমি সমস্যা, খাদ্য সমস্যা সমাধানৰ ব্যৱস্থা নাই বৰং ইয়াৰ গতিত এটা বাধাহে দেখা যায়। যদিও এই বাজেটত ২।৪ টা ভাল কথা কোৱা হৈছে, আৰু আমাৰ অৰ্থনৈতিক সমস্যা দাঙি ধৰা হৈছে, তথাপি এই সমস্যা সমাধানৰ পথ আজি বিচৰা হোৱা নাই। গতিকে এই বাজেটক এখন জন বিৰোধী বাজেট বুলি ধাৰণা কৰি লোৱা হৈছে। এইখিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীপ্ৰমোদ গগৈ :— উপাধ্যক্ষ মহোদয়, ১৯৭৯-৮০ চনৰ বাজেট বক্তৃতাত বিত্তমন্ত্ৰী ডাঙৰীয়াই ৰাজ্য চৰকাৰৰ ব্যয় পৰিস্থিতিৰ সৰ্ম্পকে এটা ছবি আমাৰ আগত দাঙি ধৰিছে। যোৱা বছৰ যেতিয়া বিত্তমন্ত্ৰীয়ে বাজেট দাখিল কৰিছিল সেই বাজেটৰ বিতৰ্কৰ সময়ত মই কৈছিলো

যে, যদিও বাজেটত মাত্ৰ ১০ কৌটি ৬০ লাখ টকা ঘাটি হব বুলি কৈছিল কিন্তু এই কথাও উল্লেখ কৰা হৈছিল যে প্ৰকৃত ঘাটি বহুত বাঢ়িব। আৰু এইবাৰ বিত্তমন্ত্ৰী ডাঙৰীয়াই স্বীকাৰ কৰিছে যে, যোৱা বছৰৰ বাজেটৰ অন্তত যেতিয়া মাৰ্চ মাহ হব তেতিয়া ঘাটি ২৫ কৌটি ৩৯ লাখ টকা হব। এই বছৰ বাজেট যেতিয়া শেষ হব তেতিয়া ৰাজ্যখনত ঘাটি হব, নতুন সম্পদ আহৰণ ধৰি বাদ দিলে ৪৩ কৌটি ১৫ লাখ টকা। এইটো অসমৰ বিত্তীয় পৰিস্থিতি। অৱশ্যে বিত্তমন্ত্ৰী ডাঙৰীয়াই কেন্দ্ৰীয় বাজেটৰ প্ৰক্ৰিয়া বা প্ৰতিফলন অসম ৰাজ্যত কি ধৰণে হব সেই কথা হয়তো এই বাজেটত উল্লেখ কৰা নাই। কেন্দ্ৰীয় চৰকাৰৰ বাজেটত যি প্ৰক্ৰিয়া সেই প্ৰক্ৰিয়া আমাৰ ৰাজ্যখনৰ বাহিৰত থব নোৱাৰে। সেই কাৰণে মই অনুমান কৰিব পাৰো যে, অহা বছৰ ঘাটি ৪৩ কৌটিৰ পৰিবৰ্তে ই বহু পৰিমাণে বাঢ়ি যাব। যিহেতুকে ৰাজ্য চৰকাৰে যিবিলাক আঁচনি কাৰ্য্যকৰী কৰাৰ কাৰণে ব্যৱস্থা কৰিছে সেইবিলাকৰ যে, কষ্ট অবওৰ্ক সেইটো বহু পৰিমানে বাঢ়িবলৈ বাধ্য। সেইকাৰণে মই আশা কৰিছিলো যে বিত্ত মন্ত্ৰী ডাঙৰীয়াই কেন্দ্ৰীয় বাজেটত যি প্ৰতিফলন আমাৰ ৰাজ্যত হব সেইটো কথা আমাৰ বিবেচনা কৰি চাও। আৰু আমাৰ এই অৱস্থাত এহাতে আমাৰ বাজেটত ঘাটি অন্য হাতে যিখিনি টকা আমাৰ হাতত আছে সেই টকাও আমি খৰচ কৰিব নোৱাৰো। এইটো হৈছে আমাৰ প্ৰশাসনীয় ব্যৱস্থাৰ দুৰ্ব্বলতাৰ লক্ষণ। যোৱা বছৰ ৩১ মাৰ্চৰ সময়ত এহাতে আমাৰ ৰাজ্যৰ উন্নয়ন মুলক কাম কৰাৰ কাৰণে চৰকাৰৰ টকা নাছিল আৰু পিচত দেখা গল সেই বছৰ অসমৰ বিভিন্ন শিতানত টকা ঘুৰাই দিয়া হৈছে। বা খৰচ কৰিব নোৱাৰা বাবে টকা ঘুৰাই দিয়া হৈছে ২৩ কোটি ১২ লাখ

৮৩ হাজাৰ ৮০৫ টকা। ইয়াৰ ভিতৰতে কিছুমান প্লেনৰ টকা আছে। আৰু নন প্লেনৰ টকাও আছে। মই গোটেইবিলাক কৈ সময় নষ্ট কৰিব নিবিচাৰো। ইয়াৰ ভিতৰত কিছুমান বিভাগে যিবিলাক বিভাগত যথেষ্ট টকা ঘূৰাই দিব লগা হল যেনেকৈ পি, ডবলিউ, ডি, বিভাগ তেওঁলোকে নন প্লেনৰ টকা খৰচ কৰিব নোৱাৰাত ঘূৰাই দিছে ১ কোটি ৫৪ লাখ ৬২ হাজাৰ ১শ টকা আৰু প্লেনৰ টকা তেওঁলোকে ঘূৰাই দিছে ৪০ লাখ ২৬ হাজাৰ ৬৬৩ টকা। ইৰিগেচন বিভাগে প্লেনৰ টকা ঘূৰাই দিছে ১ কোটি ১০ হাজাৰ টকা আৰু নন প্লেনত ১৯ লাখ টকা। আমাৰ যিটো কৃষি বিভাগ আছে সেই বিভাগেও কাম কৰিব নোৱাৰা কাৰণে টকা ঘূৰাই দিছে ১ কোটি ৫১ লাখ ৩১ হাজাৰ ৫২০ টকা। আৰু নন প্লেনত ১৪ লাখ ২৬ হাজাৰ ৮০ টকা ঘূৰাই দিছে। সমবায় বিভাগত ঘূৰাই দিছে প্লেনত ১ কোটি ৮৫ হাজাৰ ৯৬৬ টকা আৰু নন প্লেনত ঘূৰাই দিছে ১ লাখ টকা। তেনেকৈয়ে আমাৰ জনস্বাস্থ্য বিভাগে টকা ঘূৰাই দিছে ৩ কোটি ১০ লাখ ৭০ হাজাৰ আৰু নন প্লেনত ঘূৰাই দিয়া হৈছে ১ লাখ ৩৬ হাজাৰ টকা। উপাধ্যক্ষ মহোদয়, মই আমাৰ প্ৰশাসনীয় যন্ত্ৰটো নিকা কৰাৰ আৰু দুৰ্ব্বলতাৰ কথা কবলৈ বিচাৰিছো। এহাতে টকা নাই আনহাতে টকা পালেও খৰচ কৰিব পৰা নাই। টকা ঘূৰাই দিয়া হৈছে। এইবছৰ কিমান টকা ঘূৰাই দিয়া হব সেইকথা বিত্তমন্ত্ৰী ডাঙৰীয়াই এতিয়ালৈকে দিয়া নাই। কিন্তু আমি যিমান বিলাক ধাৰণা কৰিছো এইবছৰ হয়তো ৩১ মাৰ্চত যোৱা বছৰৰ দুগুণ টকা ঘূৰাই দিব লাগিব। অথচ এই বছৰৰ ভিতৰত বহু বিলাক উন্নয়ন মুলক কামত টকা এতিয়াও খৰচ কৰিব পৰা নাই। আমাৰ যি সম্পদ আছে তাত আমাৰ ৪৩ কোটি টকা বাজেটত ঘাটি হৈছে আৰু এই ঘাটি

পূৰণ কৰিবৰ কাৰণে আৰু সম্পদ আহৰণৰ কাৰণে চৰকাৰৰ কি পৰিস্থিতি সেই কথা বাজেট বক্তৃতাত স্পষ্ট ভাবে নাই।

উপাধ্যক্ষ মহোদয়, মই কেইটামান কথাৰ প্ৰতি কেৱল বিত্ত মন্ত্ৰী ডাওৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিছো। সেইটো হৈছে ৰাজ্যচৰকাৰে পৰিচালনা কৰা কিছুমান কোম্পানী আছে। সেই কোম্পানীন এই বছৰৰ আদিত ৰিপোট অসম চৰকাৰৰ পৰি চালিত যিবিলাক কোম্পানী আছে তাৰ ভিতৰত ১৭ টা কোম্পানী আছে। এই কোম্পানী বিলাকত আমাৰ ৰাজ্য চৰকাৰ বিলাকে বহু টকা নিয়োগ কৰিছে। এতিয়া দেখা গৈছে যে, কোম্পানী বিলাকৰ যি অৱস্থা তাৰ ভিতৰত কিছুমান কোম্পনীৰ দেখা যায় যে, বহু বছৰ ধৰি কেনো একাউণ্ট চুৰান্ত কৰিব পৰা নাই। অসম এগ্ৰ ইন্দাষ্টিজ দেভলপমেণ্ট কৰ্পোৰেচন ১৯৭২-৭৩ চনৰ পৰাই পৰি-স্কাৰ ভাবে কোনো হিচাব দিয়া নাই। গতিকে যিবিলাক কোম্পানীত অসম চৰকাৰে বহুত টকা খৰছ কৰিছে বা নিয়োগ কৰিছে সেইবিলাক প্ৰকৃততে সত ব্যৱস্থাৰ হৈছে নে? গভীৰ ভাবে বিশ্লেষণ কৰা প্ৰয়োজন যিবিলাক কোম্পানীৰ পৰা যথেষ্ট সম্পদ চৰকাৰে আহৰণ কৰিব পাৰে। উপাধ্যক্ষ মহোদয়, আৰু বহুত কোম্পানী আছে সেইবিলাকৰ লিষ্ট মোৰ হাতত আছে কিন্তু নপঢ়ো য'ত অসম চৰকাৰে টকা নিয়োগ কৰিছে, নিগম বা জইণ্টষ্টক কোম্পানী ৩৪ টা আছে। এই ৩৩ টাত অসম চৰকাৰে টকা নিয়োগ কৰিছে ৩৮ কোটি ২৪ লাখ টকা। ইমান বিলাক টকা কোম্পানীৰ উদ্দেশ্যেই নিয়োগ কৰা হৈছে-১৯৭৬-৭৭ চন পৰ্য্যন্ত। এতিয়া এই কথা বিচাৰ কৰি চোৱা দৰ্কাৰ। ইমান টকা যে ৰাজকোষৰ পৰা খটুাইছে তাৰ ফলত ৰাজ্য চৰকাৰৰ লাভালাভ হৈছে নে, ৰাজ্য চৰকাৰে বিনিময় কিবা টকা ঘুৰাই পাইছে নে নাই? এই ৩৪ টা নিগম বা জইণ্ট

ষ্টক কোম্পানী য'ত অসম চৰকাৰে ৩৮ কোটি ২৪ লাখ ৩৪ হাজাৰ নিয়োগ কৰিছে তাৰ কাৰণে চৰকাৰে যথেষ্ঠ লাভ কৰিব পাৰে- চৰকাৰে এই দিশত দৃষ্টি দিয়া দৰ্কাৰ। গোটেই কথাটো পৰ্য্যালোচনা কৰিলে দেখা যাব এই গোটেই বিলাক কোম্পানীয়ে লোকচান ভৰিব লগীয়া হৈছে। এই বিলাক পৰ্য্যালোচনা নকৰাৰ ফলত চৰকাৰৰ যথেষ্ঠ টকা লোকচান হৈছে। উপাধ্যক্ষ মহোদয়, অসম চৰকাৰে অসম বিদ্যুত বোৰ্ডক যি টকা ধাৰ হিচাবে দিছিল, ১৯৭৪-৭৫ চনত ২৭ কোটি ২ লাখ আৰু সেই ধাৰ ১৯৭৭ চনত ৩১ কোটি মুঠ ৬২ কোটি ১ লক্ষ্য টকা আজিলৈ চৰকাৰে ঘূৰাই পাবলৈ টান। এই টকা কিয় ঘূৰাই পোৱা নাই? ইমান কা ৰাজ্য চৰকাৰে বোৰ্ডক দিছে কিন্তু আজিলৈ কিয় বোৰ্ডে ৰাজ্য চৰকাৰক ধন পৰিশোধ কৰিব পৰা নাই। এই কথাত চৰকাৰ চিন্তিতঃ হোৱা দৰ্কাৰ। সেই কাৰণে মই এই কথা সদনত উল্লেখ কৰিছো, ৰাজ্য চৰকাৰৰ যদি এই ধৰনে ধন হিচাব কৰা যায় তেনেহলে দেখা যাব দেৰ শ কোটি টকা এনেকৈ বিভিন্ন অনুষ্ঠানত ইনভেষ্ট কৰা হৈছে কিন্তু সেইবিলাকৰ লাভৰ অংশ পোৱা দূৰৰ কথা মূলধনো পৰিশোধ হোৱা নাই। আনহাতে যিবিলাক কৰকাটল নিৰ্দ্ধাৰন কৰিছে-অডিট ৰিপোৰ্টত ৭৬-৭৭ চনত ৰেভিনিউ ৰিচিপ্টত দেখা গৈছে আমাৰ বিভিন্ন বিভাগে উপযুক্ত নীতি নিৰ্দ্ধাৰন নকৰাৰ ফলত বহুত লক্ষ্য টকা ৰাজ্য চৰকাৰৰ লোকচান হৈ গৈছে। টেক্স লগোৱাত আমাৰ আপত্তি নাই কিন্তু এই টেক্সবিলাক অনাদায় হোৱাৰ কাৰণে চৰকাৰৰ যথেষ্ঠ লোকচান হৈছে। বৰ্ত্তমান ৰাজ্য চৰকাৰৰ যিবিলাক প্ৰচলিত আইন উপযুক্তভাবে প্ৰয়োগ নকৰাৰ ফলত ৰাজ্য চৰকাৰে সম্পদ আহৰণত অতি ডাঙৰ বাধাৰ সৃষ্টি হৈছে। ১৯৭৭ চনৰ ৩১ মাৰ্চলৈ অনাদায় কৰ ১৫ কোটি ৪ লক্ষ্য

টকা হব। টেক্স আদি সংগ্ৰহ কৰাৰ বাবে আমাৰ চৰাকাৰ কেবাটাও বিভাগ আছে আৰু এই বিভাগ বিলাকে কি কাৰনত কৰ সংগ্ৰহ কৰিব নোৱাৰে সেই কথা কোৱা টান। সেই কাৰণে বিত্তীয় অৱস্থা ভাল কৰিবলৈ যাওঁতে এই দিশৰ প্ৰতি ৰাজ্য চৰকাৰে যে দেবশ কোটি টকা ইনভেষ্ট কৰিছে সেই কথা বিবেচনা কৰি চোৱা দৰ্কাৰ। সম্পদ আহৰন কৰিবলৈ যাওঁতে ৰাজ্য চৰকাৰে ভৱা উচিত হব ১০ বিঘাৰে মাটিৰ খাজনা বেহাই দিশা দিয়া হ'ল গতিকে পৰ্য্যায়ক্ৰমে নতুন ৰাজহ নিৰ্দ্ধাৰন কৰা দৰ্কাৰ। ঠিক তেনেকৈ খাৰুৱা তেলৰ ওপৰত ৰয়েলটি, বিক্ৰীকৰ বৃদ্ধি কৰাৰ ব্যৱস্থা চৰকাৰে কৰিব লাগে। আমাৰ ৰাজ্য চৰকাৰৰ বনজ সম্পদ প্ৰত্যেক দিনেই অসমৰ বাহিৰলৈ গৈ আছে। যোৱাবাৰ বিধান সভাত আলোচনা কৰোতে চৰকাৰে কৈছিল যে অতিৰিক্ত কৰ লগোৱাৰ ব্যৱস্থা নাই। বৰ্ত্তমান যিবিলাক বন সম্পদ ৰাজ্যৰ বাহিৰলৈ গৈছে সেইবিলাকত যথেষ্ঠ পৰিমানৰ কৰ লগোৱা প্ৰয়োজন হৈছে।

ৰাজ্য বিত্তিয় অৱস্থা ভাল কৰিবলৈ হলে দ্ৰুত উদ্যোগীকৰণ কৰিব লাগিব। এই উদ্যোগীকৰণ কৰাৰ ক্ষেত্ৰত য'ত যি ভাবে সম্পদ পোৱা যায় সেইভাবে চিন্তা কৰিব লাগিব। আমাৰ ৰাজ্যত বিজুলি শক্তি আছে, জল সম্পদ আছে তাক উপযুক্তভাবে ব্যৱহাৰ কৰা দৰ্কাৰ আমাৰ দেশত তেল আছে আমি তৃতীয় তেল শোধানাগাৰ কৰাত জোৰ দিব লাগিব। উদ্যোগীকৰন প্ৰথম তাৰ লগে লগে আজি আমাৰ গাওঁ অঞ্চলত কৃষিৰ বিশেষ সংস্কাৰ কৰিব লাগিব। গাওঁ অঞ্চলৰ মাটিহীন ছুখীয়া খেতিয়কৰ সংস্থাপন আৰু কৃষিৰ বিশেষ ব্যৱস্থা লোৱা দৰ্কাৰ

উপাধ্যক্ষ মহোদয় আমি বিত্তিয় পৰিস্থিতি বিশ্বাস কৰো আনকি কেন্দ্ৰীয় চৰকাৰৰ বিত্তিয় পৰিস্থিতিও জানো। গতিকে ৰাজ্য চৰকাৰৰ বিত্তিয় পৰিস্থিতি বাজেটত দেখি আমি আচৰিত হোৱা নাই। চৰকাৰে যদি আজি অৰ্থনৈতিক ব্যৱস্থাৰ মাজত থাকে তেনেহলে কেন্দ্ৰীয় চৰকাৰে যি বাজেট তৈয়াৰ কৰিছে ৰাজ্য চৰকাৰে যি বাজেট তৈয়াৰ কৰিছে সেইবিলাকত সৰ্ব্বসাধাৰনৰ ওপৰত কৰকাটল লগাই বাজেট তৈয়াৰ-কৰিছে গতিকে দেখা যায় যিমানেই সমাজবাদৰ কথা নকওঁক কিয় চৰকাৰে সকলো ব্যৱস্থা কৰিছে পুজিপতিৰ মাজেদি। সেই কাৰনে এই সমস্যা সমাধান কৰাৰ কাৰনে এই সমস্যা নিৰ্ম্মূল কৰাৰ কাৰনে এনেকুৱা নীতি গ্ৰহণ কৰা দৰ্কাৰ যি নীতিয়ে সমাজবাদ বা চোচিয়েল অৰিণ্টেচন আনিব পাৰিব। যিবিলাক সমস্যা নিবনুৱা সমস্য, বস্তুৰ চৰাদাম এই সমস্যা বিলাক এই আচনি বিলাকৰ দ্বাৰাহে কৰিব পৰা হব। যোৱা ৩০ বছৰে কংগ্ৰেছ চৰকাৰে নোৱাৰিলে, জনতা চৰকাৰেও ২ বছৰত পৰা নাই আৰু যদি ৩০ বছৰো থাকে তেনেহলে নোৱাৰে, অৱশ্যে ৩০ বছৰ থকাটো আইট অৱ কুৱেচ্চন। এই সমস্যা বিলাক সমাধান কৰিবলৈ আমাৰ ৰাজ্যত এটা বাম পন্থী গণতন্ত্ৰৰ চৰকাৰ অবিহনে ইয়াৰ আশু সমাধান নহয়। এইখিনিকে কৈ মোৰ বক্তৃতাৰ সামৰনি মাৰিলো।

Mr. Deputy Speaker :— Now hon'ble Member Shri Golok Kakati.

শ্ৰীগোলক কাকতি :— মাননীয় উপাধ্যক্ষ মহোদয়, জনতা চৰকাৰে আজি এবছৰ পাৰ কৰি এই সদনত যি বাজেট উথাপন কৰিছে এই বাজেটৰ প্ৰতি স্বাৰ্থ্য সন্তোষ প্ৰকাশ কৰিছো আৰু যি আদৰ্শ

আগত ৰাখি আমাৰ দলৰ চৰকাৰে গাদী দখল কৰিছে সেই আদৰ্শ সম্পূৰ্ণ ভাবে এই বাজেটত আছে। পিছে এবছৰৰ পিচত তাক সম্পূৰ্ণ কৰিব পৰা নহব বুলি স্বাভাবিকতে কব পাৰি। অত্ৰাস ইয়াৰ জৰিয়তে আমি আমাৰ সেই আকাংক্ষা পূৰ্ণ কৰাৰ পথত লাহে লাহে আগৱাঢ়িছো বুলি মই দৃঢ়তাৰে কব পাৰো। মই আগতেও কৈছো যে এটা চৰকাৰ পৰিবৰ্তন হব লাগিলে স্বৰূপতে আদৰ্শৰ পৰিবৰ্তন হব লাগিব। এই আদৰ্শ কি হোৱা উচিত সেইটো নিজৰ নিজৰ দলৰ আদৰ্শৰ লগত ৰজিতা খুৱাই নিশ্চয় হব লাগে। আজি এটা দীঘলীয়া দিন আন এটা দলৰ হাতত অসমক শাসন কৰিবলৈ এৰি দিয়াৰ পিচত হঠাত জনতা দল গাদীত বহি ভাৰতৰ গৰীব জনসাধাৰণৰ লগত খোজ মিলাই, অসমৰ জনসাধাৰণৰ আশা-আকংক্ষা পূৰ্ণ কৰিব পৰাকৈ এবছৰৰ শাসন ব্যৱস্থাত পাব বুলি ভবা নাই। যোৱা ৩০ বছৰত যিথিনি দুৰ্গতি অসমৰ ৰাইজে ভুগিছে সেইথিনি নিশ্চয় এই চৰকাৰৰ দ্বাৰা উপশম হব বুলি স্বভাবতে ভাবিছো। আজি আমি বাজেটত সেইটো ইঙ্গিত আগত ৰাখি আগবাঢ়িব খুজিছো। এই ঘাটি বাজেটৰ বিৰুদ্ধে বহুলোকে আশংকা প্ৰকাশ কৰিছে। কিন্তু অসমৰ ইতিহাসত ঘাটি বাজেট এইখনেই প্ৰথম নহয়। যোৱা ৩০ টা বছৰত কংগ্ৰেছ চৰকাৰে দিল্লী আৰু অসমত এই ঘাটি বাজেট লৈ আগবাঢ়ি আছে। এই সম্পৰ্কত ইয়াকে কব খুজিছো যে অসমৰ সমস্যা সমাধান হোৱাকৈ এখন বাজেট উত্থাপন কৰিব লাগিব। সেই সকোলোবোৰ সমস্যা সমাধান কৰা ঘাটি হীন বাজেট উত্থাপন কৰিবৰ কাৰণে এটা দলৰ চৰকাৰৰ যথেষ্ট দিনৰ প্ৰয়োজন নিশ্চয় হব। মই ৰাজ্যপালৰ ভাষণ আৰু এই বাজেট বিতৰ্কত বিৰোধী পক্ষৰ লোক সকলে কৰা

সমালোচনাত কোনো আচৰিত দেখা নাই। মই নিজেও সেই সমালোচনা কামনা কৰো। যিহেতু ভাৰতবৰ্ষত এটা সংসদীয় গণতন্ত্ৰ প্ৰবৰ্ত্তিত হৈ আছে। এই সংসদীয় গণতন্ত্ৰ সফল কৰাৰ কাৰণে নিশ্চয় বিৰোধী দল লাগিব। কিন্তু এই বিৰোধী দলৰ সমালোচনা বিলাক আমি চালিজাৰি চাব লাগিব। বিৰোধী দলৰ সমালোচনা বিলাকৰ দুটা দিশ আছে। এটা হৈছে ৰাজনৈতিক দিশ আৰু আনটো জাতীয় সমস্যাৰ প্ৰতি গঠণ মূলক পৰামৰ্শ। সকলোলোকে সকলো দলে, সকলো চৰকাৰে গঠণ মূলক পৰামৰ্শ নিশ্চয় কামনা কৰিব। আমি সমস্যা বিলাক লুকুৱাই থৈ এটা সুন্দৰ ছবি ৰাইজৰ আগত দাঙি ধৰাটো নিবিচাৰো। সমস্যা বিলাক আগলৈ আনি কেনেকৈ সমাধান কৰিব পৰা যায় তাৰ আলোচনা কৰি সমাধান কৰিব বিচাৰো। যোৱা ৩০ বছৰত ভাৰত তথা অসমত যি চৰকাৰ চলিছে এই চৰকাৰৰ কি আদৰ্শ আছিল? এই প্ৰশ্নৰ ফালে চালে এটা কথা স্পষ্ট হৈ পৰে যে আৰু সকলোৱে স্বীকাৰ কৰিব লাগিব যে যোৱা ৩০ বছৰত কোনো আদৰ্শ আগত দাঙি ধৰি ৰাইজৰ মাজলৈ অহা নাছিল। জনতা দল অহাৰ লগে লগে ঘোষণা কৰিছে যে আমি এটা আদৰ্শৰে দেশ শাসন কৰিব বিচাৰো। সেই আদৰ্শ হল- যি জন মহাপুৰুষৰ আদৰ্শ শিৰোগত কৰি ভাৰতৰ জনসাধাৰণে দেশ স্বাধীন কৰিলে সেই আদৰ্শ আজি জনতা চৰকাৰে দেশ শাসনৰ ক্ষেত্ৰত গ্ৰহণ কৰিব বিচাৰিছে। মহাত্মা গান্ধীৰ আদৰ্শৰে জনতা চৰকাৰে দেশ শাসন কৰিব বিচাৰিছে। এই কথা সুস্পষ্ট যে আমাৰ আচনি নিশ্চয় গ্ৰাম্য মূখী হব। মহাত্মা গান্ধীয়ে ভাৰতৰ জনসাধাৰণৰ কল্যাণৰ কাৰণে বৃটিছ চৰকাৰক খেদিব বিচাৰিছিল। মহাত্মা গান্ধীয়ে কৈছিল আমি বগা চাহাবক খেদি কলা চাহাবক ক্ষমতাৰ গাদীত বহুৱাব খুজিছো-জাতীয় শাসন

বিছাৰিছো আৰু ভাৰতৰ অগনন নৰ-নাৰীৰ কল্যাণৰ কাৰণে গতিকে জনতা দলৰ এই আচনি নিশ্চয় গ্রাম্য মুখী হব। ইয়াত বহুলোকৰ অলপ শংকা আৰু ভয় হোৱাটো স্বাভাবিক আমাৰ এই দৃষ্টি আগত ৰাখি যি বাজেট উত্থাপন কৰিম, এই বাজেটৰ মূল বস্তু উপাৰ্জন, আয় সেই বিষয়ত কব লাগিব কেন্দ্ৰীয় চৰকাৰৰ পৰা যিহকে নিবিচাৰো তাক পাওঁ নাপাওঁ লাগিলে সেইটো গৌণ কথা। আমাৰ ৰাজ্য খনত যিখিনি প্ৰাকৃতিক সম্পদ আছে সেইখিনিৰে পূৰ্ণ ব্যৱহাৰ আজি অসমত হৈছে নে নাই? ইয়াৰ পূৰ্ণ ব্যৱহাৰ কৰিবৰ কাৰণে চেষ্টা কৰিছে নে নাই এই প্ৰশ্ন প্ৰথমতে হব। মই যদি কওঁ যে অসমত একো নাই, তেনেহলে সেইটো ভুল হব। ভাৰতৰ বিভিন্ন ৰাজ্যৰ তুলনাত অসম প্ৰাকৃতিক সম্পদত নিশ্চয় চহকী। অসমৰ প্ৰাকৃতিক সম্পদ সমূহৰ যদি পূৰ্ণ ব্যৱহাৰ যোৱা ত্ৰিশ বছৰে হলেহেতেন তেনেহলে অসমখন আজিৰ দৰে গৰীব হৈ নাথাকিলেহেতেন। অসমৰ গাৱেঁ-ভূঞেঁ থকা বঞ্চিত নিৰন্নুৱা লোক সকলে অন্ধকাৰৰ মাজেদি আহি হাহাকাৰ কৰি থাকিব নালাগিলেহেতেন। অসমৰ মাটিত খাৰুৱা তেল আছে, চাহ শিল্প আছে, নদী-নলা আছে, জান-জুৰি আছে, বনজ সম্পদ আছে। ইমান প্ৰাকৃতিক সম্পদত চহকী অসম আজি ভিক্ষাৰীত পৰিণত হৈছে। যোৱা ত্ৰিশ বছৰে অসমৰ এম, এল, এ সকলে, মন্ত্ৰী সকলে, অসমৰ মহকুমা পৰিষদৰ সদস্য সকলে, পৌৰ নিগমৰ বিষয়া সকলে হাৰিয়ানা পঞ্জাবলৈ গৈছে আৰু পঞ্জাব হাৰিয়ানাৰ ছবি দেখি সন্তোষ প্ৰকাশ কৰি আৰাম কৰিলে। কিন্তু অসমখন গঢ়ি তুলিবৰ কাৰণে আঁচনি লোৱা দেখা পোৱা নাই। তেওঁলোকৰ বিলাস ভ্ৰমণৰ বাবে অসমৰ ৰাজহৰ পৰা কোটি কোটি টকা ব্যয় হল। মই নিশ্চয় আশা ৰাখিম জনতা চৰকাৰে সেই বিলাক

বিলাস নকৰে। জনতা চৰকাৰে অভিজ্ঞতাৰ মাজেদি অসমৰ সম্পদ গঢ়ি তুলিবৰ কাৰণে চেষ্টা কৰিব। মই কম দিনৰ ভিতৰত অসম বিধান সভালৈ আহি বিভিন্ন সমস্যা বিলাকৰ যোগেসি চাই দেখিছো যে যোৱা বছৰ বিলাকত আমাৰ এই বনজ সম্পদ লণ্ঠিত হৈ গ'ল। বনজ সম্পদেৰে অসমৰ ৰাজহ টনকীয়াল কৰিবলৈ চেষ্টা নকৰি যোৱা বছৰ বিলাকত ক্ষমতাৰ গাদীত থকা লোক সকলে ব্যক্তিগত স্বাৰ্থ পূৰণৰ কাৰণে, তেওঁলোকে নিৰ্ব্বাচনত টকা পইচা পোৱাৰ আশাৰে ডাঙৰ ডাঙৰ ঠিকাদাৰ সকলক বেনামি ভাবে কাঠৰ পাৰ্মিট দিয়া হল। আমি দেখিবলৈ পাইছো যে নদী-নলা, মীন মহলৰ যি বন্দবস্তি দিয়া হল সেই বন্দবস্তিৰ পৰা ৰাজহ টনকীয়াল নহল।

তেওঁলোকৰ স্বাৰ্থ সিদ্ধিৰ কাৰণে তেওঁলোকৰ মন বুজা মানুহক মহলত দিয়ে আৰু ইয়াৰ পৰা পাব লগা পইচা তেওঁলোকৰ পৰা দৰ্খাস্ত লৈ ৰেহায় দিয়া হয়। দিব লগা পইচাৰ পৰা যদিও তেওঁলোকে হাত সাৰি গল আনহাতে অসমৰ ৰাজহ হেৰাই গল। অৰ্থাত আমাৰ যিমানবোৰ কৃষি উতপাদন আৰু আয়কৰ আমি পাওঁ, চেলটেক্স পাওঁ সেই বিভাগবোৰত আমাৰ প্ৰশাসনীয় দূৰ্নীতি আছে, এই দুৰ্নীতিৰ লগত অসমৰ প্ৰশাসনিক দূৰ্নীতি কৰি পাবলগীয়া পইচা নাপায় সেয়েহে অসমখন দিনে দিনে গৰীৱ হৈ আহিছে। আমি দেখা পাইছোঁ জনতা চৰকাৰে বলীষ্ঠ ভাবে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত তেওঁলোকৰ দাবী উত্থাপন কৰিছে আৰু আমাৰ প্ৰাকৃতিক সম্পদৰ পৰা পাব লগা পইচা থিনি পোৱা কাৰণে চেষ্টা কৰিছে।

উপাধ্যক্ষ মহোদয়, অসমৰ শিল্প কাৰখানা অসমত

নপতাৰ কাৰণে বহুখিনি পাব লগা কৰৰ পৰা অসম বঞ্চিত হৈছে। জনতা চৰকাৰ পৰা আৰম্ভ কৰি আমাৰ মন্ত্ৰী সকলে সেই কাৰ্য্যালয় বিলাক অসমৰ জনসাধাৰণৰ দাবীৰ প্ৰতি লক্ষ্য ৰাখি আৰু নিজেও বিৰোধী দলত থাকোঁতে কৰা দাবীৰ প্ৰতি মন দি অসমলৈ আনিবলৈ চেষ্টা কৰিছে আৰু যদি সফল হয় তেন্তে পুঁজি টনকীয়াল কৰাৰ ক্ষেত্ৰত আমি নিশ্চয় আগবাঢ়ি যাব পাৰিম।

অসম এখন গৰীৱ দেশ। ইয়াৰ গৰীৱ জনসাধাৰণৰ মাটিৰ সমস্যা আছে, ইয়াৰ লগতে সচঁ, সাৰ বিভিন্ন বৈজ্ঞানিক প্ৰণালীৰ সা-সজুলি দি কৃষি কাৰ্য্যৰ জৰিয়তে অসমৰ আৰ্থিক অৱস্থা টনকিয়াল কৰিবৰ কাৰণে চেষ্টা কৰিব লাগে। কৃষক সকলৰ সমস্যাৰ কথা মনলৈ আহিলে এটাই কথাই মনত আছে, সেইটো হৈছে মাটি সমস্যা। এইটো আজি চিৰকলীয়া ৰোগত পৰিণত হৈছে। কিছুমান মানুহক মাটি দেখুৱাই দিয়া হল আৰু মাটি চফা কৰিবৰ কাৰণে দিব লগা আৰ্থিক সাহায্য নিদিলে, অসমৰ প্ৰকৃত থলুৱা সকল এই সাহায্যৰ পৰা বঞ্চিত হৈ থাকিল। মাটিৰ অধিকাৰী পাতিম বুলি মণ্ডল, কানঙ্গু, এচ, ডি, চি আদি পঠোৱা হল, গাৱেঁ গাৱেঁ থকা কংগ্ৰেছ নেতা সকলক পঠোৱা হল, বিভিন্ন সময়ত পিয়ল কৰা হল মাটি পট্টন দিম বুলি। কিন্তু দুৰ্ভাগ্যৰ বিষয় যোৱা ৩০ বছৰে গৰীৱ খেতিয়ক সকলে এটুকুৰা মাটি পাবৰ কাৰণে হাহাকাৰ কৰি আছে। জনতা চৰকাৰে এইলোক সকলক মাটিৰ পট্টা দিয়াৰ কাৰণে খৰতকীয়া ব্যৱস্থা গ্ৰহণ কৰিছে। এই বিষয়ত ভূমিসংস্কাৰ কমিচনৰ লগত বজিতা হোৱা নাই বুলি যি অভিযোগ উঠিছে মই সেইটো ভিত্তিহীন বুলি কৈছোঁ। অসমৰ মাটিত চিৰকাল বহি থকা

খেতিয়ক সকলে এডোখৰ মাটিৰ পট্টন পাবৰ বাবে মণ্ডল, কাননগু এচ, ডি, চি আৰু গাৱেঁ গাৱেঁ থকা নেতা সকলৰ ওচৰলৈ যি দুৰ্ভোগ ভুগি আহিছে তাৰ পৰা উদ্ধাৰ হোৱাৰ কাৰণে আৰু মাটি পোৱাৰ কাৰণে খৰতকীয়া ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

উপাধ্যক্ষ মহোদয়, আমাৰ অসমখনক চহকী কৰিবলৈ হলে বৃহত শিল্প পাতি চহকী কৰিব নোৱাৰে। মই বৰ সুখী হৈছো যে আমাৰ এই বাজেটত কুটীৰ শিল্পৰ কাৰণে বহুতো টকা এইবাৰ ধাৰ্য্য কৰা হৈছে, তাৰ জড়িয়তে গাৱেঁ গাৱেঁ সৰু সুৰা শিল্প কাৰখানা নিশ্চয় গঢ়ি উঠিব। বৰ্ত্তমান আমাৰ যি কেইটা বৃহত শিল্প আছে সেই কেইটাৰ জড়িয়তে অসমৰ নিবনুৱা সমস্যা সমাধানৰ এটা আশা কৰিছিলো, কিন্তু বৰ দুখেৰে কব লগা হৈছে যে এই ক্ষেত্ৰত আমি এটা হতাশাৰ চিন দেখিছোঁ। আমাৰ যি চেনি কল, মৰাপাটৰ কল বা বিভিন্ন শিল্প বা কৰপৰেশ্যন আছে এই সকলো বিলাকতে আমি সদায় লোকচান ভৰি অহা দেখিছোঁ। এই বিলাকত যিবিলাক দুৰ্নীতি আছে সেইবিলাক আতঁৰ কৰিবৰ কাৰণে যদি বলিষ্ঠ পদক্ষেপ ললেহেতেন তেন্তে আজি এই অবস্থা নহলহেতেন। ভৱিষ্যতে আশা ৰাখিছোঁ এই ধংসৰ পৰা (ধংস বুলিয়েই কৈছোঁ) আমাক ৰক্ষা কৰিব লাগিব। অসমখনত চাৰিওফালে যেন জুই লাগি গল অসমৰ জনসাধাৰণে এটা নতুন সৃষ্টি কৰিব বিচাৰিছে। এই সৃষ্টিৰ প্ৰতি চকু ৰাখি চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব আৰু সৰু সুৰা শিল্প কাৰখানা গঢ়ি তুলি নিবনুৱা সমস্যা সমাধান কৰিব।

উপাধ্যক্ষ মহোদয়, ইয়াত এটা মূল প্ৰশ্ন মই উৎথাপন কৰিব বিচাৰিছো। কোন খিনি মানুহৰ ভোট লৈ আজি আমি

এম এলএ, হৈছো এই কথা আজি আমি পাহৰি গৈছো। যি সকলে এমুঠি ভাত খাবলৈ পোৱা নাই-টেঙা পানী বতিয়াইছে, চিকিৎসাব অভাৱত মৃত্যু বৰণ কৰিছে সেই সকল মানুহৰ কথা নাভাবি যি সকলে পাচ'শ পাইছে সেই সকলে কেনেকৈ আঠশ পাব আৰু যি এহেজাৰ পাইছে তেওঁ কেনেকৈ দুহেজাৰ পাব তাৰ চিন্তা কৰিছো আৰু সেই সকলৰ থকা-মেলা, খোৱা বোৱা আদি ব্যৱস্থাৰ কাৰাণ আৱাজ দি আহিছো তেওঁলোকৰ কাৰণে আঠুলৈ সকলো কৰাৰ: সিদ্ধান্ত গ্ৰহণ কৰিছো। গাৱে গাৱে থকা বস্ত্ৰহীন গৃহহীন, চিকিৎসা নোপাৱা খাবলৈ নোপোৱা, অনাহাৰে থকা জনসাধাৰণৰ কাৰণে কি কৰা হল? সিদিনা এটা প্ৰস্তাৱ আহিছিল যে সি কলে জনসাধাৰণৰ নিয়োগ বিনিময় কেন্দ্ৰত নাম ভৰ্ত্তি কৰিছে সেই সকলক ৫০ টকাকৈ বোনাচ দিব লাগে। মই কব খুজিছো এই ধৰণৰ সস্তীয়া ৰাজনীতিয়ে দেশৰ সমস্যা সমাধান নকৰে। মই জনতা চৰকাৰক নিবেদন কৰিছো যাতে পৰিয়াল হিচাবে এই নিবনুৱাৰ হিচাপ নিৰ্ণয় কৰক। আৰু সেই পৰিয়ালক কি দিয়া হব তাৰ ব্যৱস্থা কৰক। এই ভাবেহে লাহে লাহে দেশৰ সমস্যা সমধান হব। এই ক্ষেত্ৰত আজি দেশত আচলতে প্ৰয়োজনীয় মানুহ কোন চাম? এইটো মূল প্ৰশ্ন হৈ থাকিল।

সকলো শ্ৰেণীৰ মানুহে আজি দেশৰ কাৰণে প্ৰয়োজন। খেতিয়ক সকলে যদি খেতি নকৰে আজি জীয়াই থাকিব নোৱাৰে। সেইকাৰণে মূল প্ৰশ্ন হৈছে আজি জনতা চৰকাৰে সিদ্ধান্তও কৰিছে দেশৰ খেতিয়ক সকলো দেশৰ কাৰণে প্ৰয়োজন হৈছে। সেইকাৰণে আমি খেতিয়ক সকলক যিখিনি দিবলগীয়া হয় সেইখিনি দিবলৈ আমি আগবাঢ়ি আহিছো। আমি বুঢ়া বুঢ়া খেতিয়ক সকলক তেখেতসকল বুঢ়া হলে যেতিয়া খেতি কৰিব নোৱাৰা হয়, উতপাদনৰ

কোনো ৰাস্তা নাথাকে তেওঁলোকৰ ভৰণ-পোষণৰ কাৰণে কোনো ব্যৱস্থা নাথাকে তাৰ কাৰণে জনতা চৰকাৰে তেওঁলোকৰ দায়িত্ব বহন কৰিব বিচাৰিছে। আমাৰ দেশৰ উন্নয়ণৰ কাৰণে, ভূমি উন্নয়ণৰ কাৰণে ব্যৱস্থা বাজেটত দিয়া হৈছে। ইয়াৰ আগতে আৰু এটা ঘোষণা হৈছিল যে আমাৰ নিবনুৱা সমস্যা কলমৰ চাকৰৰ সমাধান কৰিব নোৱাৰি। আমি শ্ৰমৰ মৰ্য্যদা বঢ়াব লাগিব। এতিয়া যি বোড্ আমি আৰু Land army বিচাৰিছোঁ তাৰ দ্বাৰাও যথেষ্ঠ সংখ্যক নিবনুৱা সমস্যা সমাধান হব বুলি আশ কৰিছে। আমাৰ জনতা চৰকাৰে এটা ডাঙৰ আচনি গ্ৰহন কৰিছে তাৰ জৰিয়তে আমি নোপোৱা মানুহ খিনি ষে পাব বুলি আশা কৰিছো এই বাজেটৰ জৰিয়তে বিভিন্ন যি ব্যৱস্থা সেই ব্যৱস্থাৰে বাকীবিলাক সমস্যাও সমাধান কৰিব পাৰিম বুলি আশা ৰাখি সামৰণি মাৰিলো।

শ্ৰীবৈকুণ্ঠ দাস ঃ— মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ বিত্ত মন্ত্ৰী ডাঙৰীয়াই যি বাজেটৰ খচৰা প্ৰস্তুত কৰিছে এই সন্দৰ্ভত মই দুই চাৰি আষাৰ কথা কবলৈ ওলাইছো। মই পোন প্ৰথমে এটা কথা লক্ষ্য কৰিছো যে এইবছৰ যি বাজেট উথাপন কৰিছে এইখন ঘাটি বাজেট অৱশ্যে ঘাটি বাজেটেই হওক বা চাৰপ্লাচ বাজেটেই হওক, মই ডাঙৰ কথা বুলি নাভাবো। যদিহে ঘাটি পুৰণ কৰিবৰ কাৰণে আমাৰ দেশত যি বিভিন্ন সম্পদ আছে সেই সম্পদ আহোৰণ কৰিব পৰা শক্তি থাকে। আমাৰ ৰাইজৰ বিভিন্ন উন্নয়ণমূলক কাম কৰিবলৈ যাওতে আমাৰ যিখিনি ঘাটি পৰে আৰু আমাৰ ৰাজ্যৰ ভিতৰত যি সম্পদ সেইখিনি আহৰণ কৰি যদি পুৰণ কৰিব পৰা যায় তেতিয়াহলে আমাৰ ৰাইজৰ কাম হব আৰু ঘাটিও পুৰণ হব। এই সম্পৰ্কে আমাৰ আগৰ

কেবাজনো সদস্য দিহা পৰামৰ্শ দিছে, এই বিষয় মই আৰু পুনৰ নকওঁ। আজি অসম দেশৰ যিবিলাক সম্পদ অন্যান্য ৰাজ্যই অবাধে লুণ্ঠন কৰি নিছে এইবিলাক কথাৰ মাত মাতিলে আমাৰ নিশ্চয় সকলোৱে অবগত হব। এইবিলাকৰ ভিতৰত মই এটা ডাঙৰ সমস্যাৰ কথা উল্লেখ কৰিব খুজিছো সেইটো হৈছে আমাৰ নিবনুৱা সমস্যা। এই নিবনুৱাৰ ভিতৰত কিছুমান শিক্ষিত নিবনুৱা, কিছুমান অশিক্ষিত নিবনুৱা আৰু কিছুমান কৃষি নিবনুৱা আৰু কিছুমান শিক্ষিতো নহয় আৰু কৃষিৰ ব্যৱস্থাও নাই। এই নিবনুৱা সমস্যা সমাধান কৰাৰ ক্ষেত্ৰত আজি চৰকাৰে বহুতো কৰিব লগা আছে। এই প্ৰসঙ্গতে মই এটা কথা উল্লেখ কৰিব বিচাৰিছো ১৯৭৪ চনত যেতিয়া আমি হাইদৰাবাদত এন, আই, চি, ডি, ৰ ট্ৰেইনিং লবলৈ গৈছিলো তেতিয়া আমাৰ অন্যান্য কথাৰ লগত এটা কথা কৈছিল যে যদি কেতিয়াবা কোনো অঞ্চলত কিবা শিল্প গঢ়ি তুলিব খোজে, বৃহত শিল্পই হওক বা ক্ষুদ্ৰ শিল্পই হওক, বা কুটীৰ শিল্পই হওক তাৰ আগতেই তাৰ স্থানীয় বাসিন্দা সকলক প্ৰশিক্ষণ দি লোৱা হয় নে নহয়? আৱশ্যকীয় অৰ্হতা তেওঁলোকৰ আছে নে নাই? যদি তাকে নকৰি আগতেই শিল্প প্ৰতিষ্ঠা কৰা হয় তেতিয়া হলে মানুহ খিনিৰ প্ৰশিক্ষণ আৰু অৰ্হতাৰ অভাৱত নিবনুৱা সমস্যা সমাধান হওক চাৰি নিবনুৱাৰ সমস্যাৰ বৃদ্ধিতহে সহায় কৰে। উদাহৰণ স্বৰূপে মই কব বিচাৰিছো যে বাৰাওনীত যেতিয়া তেল শোধনাগাৰ হ'ল তেতিয়া সেই ঠাইৰ মানুহখিনি অৰ্হতা বা প্ৰশিক্ষণৰ অভাৱৰ কাৰণে চাকৰি-বাকৰি নাপাই নিজৰ মাটি ভেটি বিক্ৰী কৰি সৰু সৰু ব্যৱসায়, মাটি কটা, আদি কাম কৰাৰ উপৰিও আনকি বেয়া ব্যৱসায়তো লিপ্ত হব লগা হ'ল।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী):— বেয়া বেয়া ব্যৱসায়ত লিপ্ত হোৱা শব্দটো উঠাই ললে ভাল হয়।

শ্ৰীবৈকুণ্ঠ দাস:— মই উঠাই লৈছো। আমাৰ নিবনুৱা সমস্যা সমাধান কৰাটো জনতা চৰকাৰৰ পবিত্ৰ নীতি। আৰু এইটো কাৰ্য্যকৰী কৰিবলৈ যাওঁতে আমাৰ দেশত কি কি উদ্যোগ প্ৰতিষ্ঠা হব পাৰে কি বৃহৎ উদ্যোগ প্ৰতিষ্ঠা হব পাৰে, কি ক্ষুদ্ৰ উদ্যোগ প্ৰতিষ্ঠা হব পাৰে বা কি কুটীৰ শিল্প প্ৰতিষ্ঠা কৰিব পৰা যায় সেইটো চাব লাগিব। কুটীৰ শিল্পৰ ক্ষেত্ৰত মই কব বিচাৰিছো যে আমাৰ অসমৰ চুকে কোনে বহুবিলাক মহিলা কমিটি হৈছে। সেই সকলে চৰকাৰৰ সাহাৰ্য্য পাওক বা নাপাওকেই তেওঁলোকে কাণি-কাপোৰ তৈয়াৰ কৰিছে। তেওঁলোকে যিবিলাক কাণি-কাপোৰ তৈয়াৰ কৰিছে সেইবিলাকৰ বজাৰ নোহোৱাৰ কাৰণে দাম নাইকিয়া হৈছে। গতিকে যি শিল্পই আমাৰ ইয়াত প্ৰতিষ্ঠা নকৰক তাৰ আগতে প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিব লাগিব। তেতিয়াহে আমাৰ যুৱক যুৱতীক সেইবিলাক প্ৰতিষ্ঠানত ডিজাইন দি কাপোৰ বোৱা হয় তেতিয়াহে বজাৰ পাব আমাৰ অসমত এড়ি, মুগা আৰু পাট, এই তিনি বিধৰ যথেষ্ট স্থল আছে। এড়ি অসমত আজি কালি পুহিবলৈ এৰি দিয়া দেখা গৈছে। যিবিলাক অনুষ্ঠানে বা আমাৰ ট্ৰাইবেল মানুহে বড়ো, ৰাভা, আদি বহুতেই এড়ি-গছ, ভুনী গছৰ খেতি কৰিছিল আৰু তাৰ পৰা যথেষ্ট আয় হৈছিল। এই মানুহ বিলাক লাহে লাহে মাটিভেটি নাইকিয়া হৈ যোৱাৰ পিচত এই ব্যৱসায় লাহে লাহে মানুহে এৰি পেলাইছে। তাৰোপৰি যিবিলাক শিক্ষিত ছোৱালী সেইবিলাকেও এইবিলাক কাম ভাল বুলি ভবা নাই। মই অভিজ্ঞতাৰ পৰা কৈছো যে আমাক জাৰ্মা-নায়ে আমাৰ এটা অনুষ্ঠানক "নাম গ্ৰাম লোক সেৱা" সংঘ।

সাধাৰণ ভাবে ৫ লাখ ৬০ হাজাৰ টকা দিব বুলি কৈছিল আৰু তাক খণ্ড খণ্ড কৰি দি আছে।

তাত আমি শিপিনী সকলক এণ্ডি তৈয়াৰ কৰিবলৈ দিছো। বিভিন্ন মহিলা সমিতিৰ লগত এণ্ডি তৈয়াৰ কৰা সম্পৰ্কে আমি আলোচনাও কৰিছিলো। দলং ঘাট আদি কিছুমান মহিলা সমিতিৰ লগত সংযোগ কৰি এণ্ডি কিনাৰ কথাও আলোচনা কৰি চাইছিলো। কাৰণ নকল এণ্ডি হলে দাম পোৱা নাযায় আৰু আমাৰ গ্ৰাম লোক সংঘৰ দুৰ্নাম হোৱাৰ ভয় আছে। এড়ি মুগা পাট আৰু এণ্ডিৰ ডিমাণ্ড অকল অসমতে নহয় ভাৰতবৰ্ষৰ সকলো ঠাইতে আছে আৰু বিদেশতো ইয়াৰ ডিমাণ্ড আছে। কিন্তু আচলতে তাৰ কাৰণে কিছু ধনৰ প্ৰয়োজন হয়। দিল্লীৰ গান্ধী পিচ ফাউণ্ডেশ্যনৰ পৰা কমলা দেৱী নে কি নামৰ এগৰাকী মহিলা কৰ্মী আহিছিল আৰু আমাৰ ইয়াত বহুত ঠাইত ঘুৰি পকি তেনেকুৱা আঁচনি হাতত ললে ইকনমিকেলি ভায়' বেল হয় নে নহয় সেই কথাও চাইছিল। কিন্তু তেওঁলোকৰ পৰা এক কোটি টকাৰ কমত আঁচনি দিব নোৱাৰে। কিন্তু আমি কাৰ্য্যকৰী কৰিব পাৰিম নে নোৱাৰিম সেই কথা চাই কিছুমান কথাত হতাশ হৈছো। কিয়নো বেছি ভাগ ক্ষেত্ৰত টকা ধাৰ ললেও কৃষকক উপযুক্ত সময়ত পানীযোগান আদি ধৰিব নোৱাৰাৰ কাৰণে, অথবা বীজ আদি ঠিক সময়ত যোগান নধৰাৰ কাৰণে সেই আঁচনি বিলাক কাৰ্যকৰী কৰিব পৰা নহয়। তেতিয়াহলে খেতিয়কক দিয়া ঋণ পৰিশোধ কৰিবলৈও তেওঁলোকে অপাৰগ হয়। আমি ভাবিছিলো নিবনুৱা সমস্যা ইয়াৰ দ্বাৰা কিছু নহয় কিছু সমাধান হব। দ্বিতীয় কথা হ'ল আমাৰ প্লেইনচ ট্ৰাইবেল ডেভলাপমেণ্টৰ কাৰণে আগৰ চৰকাৰেও যথেষ্ট ব্যৱস্থা লৈছিল। আৰু তাৰ কাৰণে আগৰ চৰকাৰ ধন্যবাদৰ পাত্ৰ। ১৯৭৬ চনৰ

পৰা চাব প্লেন আমাৰ দেশত প্ৰযোজ্য কৰা হৈছে আৰু কেন্দ্ৰীয় চৰকাৰৰ পৰা ষ্টেট চাব প্লেনৰ টকা আছে। এই বছৰত মুঠ চাব প্লেনত তেৰ কোটি পচিশ লাখ টকা ৰাজ্যও কেন্দ্ৰীয় চৰকাৰৰ পৰা পাম বুলি আশা কৰিছো। কিন্তু কথা হ'ল এই টকা খিনি পোৱাৰ পিচত ঠিকমতে ব্যৱহাৰ হয় নে নহয় সেইটোহে আচল কথা। বেছিৰ ভাগতেই খৰচ কৰাৰ অভাৱত চাব প্লেনৰ টকা ঘুৰাই দিব লগীয়া হয়। ভৈয়ামৰ জনজাতীয় লোকৰ কাৰণে টকা খিনি খৰচ কৰিব নোৱাৰাৰ ফলত আঁচনি সমূহ ফলৱতী নহয়গৈ। ইয়াৰোপৰি আন এটা কথা হ'ল এই চাব প্লেনৰ টকা বেছি ভাগ অৰ্থাৎ এটা লায়নচ্ চেয়াৰ এষ্টাব্লিচ্মেণ্টৰ কাৰণে খৰচ হৈ যায়। আচলতে কিন্তু এই এষ্টাব্লিচ্মেণ্টৰ খৰচটো ষ্টেট গভৰ্ণমেণ্টৰ বিষয়াই কৰিব লাগে। চাব প্লেনৰ কাৰণে পোৱা ধন সেই কামত খৰচ কৰিব নালাগে তৃতীয়তে যিবোৰ টকা দিয়া হৈছে সেইখিনি কি কি আঁচনিৰ কাৰণে দিয়া হৈছে সেই বিলাকৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো। এইখিনিতে এইটো কথা উপস্থিত হয় যে এই চাব প্লেনৰ টকাও বিভিন্ন বিভাগৰ লগত সম্পৰ্ক ৰাখি খৰচ কৰিব লগীয়া হয় তাৰ ফলত বিভিন্ন বিভাগৰ লগত সংযোগ সাধন কৰাৰ ক্ষেত্ৰত বহুত অযথা পলম আদিও নোহোৱা নহয়। তেনে ক্ষেত্ৰত দিগদাৰী হয়। এজন মানুহক পাচটা কুকুৰা দিয়া হৈছে তাৰ ভিতৰত হয়তো তিনিটাই বেমাৰী। তিনিটাই মৰি যাব আৰু বাকী দুটা খাই পেলাব। হাঁহ দিলে বা গাহৰি দিলেও তাৰ দাম বজাৰ দৰতকৈ বহুত বেছি পৰি যায়। যি ধৰণৰ সঁচ দিয়াৰ কথা থাকে ঠিক সেইমতে দিয়া নহয়। তিনিটা গাহৰিৰ দামেই পৰি যায় প্ৰত্যেকটোত সাতশ বা ন শ টকা। বজাৰত কিন্তু সিমান দাম নহয়। এইটো কথা ঠিক যে

জনসাধাৰণৰ উন্নতিৰ কাৰণে যিখিনি টকা দিয়া হৈছে সেইখিনি ঠিক মতে ব্যৱহাৰ হোৱা নাই। উদাহৰণ স্বৰূপে যদি এটা পৰিয়ালক এখন মুৰগীৰ ফাৰ্ম্ম দিয়া হয় তেন্তে মিনিমাম ডাই এবল আচনি হিচাবে একশ মুৰ্গী দিব লাগে তেতিয়াহে এটা পৰিয়ালৰ জীৱিকাৰ পথ ওলাব।

( ভইচ ঃ বৰ্ত্তমান লোৱা আঁচনিত বহুত ঠাই সামৰি লোৱা হব.)

এই ক্ষেত্ৰত ৰাজস্থানত যি আন্তদয়া আঁচনি লৈছে সেই আহ্নত ট্ৰাইবেল আইডেন্‌টিফাইড এৰিয়া বিলাকত প্ৰথমতে কাম আৰম্ভ কৰিব লাগে। সেই বিলাক আকৌ ৰাজস্থানত গাওঁসভাৰ দ্বাৰা চিলেক্ট কৰি লোৱা হয়। অৰ্থনৈতিক ভাৱে কেনেকৈ এই বিলাক ফলৱতী কৰিব পৰা হয় তাৰ কাৰণে এটা চাৰ্ভে কৰি লোৱা ভাল। যিহেতু বেছি ভাগ লোকেই দুখীয়া গতিকে তেওঁ-বিলাকৰ উপাৰ্জনৰ কথা চিন্তা কৰিব লাগিব। স্থানীয় ভাৱে অৰ্থনৈতিক সমস্যা সমাধান কৰাৰ পথ সুচল হলেহে আঁচলতে কাম কৰিব পৰা হব। এনে ধৰণে চিন্তা তৰি আঁচনি নললে আৰু নতুন নতুন সমস্যা উদ্ভৱ হোৱাৰ আশংকাই দেখা দিব।

উপাধ্যক্ষ মহোদয়, মই বেছি সময় নলওঁ। শিক্ষাৰ ক্ষেত্ৰত অলপ কথা কবলৈ ইচ্ছা কৰিছো। শিক্ষা বিভাগটো এটা প্ৰশান্ত মহাসাগৰৰ নিচিনা বিষয় হৈ পৰিছে। অকল সাধাৰণ শিক্ষাই নহয়, টেক্‌নিকেল মেডিকেল, ইঞ্জিনিয়াৰীং আদি সকলো লগ লাগি এক প্ৰশান্ত মহাসাগৰৰ দৰে হৈ পৰিছে ১৯৪৭ চনত ভাৰত স্বাধীন হোৱাৰ সময়ত যিমান সংখ্যক স্কুল কলেজ আদি শিক্ষানুষ্ঠান আছিল আজি ১৯৭৭ চনত তাতকৈ বহুগুণে বেছি হৈছে। ১৯৪৭ চনত নিৰানব্বৈ লাখ টকাৰ ঠাইত এতিয়া পয়ষষ্টি কোটি ছয়-

ত্ৰিশ লাখ টকা খৰচ কৰিবলৈ ওলোৱা হৈছে।

( সময়ৰ সংকেত )

ইয়াৰ গুৰুত্বতা সহজেই অনুমেয়। মই আৰু অলপ কৈয়েই সামৰিম। যি স্কুল কলেজ বা শিক্ষানুষ্ঠানৰ চাৰিবেৰৰ মাজত ভৱিষ্যত লৰাছোৱালী সকলৰ ভৱিষ্যত গঢ় দিয়া হয় সেই শিক্ষানুষ্ঠান বিলাকৰ পৰিচালনা কৰা শিক্ষা বিভাগটো অতি গোলমাল আৰু বেমেজালি দেখা গৈছে। কিছুমান স্বাৰ্থ জড়িত কথাৰ কাৰণেই এই গোলমাল আৰু বেমেজালিৰ সৃষ্টি হৈছে। দৰকাৰী স্কুলতো উপযুক্ত সংখ্যক শিক্ষক নাই অথচ অদৰকাৰী স্কুলতো বহু পৰিমাণে শিক্ষক কাম কৰি আছে। এপইনৃটিং অথৰিটি কোন একো ধৰিব পৰা নাযায়। কোনো কোনো ঠাইত ডি আইয়ে এপইণ্টমেণ্ট দিয়ে, ইন্সপেক্টৰেও এপইণ্টমেণ্ট দিয়ে আৰু হয়তো ডি-পি-আইয়েও এপইণ্টমেণ্ট দিয়ে। এতিয়া কোন জনৰ এপইণ্টমেণ্ট দিয়া শিক্ষকে কাম কৰিব সেই লৈ গোলমালৰ সৃষ্টি হয়। এই ধৰণে চাৰিবেৰৰ মাজত শিক্ষা বিভাগত একেবাৰে উচ্চ পৰ্য্যায়ত কিছুমান খেলি মেলি সৃষ্টি হৈ আছে। কেতিয়াবা ডি, আইয়ে আকৌ কেতিয়াবা ইনস্পেক্টৰে আৰু কেতিয়াবা ডি, পি, আইয়ে নিযুক্তি দিয়ে। কোনে কত কি আছে তাৰ একো উহাহ দিহা পোৱা নাযায়। অকল সেয়ে নহয়, শিক্ষক সকলক বদলি কৰা ক্ষেত্ৰটো এনেধৰণৰ কিছুমান খেলিমেলি চলি থকা দেখিবলৈ পোৱা যায়। ২য় এটা কথা মই কবলৈ বিচাৰিছো যে স্কুল বৰ্ড বিলাক কি উদ্দেশ্যত পাতিছে একো বুজি পোৱা নাই। কিয়নো এই বৰ্ডবিলাকক যি ক্ষমতা দিয়া হৈছে তেওঁলোকে একো কৰিব পৰা নাই বা কৰিবলৈ সুবিধা নাই। কেৱল বৰ্ডৰ মিটিঙত গৈ

আমি চাহ তামোল পান খাই অহা বাদে একো দেখা নাই। যি সকলে বেচিক ট্রেনিঙ পাচ কৰি আহিছে তেওঁলোকক স্কুল বৰ্ডে অনুমোদন কৰি দিব লাগে। তাৰ পিচত দি, আইয়ে লাহে লাহে নিযুক্ত দিব। এই ক্ষেত্ৰত মই কবলৈ বিচাৰিছো যি সকল ভাগ্যবান মন্ত্ৰীৰ ওচৰলৈ আহিব পাৰে, দি আই, ডি, পি, আই ওচৰলৈ যাব পাৰে তেওঁলোকেই ট্রেনিংৰ সুবিধা পালে। আৰু যিসকলে নোৱাৰে আৰু একো মাতিব নোৱাৰে তেওঁলোকৰ অৱস্থা কি হব। উদাহৰণ স্বৰূপে নলবাৰী মহকুমাত তেনেকুৱা ৮৮ জন বেচিক ট্রেনিং পাচ আছে। কিন্তু আনহাতে যিবিলাক পিছ পৰা অঞ্চলৰ সমষ্টি সেই বিলাক সমষ্টিত বেচিক ট্রেনিং পাছ কৰা ব্যক্তি নাই আনকি চুতিত কাম কৰা ব্যক্তিও নাই। উদাহৰণ স্বৰূপে মোৰ বৰমা সমষ্টিত ১ জন, চাপাগুৰি সমষ্টিত ১ জন, আৰু তামুলপুৰ সমষ্টিত ২ জন। অইন বিলাকে গৈ আমাৰ সমষ্টিত চাকৰি কৰিব আৰু আমাৰ সমষ্টিৰ লৰা-ছোৱালী বিলাকে চাই থাকিব সি কেতিয়াও হব নোৱাৰে।

বড়ো মাধ্যম সম্পৰ্কেও মই কিছু কথা কব খুজিছলো কিন্তু সময়ৰ অভাৱত এই খিনিতে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলোঁ।

**শ্ৰীমোজাম্মিল আলি চৌধুৰী** :— মাননীয় উপাধ্যক্ষ মহোদয়, ১৯৭৯-৮০ চনৰ যিখন বাজেট ইয়াত উত্থাপন কৰা হৈছে তাত মই সন্তুষ্ট প্ৰকাশ কৰি দুটামান কথা কব বিচাৰিছোঁ। যোৱা বছৰ জনতা চৰকাৰে যিখন বাজেট উত্থাপন কৰিছিল সেইখন আগৰ চৰকাৰে অবৈধ সন্তান বুলি আখ্যাত কৰিছিল। আৰু এই বছৰ যিখন বাজেট উত্থাপন কৰা হৈছে এই বাজেট খন অলপ আগতে মাননীয়

বিধায়ক শ্ৰীদত্তই কৈছে যে এই বাজেট খন সমৰ্থন কৰিব নোৱাৰিলে যদিও এই বাজেট খনত যিবিলাক ভাল কাম হৈছে আৰু যিবিলাক ক্ৰুতি-বিচ্ছুতি হৈছে সেই কথা চৰকাৰে স্বীকাৰ কৰিছে। গতিকে এই ক্ষেত্ৰত আগৰ যি বাজেট আৰু আমাৰ জনতা চৰকাৰৰ যি বাজেট এই দুয়ো বাজেটৰ পাৰ্থক্য বুজা যায়। শাসনত থাকি কাম কৰিলে ভুল হোৱাটো অনিবাৰ্য্য সেইটো জনতা চৰকাৰে স্বীকাৰ কৰিছে কিন্তু আগৰ চৰকাৰে সেইটো স্বীকাৰ নকৰিছিল। এইক্ষেত্ৰতেই জনতা আৰু আগৰ চৰকাৰৰ পাৰ্থক্য। উপাধ্যক্ষ মহোদয়, অসম তথা ভাৰতবৰ্ষ এখন কৃষি প্ৰধান দেশ গতিকেই এই দেশৰ কিবা উন্নতি সাধিবলৈ হলে প্ৰথমতে আমি কি কি কথা আৰু তথ্যৰ ওপৰত নজৰ দিব লাগিব সেই বিষয়ে বিশেষ মন দিব লাগিব। এই বাজেটত কৃষকৰ বিষয়ে বহুলাই যিমান খিনি কব লাগিছিল সেইখিনি কোৱা হোৱা নাই। আজি আমাৰ ৰাজ্যখনৰ উদ্যোগিক আৰু আন আন দিশত উন্নতি সাধিবলৈ প্ৰথমতেই আমি কৃষিৰ ওপৰত জোৰ দিব লাগিব। পাঞ্জাবত কৃষিৰ ওপৰত জোৰ দিয়াৰ কাৰণেই আজি পাঞ্জাব স্বয়ং নিৰ্ভৰশীল হব পাৰিছে। অকল সেয়েই নহয় পাঞ্জাবে আজি উদ্যোগৰ ওপৰত যথেষ্ট জোৰ দিছে। আজি ভাৰতবৰ্ষৰ সকলো ৰাজ্যতকৈ পাঞ্জাবৰ জনমুৰি আয় আটাইতকৈ বেচি, দুখৰ বিষয় অসমৰ জনমুৰি আয় সকলোতকৈ কম আনকি ভাৰতবৰ্ষৰ জনমুৰি আয়তকৈয়ো কম। অসমৰ জনমুৰি বছৰি আয় ৭০৯১ টকা আৰু ভাৰতবৰ্ষৰ জনমূৰি আয় বছৰি ৯০৩৫ টকা। গতিকেই আজি যদি আমি অসমৰ উন্নতি সাধিব বিচাৰো তেতিয়াহলে পাঞ্জাবৰ নিচিনাকৈ আমি কৃষিৰ ওপৰত অধিক জোৰ দিব লাগিব তেতিয়াহে আমি জনমূৰি আয় পাঞ্জাবৰ নিচিনাকৈ বৃদ্ধি কৰিব পাৰিম আৰু

লগে লগে কৃষিৰ পিচত আমি পাঞ্জাবৰ নিচিনাকৈ উদ্যোগৰ ওপৰতো জোৰ দিব পাৰিম। আজি কৃষিৰ ওপৰত বেচ কৰি পাঞ্জাবৰ অৰ্থনীতি গঢ়ি উঠিছিল গতিকে আমিও তেনে কৰিব পাৰিব লাগিছিল। কিন্তু দুখৰ বিষয় অসমত কৃষিৰ ওপৰত কোনো গুৰুত্ব দিয়া হোৱা নাই। আজি নিবনুৱা সমস্যাৰ কথা উল্লেখ কৰা হৈছে আৰু নিবনুৱা সমস্যা সমাধান কৰিবলৈ কোনো ব্যৱস্থা এই বাজেটত দেখুৱা হোৱা নাই, এই নিবনুৱা সমস্যা সমাধান কৰাৰ আজি কোনো উপায় নোহোৱা হৈছে। আমাৰ আজি ১০ লাখ শিক্ষিত আৰু অশিক্ষিত নিবনুৱা আছে। আন-হাতেদি আমাৰ আজি বস্তু-বাহানীৰ দাম দিনক দিনে বাঢ়ি গৈছে আৰু সেই দামৰ হেঁচা প্ৰত্যক্ষ ভাবে সকলোৱে ওপৰত পৰিছে কিন্তু কৃষক সকলৰ ওপৰত বেচিকৈ ইয়াৰ প্ৰভাৱ পৰিছে। আজি শিক্ষক সকলৰ মৰগীয়া বানচ বৃদ্ধি কৰা হৈছে এই বিষয়ে বাজেটত বিবৃতি উল্লেখ কৰা হৈছে আৰু সেই মৰগীয়া বানচ দিয়াৰ কাৰণে ৭'৫৫ কোটি টকাৰ হেঁচা বাজেটত পৰিব।

আজি আমাৰ দেশত শিক্ষিত আৰু অশিক্ষিত ১০ লাখ নিবনুৱা আছে। আজি বয়-বস্তুৰ দাম বাঢ়িছে আৰু সেই দামৰ পৰিপ্ৰেক্ষিতত চৰকাৰী কৰ্ম্মচাৰী তথা শিক্ষক সকলৰ মৰগীয়া বানচ বৃদ্ধি কৰা হৈছে তাৰ আলোচনা বাজেটত আছে আৰু সেই মৰগীয়া বানচৰ ৭'৫৫ কোটি টকাৰ হেঁচা এই বাজেটত পৰিব। সেই অতিৰিক্ত বানচৰ কাৰণে বয়-বস্তুৰ দাম বাঢ়িব আৰু আমাৰ গাৱঁৰ শতকৰা ৯৫ ভাগ কৃষকৰ ওপৰতো এই হেঁচা নপৰিবনে? ৩১ বছৰে আগৰ চৰকাৰে যিটো কৰিব নোৱাৰিলে এবছৰৰ ভিতৰতে আমাৰ চৰকাৰে এনে কোনো যাদু মন্ত্ৰ নাই যে অসম তথা গোটেই ভাৰতবৰ্ষ খনৰ পৰিবৰ্ত্তন আনিব

পাৰিব। এই কথাটো মই কব বিচৰা নাই। কিন্তু মই কব খুজিছোঁ যদি আমাৰ চৰকাৰে এই ক্ষেত্ৰত দৃঢ় আঁচনি লোৱা হেঁতেন আমি সন্তোষ পালোহেঁতেন। আজি যি ১০ লাখ নিবনুৱাৰ হিচাব দাঙি ধৰা হৈছে এই বিলাক গাৱঁৰ নিবনুৱা। চহৰৰ শিক্ষক সকলে আহি দিশপুৰত অনশন ধৰ্ম্মঘট কৰাৰ ভয়ত ভেওঁলোকক মৰগীয়া বানচ দিবলৈ চৰকাৰ প্ৰস্তুত হৈছে গাৱঁৰ নিবনুৱা সকলে চৰকাৰৰ বিৰোধে মাত মাতিব নোৱাৰে। ফলত ৭'৫৫ কোটি টকাৰ হেঁচা বাজেটত পেলাই লোৱা হৈছে এই শিক্ষক আৰু চৰকাৰী কৰ্ম্মচাৰী সকলৰ কাৰণেই। গতিকে মই আশা কৰো ভবিষ্যতে যিটো বাজেট হ'ব, মাননীয় বিধায়ক দত্তই সঁচা কথা কৈছে যে আগৰ চৰকাৰে খুলা খুলিকৈ কোৱা নাছিল আমাৰ বৰ্ত্তমান চৰকাৰে নিজৰ চৰকাৰক খুলা খুলিকৈ কব পাৰিছে আৰু মই এই ক্ষেত্ৰত উপদেশ দিছোঁ যাতে সকলো সমস্যাৰ কথা খোলা খুলিকৈ কোৱা হয়। নিবনুৱা সমস্যাটো এটা জ্বলন্ত সমস্যা। ইয়াক সমাধান কৰিবলৈ এটা পৰিপক্ক আঁচনি লোৱা দৰকাৰ। নহলে ভাৰতবৰ্ষ তথা অসমত ভবিষ্যতে বিপদৰ সন্মুখীন হ'ব।

সমবায়ৰ ক্ষেত্ৰত আমি দুই চাৰিষাৰ কথা কব খুজিছোঁ। সমবায়ৰ বিষয়ে বাজেট বক্তৃতাত এটা কথা উল্লেখ আছে। এইখন দেশত সমবায়ৰ দ্বাৰা সমাজবাদ প্ৰতিস্থা কৰা হ'ব। এই সমাজ-বাদ আজি নহয় বহুদিনৰ আগৰ পৰা ঘোষণা কৰি অহা হৈছে। আব্দুল কালাম আজ্বাদে এই সমাজবাদী সমাজ গঢ়াৰ কথা প্ৰথমে আবাদি কংগ্ৰেছত কৈছিল। কিন্তু আজি ৩১ বছৰে আগৰ চৰকাৰে সমাজবাদৰ লীলা আমাক দেখুৱাই আহিছে। আজি আকৌ সমাজবাদৰ কথা শুনাইছে কিন্তু সমাজবাদ কৰিবলৈ

যি আঁচনিৰ কথা বাজেটত আছে সেই আঁচনি সম্পূৰ্ণৰূপে পৰিস্কাৰ হোৱা নাই। আজি ভাৰতবৰ্ষ নহয় পৃথিবীৰ বিভিন্ন দেশত সমাজবাদ প্ৰতিষ্ঠা হৈছে আৰু যি দেশত সমাজবাদ প্ৰতিষ্ঠা হোৱা নাই সেই দেশত সমবায়ো গঢ়ি উঠা নাই। অসমৰ দৰে দুখীয়া দেশ এখনক সমাজবাদৰ পথত উন্নত কৰিবলৈ হলে সমবায়ৰ বিনে অন্য গতি নাই। কিন্তু এই সমবায় চলাবলৈ হলে গাৱঁৰ গৰীব কৃষক সকল তথা মজদুৰ সকলে বৰ আমাক এই সমবায় নেলাগে। আমাৰ দেশত যি সমাজবাদ প্ৰতিষ্ঠা কৰিবলৈ আঁচনি কৰা হৈছিল সেইবোৰ প্ৰকৃততে কৰিবলৈ চেষ্টা কৰা নাই।

উপাধ্যক্ষ মহোদয়, মই এটা উদাহৰণ দিব বিচাৰিছোঁ। ইউৰোপৰ সৰু এখন দেশ চুইজাৰলেণ্ড। তাত তিনিটা জাতি বাস কৰে, চুইচ, ফ্ৰান্স আৰু জাৰ্ম্মান। বৰফে আবৃত্ত এখন পৰ্ব্বতৰ ওপৰত অৱস্থিত এখন সৰু ৰাষ্ট্ৰ। ইয়াত খেতি কৰিবৰ কাৰণে কোনো মাটি নাই। কিন্তু সেই দেশৰ মানুহে একমাত্ৰ এটা ব্যৱসায় কৰে ঘড়ী, চুইচ মেড্ ঘড়ী। এই ঘড়ী তৈয়াৰ কৰে সমবায়ৰ জৰিয়তে। গাৱঁৰ প্ৰত্যেক ঘৰতে সেই ঘড়ীৰ কিবা নহয় কিবা এটা অংশ তৈয়াৰ কৰে। কোনোবাই হয়তো কাটা ডাল, কোনোবাই হয়তো ডায়েল, কোনোৱে চাবি আদি তৈয়াৰ কৰে আৰু সেই ঘড়ী তেওঁলোকে সমবায়ৰ জৰিয়তে বিক্ৰী কৰে আৰু গাৱঁৰ প্ৰত্যেক পৰিয়ালৰে সমবায়ত অংশ আছে। বছৰৰ পিছত ঘড়ী বিক্ৰী কৰি উপযুক্ত মূল্য তেওঁলোকে পায়। ৰাষ্ট্ৰখনৰ প্ৰত্যেকজন মানুহেই ধনী, আমাৰ দৰে দুখীয়া নহয়। তেওঁলোকৰ কোনো অভাৱ নাই। আমাৰ দেশৰ দৰে কোনো খনিজ সম্পদ সেই দেশত নাই। আমাৰ দেশৰ দৰে

কৃষিযোগ্য ভূমিও নাই। অথচ সেইখন ৰাষ্ট্ৰই অকল সমবায়ৰ জৰিয়তেই ইমান উন্নতি কৰিব পাৰিছে। কিন্তু আমাৰ ৰাজ্যৰ ভিতৰত কি হৈছে চাওক। মোৰ সমষ্টিত সমবায়ৰ এজন মেনেজ্বাৰ আছে। তেওঁ আগতে এজন ড্ৰাইভাৰ আছিল মাত্ৰ আঢ়ৈশ দৰমহা পোৱা চাকৰি কৰিছিল। মেনেজ্বাৰ হোৱাৰ এবছৰৰ পিছতে মাটি কিনিলে ঘৰ বান্ধিলে তুখন মটৰ গাড়ীও কিনিলে। (ভইচ:- ক'ৰ মানুহ, নাম কি ?) মানুহজনৰ ঘৰ ডবকাত। কিন্তু নাম নকওঁ, কলে হয়তো আন পক্ষই কব তেওঁ এজন বিশেষ ৰাজনৈতিক দলৰ লোক।

Mr. Deputy Speaker :- Order, order. I find the hon'ble member is not understanding whom to address. I am not allowing this. Please try to conelude.

শ্ৰীমোজ্জামিল আলি চৌধুৰী :— গতিকেই আজি আমাৰ সমবায়ৰ হ'ল এই অৱস্থা। মই আশা কৰো যে আমাৰ দেশত, আমাৰ ৰাজ্যত যদি প্ৰকৃত পক্ষে সমাজবাদী সমাজ গঠন কৰিব লাগে তেনেহলে এইখন দেশত সমবায়ৰ যিটো আন্দোলন সেই আন্দোলন প্ৰকৃততে এটা সমাজবাদী আন্দোলন হিচাবে ইয়াত গঢ়ি তুলিব লাগিব। আমাৰ দেশত ডেনমাৰ্কৰ আহিত সমবায় আন্দোলন গঢ়ি তুলিব পাৰিলে অসমৰ দৰে তুখীয়া দেশ এখন উন্নতিৰ পথত আগবাঢ়ি যাব পাৰিব আৰু নিশ্চয় এখন সমাজবাদী দেশ হ'ব পাৰিব। আমাৰ বিত্তীয় মন্ত্ৰীয়ে এটা ভাল কথা বাজেটত উল্লেখ কৰিছে। সেই ভাল কথাটো হৈছে চাহৰ কথা। চাহৰ পৰা হেনো কেন্দ্ৰই শতকৰা ৮৬ পাৰ্চেণ্ট টেক্স পায়, ভাৰে ১৪ ভাগহে বোধ হয় অসমে পায়।

( At this stage Mr. Speaker took the Chair and Mr. Deputy Speaker vacated it. )

কাৰ চাহ, কোনে টেক্স পাইছে, কিমান দিনৰ পৰা পাই আহিছে আৰু অসমে মাত্ৰ পায় বোধ হয় শতকৰা ১৪ ভাগ। তেলৰ ৰয়েলটিৰ ক্ষেত্ৰত আৰবৰ যেতিয়া তেল আনিব তেতিয়া তেওঁলোকক যিমতে বিচাৰে সেইমতে তেলৰ ৰয়েলটি দিব। কিন্তু আমাৰ ৰাজ্য ভাৰতৰে এটা অংশ, এই অংশটোৱে মূল অংশটোৰ পৰা ৰয়েলিটিৰ ক্ষেত্ৰত বঞ্চিত হবলগীয়া হৈছে। এইটো বৰ দুখৰ কথা। আৰু ইয়াৰ কাৰণেই আজি জাতীয় আন্দোলনৰ সৃষ্টি হৈছে। এইটো আমিয়েই সৃষ্টি কৰিছো। আমাৰ চাহ, আমাৰ দেশৰ তেলৰ কাৰণে আমি দাবী কৰিব পাৰো। সেইটো বোল্ড ষ্টেপ কিয় লোৱা হোৱা নাই? গতিকে আজি এই দাবীৰ প্ৰয়োজন হৈছে। আমাৰ ৪৭ কোটিৰো বেছি ঘাটি বাজেট আজি কিয় দাঙি ধৰিব লগা হৈছে? ধনী ৰাজ্যত ঘাটি বাজেট হোৱাটো লাজৰ কথা নহয়। কিয়নো বাজেট ঘাটি হলেও উন্নয়ণমূলক কামৰ কাৰণে খৰচ কৰা হয়। কিন্তু দুখীয়া এখন দেশত যদি ঘাটি বাজেট হয় আৰু সেই ঘাটি যদি দুখীয়াদেশৰ দুখীয়া ৰাইজৰ টেক্সৰ পৰা আদায় কৰা হয় তেন্তে ই বৰ মাৰাত্মক কথা। কাৰণ এই টেক্স ৰাইজেই দিব লাগিব। ইনডাইৰেক্ট টেক্সৰ বোজাও দুখীয়া ৰাইজৰ ওপৰত পৰিব। কালি চিগাৰেটৰ দাম ১০ পইচাকৈ বাঢ়িল। আমাৰ কৃষক সকলেও পথাৰত বিড়ি নখালে কাম কৰিব নোৱাৰে। এই বিড়িৰ ওপৰতো টেক্স বঢ়াই দিয়া হৈছে। গতিকে ইনডাইৰেক্ট টেক্সও বাঢ়ি যাব। গতিকে দুখীয়াদেশত ঘাটি বাজেট হোৱাটো মাৰাত্মক কথা।

আমেৰিকাৰ দৰে ধনী দেশত বাজেট ঘাটি হলে বেয়া কথা নহয়। কাৰণ তেওঁলোকে উন্নত ধৰণেৰে জীৱন যাপন কৰে। কৃষক সকলে খেতি কৰি থাকোতেও ৰাৰলেচত কয়-লান্স ৰেডি। বহুতো খেতিয়কে বোলে হেলিকেপ্তাৰেৰে অহা যোৱা কৰে। সেইখন দেশৰ কৃষকৰ ওপৰত হাজাৰ হাজাৰ টকাৰ টেক্স লগালেও দুখৰ কথা নহয়। কিন্তু আমাৰ এই ৰাজ্যত ঘাটি বাজেট যদি টেক্সৰ পৰা পুৰাব লগা হয় তেতিয়াহলে ই বৰ মাৰাত্মক কথা। গতিকে মই চৰকাৰক এইখিনিতে উপদেশ দিছো আমাৰ ৰাজ্যত যিবিলাক সম্পদ আছে, আমাৰ ৰাজ্যত যি চাহ বাগিছা আছে, আমাৰ ৰাজ্যত যি তেল সম্পদ আছে আৰু আমাৰ ৰাজ্যত যি অন্যান্য খনিজ সম্পদ আছে এইবিলাকৰ যি নাযা প্ৰাপ্য কেন্দ্ৰীয় চৰকাৰৰ পৰা পাওঁ সেইটো আদায় কৰি আমাৰ বাজেটৰ ঘাটি পূৰণ কৰাৰ কাৰণে চেষ্টা কৰা দৰকাৰ। এইখিনিকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীরামেন্দ্র, দে :— মিষ্টার স্পীকার স্যার, জনতা সরকার ১৯৭৯-৮০ সনের জন্য যে বাজেট এই সদনে উৎথাপন করেছেন তাকে আমি অবৈধ বলিছি না তবে এই বাজেটে জনসাধারনের, সাধারণ মানুষের, খেটে থাওয়া মানুষের, সরকারী কর্মচারী এবং শ্রমিকদের কোন ছায়া পড়েনি। মন্ত্রী মহোদয় বলেছেন আসামের অর্থনৈতিক দিকে লক্ষ্য রেখে এই বাজেট করা হয়েছে। অনারেবল ফাইনেন্স মিনিষ্টার তার ভাষনে বলেছেন "A Substantial part of earnings of such seasonal migrants which are saved are available for being ploughed back in to the economy and are remitted outside the State." জানিনা এই অর্থনৈতিক চিন্তাধারা কোন দেশ থেকে এই বাজেট

তৈরী করার জন্য আমদানী করা হয়েছে। একটি রাজ্যের পয়সা যদি অন্য রাজ্যে চলে যায় এবং তার ফলেই যে এই রকম একটা অর্থনৈতিক অবস্থার সৃষ্টি হতে পারে—এই যুক্তির সঙ্গে আমি একমত নই। তাক বলছি—নতুন অর্থনৈতিক চিন্তাধারা এই বাজেটে আমদানী করা হয়েছে।

মিষ্টার স্পীকার স্যার, মন্ত্রী মহোদয় তার ভাষনের প্রথমেই বলেছেন যে প্রশাসন ব্যবস্থা জনসাধারনের নিয়ারার করার জন্য যত্ন নেওয়া হয়েছে। কিন্তু জনসাধারনের কাছে এই বাজেট বর্ত্তৃতার কোন সত্যতা নেই। কারন আমরা জানি এডমিনিষ্ট্রেশন দশপুরেই বসে আছে। রাজধানী থেকেই প্রকৃত প্রশাসন চলছে। সেটা নিয়ারার হয় নাই।

স্যার, এটা একটা ঘাটতি বাজেট। আমার আগে এক-জন মাননীয় সদস্য বলেছেন যে ঘাটতি বাজেট স্বাভাবিক। বুর্জুয়া এবং সামন্ততান্ত্রিক চিন্তা ধারায় যে সব দেশ চলে সেখানে এই ঘাটতি বাজেট স্বাভাবিক। কিন্তু আমাদের দেশে এই ঘাটতি বাজেট কোন ভাবেই স্বাভাবিক নয়। মন্ত্রী মহোদয় এই ঘাটতি পুরনের জন্য কি ব্যবস্থা নিবেন তার কোন উল্লেখ এখানে করেন নি। কয়েকদিন আগে কেন্দ্রীয় সরকার যে বাজেট পেশ করেছেন সেখানেও ডইরেক্ট ট্যাক্স বেশী। এর একটা প্রভাব আমাদের এই আসাম রাজ্যেও পড়বে। ঘাটতি বাজেট গরীব জনসাধারনের কোন আশা আকাংখা পূরন করেনা। তাই আমি বলতে চাই যে এই বাজেট সাধারণ গরীব মানুষের স্বার্থে উৎথাপন করা হয়নি।

মিষ্টার স্পীকার স্যার, বেকার সমস্যা সমাধান করার

ব্যাপাৰে মন্ত্রী মহোদয় কোন স্পষ্ট কথা এখানে উল্লেখ করেন নি। দেখা যায় যে আমাদের রাজ্যে ১৯৭৭ পর্যন্ত বেকারের সংখ্যা ছিল ২ লক্ষ ৪৪ হাজার। ১৯৭৮ ইং'র অক্টোবর মাসে এইসংখ্যা বেড়ে গিয়ে দাড়িয়েছে ২ লাক্ষ ৮৫ হাজার। প্রত্যেক বছরে আমাদের রাজ্যে আড়াই হাজার করে শুধু শিক্ষিত বেকারদের সংখ্যাই বেড়েছে। সঙ্গে সঙ্গে গ্রামে ভূমিহীন খেত মজুরের সংখ্যাও বেড়েছে। এই বেকার সমস্যা সমাধানের কোন প্রতিশ্রুতি বা এমন কোন চিন্তাধারা এই বাজেটে আমরা দেখতে পাচ্ছি না। আমাদের একজন বয়স্ক বিধায়ক বলেছেন যে এই বেকারদের নিয়ে, কর্মচারীদের নিয়ে সব সময় একটা সস্তা রাজনীতি চলছে। আজ আমাদের রাজ্যের বেকারদের দিক, কর্মচারীদের অভাব অনটনের দিকে আমাদের নজর নিশ্চয় দিতে হবে। এটা কোন সস্তা রাজনীতি নয়। এই সদনে যখন এম এল এদের বেতন বাড়ানোর প্রস্তাব এসেছিল তখন আমরা সেই প্রস্তাবের বিরোধীতা করেছি। আমি জানতে চাই এটা কোন ধরনের রাজনীতি? সুতারাং বেকারদের নায্য দাবীর জন্য, নিরাপত্তার জন্য কথা বলা যদি সস্তা রাজনীতি হয় তবে আমি বলবো এটা পাশ কাটিয়ে যাবার একটা অপচেষ্টা মাত্র। মাননীয় সদস্যদের সঙ্গে আমাদের চিন্তা ধারা নাও মিলতে পারে। কারন প্রত্যেকরই নিজস্ব চিন্তা ধার আছে এবং নিজস্ব বক্তব্য রখার অধিকার আছে। কেন্দ্রীয় সরকার কৃষির উন্নতির নামে কৃষকদের ইরিগেশন ফেসিলিটি, সার এবং অন্যান্য প্রয়োজনীয় জিনিষ সস্তায় দেবার প্রস্তাব করেছেন। জানিনা,—এতে শুধু গরীব কৃষকরাই উপকৃত হবেন কিনা? আমার মনে হয় গরীব কৃষকদের চেয়ে ধনী জমিদার শ্রেণীরই এতে সুবিধা হবে বেশী। কেন্দ্রীয় সরকারের নিকট এদের মধ্যে

এর কোন তফাৎ নাই।

স্যার, আমাদের রাজ্য তথা দেশ কৃষির উপর নিভর-শীল। আসামের প্রায় ৯০ জন লোক গ্রামে বাস করে। তার-মধ্যে শতকরা ৮৫ জনই কৃষির উপর নির্ভরশীল। এই কৃষকদের তথা কৃষির উন্নতি করতে হলে তাদের জমিতে জল সেচের ব্যবস্থা করে দিতে হবে। আজকে এটা লক্ষ্যনীয় বিষয় যে আসা-মের শতকরা ৮০ ভাগ জমিই রয়েছে ধনীর শ্রেণীর হাতে, জমি-দার শ্রেণীর হাতে। শতকরা মাত্র ৩৯ ভাগ মানুষের হাতে এই জমি রয়েছে। বাকী ৬১ ভাগ মানুষ প্রকৃত কৃষক হওয়া সত্ত্বেও তাদের হাতে চাষ করবার কোন জমি নাই। এই কৃষকরা আজ জমি ছেড়ে শহরে এসে রিক্সা চালাতে আরম্ভ করেছে। তারা গ্রাম ছেড়ে শহরে এসে শ্রমিকে পরিণত হয়েছে। ৩৯ ভাগ মানুষের হাতে যে জমি আছে তাতে জল সেচের ব্যবস্থা হয়। কিন্তু গরীব চাষীদের জমিতে কোন জল সেচের ব্যবস্থা নাই। গতবার আসাম সরকারের কাছে এই গরীব কৃষকদের জমিতে যাতে জল সেচের ব্যবস্থা হয় তার জন্য আমরা আবেদন করেছিলাম। বিভাগীয় মন্ত্রী মহোদয়ও বলেছিলেন এর ব্যবস্থা নেওয়া হবে। কিন্তু আজকে হিসাব নিকাশ করে দেখা দরকার বিগত ১ বছরে কতটা জমিতে জল সেচ করা হয়েছে। আমার মনে হয় আসামে যে জমি আছে তার শতকরা মাত্র ৭ বা সাড়ে সাত ভাগ জমিতে এই জলসেচের ব্যবস্থা করা হয়েছে। আমি বিশেষ করে কাছাড় জেলার কথা বলছি। অন্যান্য জেলার খবর আমি ঠিক জানি না। কিছুদিন আগে কমঃ দীপক ভট্টাচার্য্য কাছারের খরা পরিস্থিতি নিয়ে এই সদনে আলোচনা করছেন। আজ কাছাড়ে ভীষণ খরা চলছে—কোথাও এক বিন্দু জল নেই। মন্ত্রী

কিন্তু আছেন। ঠিক সেইভাবে পথের দরকার, পথ"নেই-মন্ত্রী ছিল। কাছাড়ের সমস্ত জমি খরায় নষ্ট হতে চলেছে, সমস্ত জমি জলের অভাবে শুকিয়ে গেছে।

মহোদয়, সমগ্র আসামের অভিজ্ঞতা আমার নাই, তবে কাছাড়ের ব্যাপারে আমার ব্যক্তিগত অভিজ্ঞতা আছে। আমার মনে হয় কাছাড়ের মত এই রকম জেলা আসমে আরও আছে যেখানে এই রকম ফসল নষ্ট হয়েছে। মেজর স্কীম যদিও বা আমরা না নিতে পারি মাইনর ইরিগেশন স্কীম নিতে পালে-ও তো অন্ততঃ পক্ষে বিলের বুরো ফসল এভাবে নষ্ট হতো না। কিন্তু ঐ ইরিগেশন বিভাগের তো এ দিকে নজর নাই। তারা কেবল পাশা সাহেবকে নিয়ে মত্ত আছেন। কৃষকের ফসল বাচানোর দায়িত্ব যেন তাদের মোটেই নাই, আমরা অত্যন্ত উদ্বেগের সঙ্গে লক্ষ্য করছি যে এই ইরিগেশন বিভাগ গত বছর ১ কোটি ১০ লক্ষ টাকা ফিরিয়ে দিয়েছে এবং নন-প্লেন খাতে ৬৫ লক্ষ টাকা ফিরিয়ে দিয়েছে। মানুষ জলের অভাবে খেত করতে পারছে না, কৃষকরা শুধু আকাশের দিকে তাকিয়ে বলছে-আল্লা মেঘ দে পানী দে-অথচ মন্ত্রী অনড়। প্রশাসন বিকল। কৃষককে প্রাকৃতিক দুর্যোগ থেকে রক্ষা করার জন্য বৈজ্ঞানিক ব্যবস্থা প্রয়োগ করার নামইতো প্রশাসন। যদি আমাদের সরকার বৈজ্ঞানিক ব্যবস্থা অবলম্বন না করেন এবং শ্রীগোরাঙ্গের নাম নিয়ে হরিনাম কীর্ত্তন করতে থাকেন আর আল্লা মেঘ দে পানী দে করতে থাকেন তাহলে কৃষকদেরে এবং ফসল রক্ষা করবে কে? যাই হোক অধ্যক্ষ মহোদয়, এবারে আমি স্বাস্থ্য বিভাগ সম্পর্কে বলছি। এবারে আমরা স্বাস্থ্য বিভাগের জন্য যে টাকা বাড়িয়েছি সেটা নিশ্চয়ই আমরা অনুমোদন করবো "ইয়েস ইয়েস" বলে, কারণ

ভোট তো আমরা পারবনা। সুতরাং যা টাকা দেওয়া হয়েছে এই বাজেটে, আমরা সমীক্ষা নিয়ে দেখেছি যে পুরো টাকা মাত্র শতকরা ৩০ ভাগ আসামের গ্রামাঞ্চলে খরচ করা হয়। অথচ সারা রাজ্যের শতকরা ৯০ ভাগ মানুষ থাকে গ্রামাঞ্চলে। আমাদের আসামে একজন ডাক্তারকে পড়াতে গেলে রাজ্যের এক এক জন মানুষের বছরে মাথা পিছু ·১০ পয়সা করে ট্যাকস দিতে হয়। আর গ্রামের মানুষের জন্য আমরা খরচ করি মাত্র শতকরা ৩০ ভাগ টাকা। অন্যদিকে শহরেও আমরা তেমন সুযোগ সুবিধা দেওয়া হচ্ছে বলে দেখছিনা আর আমার মনে হয়, আপনাদের আসামে এমন কোন গ্রাম নাই যেখনে ডাক্তার আছে। আজ সকালবেলা প্রশ্নত্তোরে-র সময় স্বাস্থ্য বিভাগের মন্ত্রী বলেছিলেন যে, সব জায়গায় ডাক্তার আছেন। অপরদিকে বলছেন যে কোন কোন জায়গায় বিশেষতঃ কাছাড়ের গ্রামাঞ্চলে ইষ্টবেঙ্গলের পাশকরা ডাক্তার আছেন, তাদের বিদ্যা ক্লাস সেভেন বা এইট পর্য্যন্ত। আর, আমরা জানি ওদের বয়সও ৪০ বৎসরের বেশী নয়। ২০ বৎসরের মধ্যে ওদের আর রিটায়ার করার কোন সম্ভবনা নাই। গতিকে স্বাস্থ্য বিভাগ যাতে গ্রামাঞ্চলের জন্য আরও বেশী পয়সা খরচ করতে পারে, গ্রামের লোকদের স্বাস্থ্য রক্ষার জন্য যাতে সচেষ্ট হতে পারে তার জন্য আমি সরকারের প্রতি দৃষ্টি আকর্ষণ করছি। মহোদয়, একথা সরকার নিশ্চয়ই অবগত আছেন যে আসামের ডাক্তাররা ধর্মঘটের ডাক দিয়েছেন। যদিও বা তারা সাহেব মানুষ, আমাদের মতো তো তারা আর ইনক্লাব জিন্দাবাদ বলে রাস্তায় বেরুতে পারবেন না। তবুও তারা ধর্মঘটের ডাক দিয়েছেন। কিন্তু তার কারণ কি? কারণ হলো যে ১৫।২০।২৫ বৎসর যাবৎ এক একজন ডাক্তার সমাজের সেবা করে

আসছেন অথচ আজ পর্য্যন্ত তাদের সার্ভিস কনফার্মড হয় নি। কংগ্রেস আমলে ফেমিলি প্ল্যানিং এ যারা ভাল রিজাল্ট দেখাতে পারে নি তাদের ইবি বন্ধ করা হয়েছে। অনেকের বেতন আজ পর্য্যন্ত বন্ধ আছে। আমাদের এলাকার যিনি চক্ষু চিকিৎসক তার বেতন এখন পর্য্যন্ত বন্ধ আছে। সুতরাং এইসব ডাক্তারদের সার্ভিস যদি কনফার্ম করা না হয় বা চাকুরীর অন্যান্য সুবিধা থেকে যদি তারা বঞ্চিত হয় তাহলে তারা সুস্থ চিন্তাধারা নিয়ে সমাজের সেবা করতে পারে না।

অধ্যক্ষ মহোদয় আর একটা জিনিষ হলো যে গ্রামাঞ্চলে ম্যালেরিয়ার ফিলড অফিসার এবং ফেমিলি ওয়েলফেয়ারের ডাক্তার যারা গ্রামে ঘুরা ফেরা করেন তাদের বাসস্থানের কোন ব্যবস্থা নাই। হাসপাতালে যে সব নার্স কাজ করেন তাদেরও বাসস্থানের কোন ব্যবস্থা নাই। এই ব্যাপারে নাকি কিছুটা পয়সা দেওয়া হয়েছে পি ডাব্লু ডির হাতে তারা নাকি ঘরদোর তৈরী করে দেবেন। জানিনা তারা কি করবেন। কিন্তু শিলচরে তারা যে ট্রেন্সপোর্ট বিল্ডিং তৈরী করেছিলেন সেটা যে দিন আমাদের মুখ্যমন্ত্রী উদ্বোধন করেছিলেন, সেইদিনই ভেঙ্গে পড়েছিল।

হাসপাতালে চার আনা পয়সা দেওয়ার যে সিষ্টেম আছে সেটা তুলে নেওয়া হয়েছে। প্রশ্ন হলো যে কেন্দ্রীয় সরকার তা মানবে কি না? কিন্তু বর্ত্তমানে আমরা লক্ষ্য করেছি যে এই চার আনা পয়সা তুলে নেওয়ার সঙ্গে সঙ্গে হাসপাতালে খাওয়া বন্ধ করে দেওয়া হয়েছে, লাইট নাই, ঔষধ দেওয়া বন্ধ। জানি না, সরকার ঔষধ দিয়ে থাকেন কি না। কিন্তু সত্য কথা এই যে- জনসাধরণ হাসপাতালে ঔষধ পায় না। এটি—এস ইনজেকশন

নাই। কটন নাই, সেলাইন নাই কিছুই নাই। আমি এইদিকে সরকারের দৃষ্টি আকর্ষণ করছি।

মহোদয়, আমাদের শিলচরে যে মেডিকেল কলেজ আছে তা পূর্ণাঙ্গ মেডিকেল কলেজ হবে কি না আমি জানি না আর ইণ্ডিয়ান মেডিকেল কাউন্সিল এই কলেজটিকে রিকগনিশন দেবে কি না তাও চিন্তার ব্যাপার হয়ে দাঁড়িয়েছে। তা ছাড়া, গ্রামাঞ্চলে বিশেষতঃ আমার বদরপুর সমষ্টিতে একটাও হাসপাতাল নাই। এই নিয়ে আমরা বার বার আবেদন করেছি এবং মন্ত্রী মহোদয়ও এই সদনে বলেছেন হবে। জানিনা কবে হবে।

Shri Giasuddim Ahmed :— Mr. Speaker, Sir, in course of the budget discussion various departments are criticised or discussed. But unfortunately most of the Ministers are absent. This is really unfortunate.

Shri Kashab Chandra Gogoi ( Minister, Finance ) : — Mr. Speaker, sir, the Finance Minister is here. He is taking down notes and all the Ministers will be informed about the criticisms made in the House.

শ্রীরামেন্দ্র দে—মহোদয়, আজ এই জনতা সরকার কি বলতে পারবেন যে এই আসাম রাজ্যে জনতা সরকার প্রতিষ্ঠিত হওয়ার পর কতটা নতুন হাসপাতাল খোলা হয়েছে এবং কতজন ডাক্তারের চাকুরী তারা দিয়েছেন? আমরা অনেক ডিপার্টমেট সম্পর্কে বলি কিন্তু শিক্ষা এবং স্বাস্থ্য এই দুইটি ডিপার্টমেণ্টের উন্নতির কথা শুনলে লোকে তো হাসবে-বুড়া ও হাসবে! কারণ স্বাস্থ্য এবং শিক্ষা

এই দুইটি বিভাগের কোন উন্নতি হয়েছে- একথা বলার কোন অধিকার এই জনতা সরকারের নাই। বলতে পারবন যে এই জনতা সরকার এক বৎসর ধরে ক্ষমতায় আসার পর কোন প্রাথমিক স্কুলের শিক্ষকের চাকরী হয়েছে এইটা স্কুল খোলা হয়েছে ? কেবল ডি পি আই বদলেছে। উপর তলায় অদলবদল করা হয়েছে। এখানকার ঝাপি সরিয়ে ওখানে রাখা হয়েছে। কিন্তু একটা ডাক্তার নিয়োগ করা হয়নি, পানীয় জলের ব্যবস্থা করা হয়নি। সেদিন যখন মন্ত্রীমহোদয়কে আমি বলেছিলাম যে কাছাড় জেলার বর ক নদীতে জল শুকিয়ে গিয়েছে তখন তিনি বলেছিলেন যে তাআমরা কি করব ? তাহলে প্রশাসন কেন? সেটা নিশ্চয়ই সরকারের দায়িত্ব। অথচ কোটি কোটি টাকা সরকার সারেন্দার করেছেন। কেবল কাছাড় থেকে এই খাতে ৬ লক্ষ টাকা ফেরৎ যাচ্ছে। অথচ ঐসব অঞ্চলের লোক একফোঁটা জল পাচ্ছে না। কোন এচিভমেণ্ট নাই এই সরকারের।

সুতরাং অধ্যক্ষ মহাশয়, আমি বলতে চাই যে এই বাজেট জনসাধারণের বাজেট নয়। এতে কোন শ্রমিকের কথা, মেনতী জনসাধারণের কথা নেই। এই বাজেট একটা বুজোয়া ধনতান্ত্রিক সমাজের জন্য তেরী বাজেট সমাজবাদের জার্সি পরিয়ে এই সদনে উপস্থিত করা হয়েছে।

Mr. Speaker : - Now, Mr. Allauddin Sarkar,

শ্ৰীআলাউদ্দিন চৰকাৰঃ— মাননীয় অধ্যক্ষ মহোদয়, বৰ্ত্তমান যি বাজেট উত্থাপন কৰা হৈছে আৰু তাৰ ওপৰত যেনে ধৰণৰ আলোচনা চলিছে সেই প্ৰসঙ্গত যোৱা বছৰৰ কেইটামান কথা মনত পৰিছে। সেই সময়ত আমাৰ বিত্তমন্ত্ৰী মহোদয়ে সময় পোৱা নাছিল কাৰণেই

সেইখন বাজেটক কংগ্ৰেছৰ বাজেট বুলি কৈছিল আৰু ইয়াৰ পিচত যিখন বাজেট আগবঢ়োৱাৰ সেইখন জনতাৰ বাজেট হব বুলি কৈছিল এতিয়া দুখৰ বিষয় এই যে জনতাৰ বাজেটত জনতাই নাই। এই খন মাটি বাজেট। সুন্দৰ এখন অসম গঢ়িম বুলি মুখ্যমন্ত্ৰীয়ে যি প্ৰতিশ্ৰুতি আগবঢ়াইছিল বৰ্ত্তমান ইয়াত আমি অসমৰ কোনো উজ্জল ছবি দেখিবলৈ পোৱা নাই। অসমৰ অৰ্থনীতিয়ে যে বহুদিনৰ পৰা সংকটপূৰ্ণ অৱস্থা পাইছেগৈ সেই কথাটো হলে ইয়াত প্ৰকটৰূপে দেখিবলৈ পোৱা হৈছে। কিন্তু এই অৱস্থাপ্ৰাপ্ত হবলগীয়া হ'ল সেইটো ভালকৈ চালিজাৰি চোৱা হওক। তেতিয়াহলে এইটো কথা সুস্পষ্ট হৈ পৰিব যে এই ৰাজ্যখন এখন পশ্চাৎগামী ৰাজ্য। গোটেই ভাৰতৰ তুলনাত এই ৰাজ্যতেই জনমূৰি আয় আটাইতকৈ কম, বিজুলী উৎপাদন আৰু ব্যৱস্থাৰ যাৰ দ্বাৰাহে কৃষিৰ উত্‌পাদন বৃদ্ধি হোৱাতো আশা কৰিব পাৰি সেই বিলাক নিতান্ত কম। সেই কাৰণে এই পশ্চাৎগামী ৰাজ্যখনৰ অৱস্থা আৰু কেন্দ্ৰৰ লগত ইয়াৰ সম্পৰ্ক ভালকৈ চালিজাৰি চোৱা উচিত। বিত্তীয় আয়োগৰ পৰাও অসমলৈ সদ্‌ব্যৱহাৰ পোৱা নাই। আমি আঁচনী আদিৰ কাৰণে যি পৰিমাণে টকা পাম বুলি আশা কৰিছিলো যি ধৰণে ৰাজ্যৰ উন্নতি কৰিম বুলি সপোন দেখিছিলো ৰাজ্যপালৰ ভাষণৰ জৰিয়তে যাৰ ইঙ্গিত দিয়া হৈছিল সেই মোহ সৃষ্টি কৰা প্ৰতিশ্ৰুতি পূৰণৰ কাৰণে ইয়াক বাস্তৱত ৰূপ দিয়াৰ কাৰণে কোনো কথা বাজেট ভাষণত নাই। এইটো আমাৰ নিচিনা অৰ্থনৈতিক ভাৱে পিচপৰা ৰাজ্য এখনৰ কাৰণে অতি দুখ লগা কথা।

অধ্যক্ষ মহোদয়, অসম এখন কৃষি প্ৰধান ৰাজ্য। কৃষিৰ ওপৰত বেছি ভাগ লোকেই নিৰ্ভৰ কৰে। কিন্তু শতকৰা পাচ ভাগ খেতিয়কৰ হাততে চল্লিশ ভাগৰ ওপৰ খেতিৰ মাটি

আছে। ইয়াৰ দ্বাৰা খেতিৰ বিশেষ একো আশা কৰিব নোৱাৰি। ৰাজ্যখনক কৃষিৰ ক্ষেত্ৰত আগুৱাই দিবলৈ হলে কৃষি ভিত্তিক ব্যৱস্থাৰ ওপৰত জোৰ দিবলৈ অধিক যত্নপৰ হব লাগিব। কিন্তু দুখৰ বিষয় এই কৃষিৰ ক্ষেত্ৰত বিদেশী পূজিৰ সংযোগ ঘটাবলৈ চেষ্টা কৰা হৈছে। বিশ্ববেংকৰ পৰা ঋণ লোৱাৰ ব্যৱস্থা কৰা হৈছে যদিও তেলীৰ মূৰত তেল দিয়া ব্যৱস্থাহে হৈছেগৈ। মূলতঃ এইটো কথা ঠিক যে ভূমিসংস্কাৰ নকৰাকৈ কৃষিৰ আমূল পৰিবৰ্ত্তন বিচৰাটো এটা ভোকাভাওনাহে মাত্ৰ সঁচাকৈয়েই ভেকোভাওনাৰ বাহিৰে আন একো হব নোৱাৰে। ভূমিসংস্কাৰৰ ক্ষেত্ৰত ৰাজহ মন্ত্ৰীয়ে কৈছিল যে ভূমি সংস্কাৰৰ কাৰণে উচ্চ ক্ষমতাসম্পন্ন সমিতি এখন গঠন কৰি দিয়া হৈছে আৰু ভূমি সমস্যা চালিজাৰি চাই ইয়াৰ প্ৰতিবেদন সদনৰ টেবুলত দাখিল কৰাৰ কথা আছিল। কিন্তু এতিয়ালৈকে সেইটো উপস্থাপন কৰা হোৱা নাই। আমি নেজানো কেনেকৈ এই কৃষিপ্ৰধান ৰাজ্যখনৰ উন্নতি হব বা অগ্ৰগতি হব ভাবি নাপাও।

আমাৰ মানুহৰ যিখিনি মাটিৰ দৰকাৰ কৃষিৰ ক্ষেত্ৰত সেইখিনি মাটি নহলে একো উন্নতি হব নোৱাৰে। এই সম্পৰ্কে আমাৰ বাজেটত উল্লেখ নাই। আমাৰ বৰ্ত্তমান আটাইতকৈ ডাঙৰ সমস্যা হল নিবনুৱা সমস্যা। এতিয়া ২ লাখ ৮৫ হাজাৰ পঞ্জীভুক্ত নিবনুৱা আমাৰ আছে। দহ বছৰৰ ভিতৰতে আমাৰ জনতা চৰকাৰে নিবনুৱা সমস্যা সমাধান কৰা হব বুলি প্ৰতিশ্ৰুতি দিছিল। দুঃভাগ্যবশতঃ আজি দেখা গৈছে আমাৰ এই চৰকাৰে কোনোৰকমৰ প্ৰতিশ্ৰুতি ৰক্ষা কৰিব পৰা নাই। আমাৰ অভিজ্ঞতাৰ পৰা যোৱা এটা বছৰৰ মাজত আমি এই চৰকাৰক কোনো কামতে আংশিক ভাবেও একো কৰিব দেখা নাই। সেইকাৰণে মই

ভাবো যে, যোৱা এটা বছৰ জীৱনৰ বাৰ্থ বছৰ। জনতা চৰকাৰে প্ৰতিশ্ৰুতি দিয়ামতে কাম কৰিব পৰা নাই বাবেই আজি আমি ব্যৰ্থতাক সাবতি লবলৈ বাধ্য হৈছো। অলপ আগতে এইটো কোৱা হৈছে যে, আজিলৈকে মহকুমা লেভেলত যিবিলাক বৰ্ড গঠন কৰি দিয়া হৈছে, সেই বিলাকৰ কাম কৰাৰ আগ্ৰহ নাই। আজি প্ৰাইমেৰী শিক্ষাৰ ক্ষেত্ৰতো আজি এজন শিক্ষক নিয়োগ কৰিব পৰা নাই। প্ৰতিখন ৰেভিনিউ ভিলেজত একেখনকৈ প্ৰাইমেৰী স্কুল পাতি দিয়াৰ কথা আছিল। কিন্তু আজিলৈ এখনো স্কুল স্থাপন নহল। সপ্তম বিত্তীয় আয়োগৰ কথা মই অলপ আগতে উল্লেখ কৰিছো। আজি আমি তেলৰ পৰা যিটো ৰাজহ পাওঁ চাহৰ পৰা যি প্ৰাপ্য পাওঁ সেইবোৰৰ পৰা আমাক নাৰ্য্য প্ৰাপ্য পোৱাৰ ক্ষেত্ৰত বঞ্চিত কৰা হৈছে। কেন্দ্ৰৰ লগত আমাৰ সম্পৰ্ক কেনে ধৰণৰ হৈ আছে আমাৰ নাৰ্য্য প্ৰাপ্য পোৱাৰ ক্ষেত্ৰত সেইবোৰ আমি চালিজাৰি চাব লাগিব।

অধ্যক্ষ মহোদয়, ভূমি সংস্কাৰৰ ক্ষেত্ৰত যিবিলাক অভিযোগ আৰু দুনীতি দূৰ কৰিব লাগিব প্ৰশাসন নিকা কৰাৰ কথা আছিল। যি কথা বাৰে বাৰে কোৱা হৈছে। কিন্তু প্ৰশাসন নিকা কৰা দূৰৰ কথা, দিনে দিনে বেয়াৰ ফালেহে ঢাল খাইছে। যোৱা ৩০ বছৰত যিবিলাক ভাল নীতি জাতীয় নীতি হিচাবে গৃহীত হৈছিল আজি সেইবিলাক বিবেচনা কৰা হৈ আছে। ইয়াৰোপৰি গাওঁৰে ভূইয়ে যিবিলাক আবৰ্জনা কংগ্ৰেচ চৰকাৰৰ দিনত আছিল সেইবিলাক আতৰাই পেলোৱাৰ কথা চিন্তা কৰিব হৈছিল। গতিকে সকলো বিষয়তে ভাল ৰকমে চাই যাতে আমাৰ ৰাজ্যখনে সকলো দিশতে আগবাঢ়ি যাব পাৰে তাৰ কাৰণে চৰকাৰে চিন্তা কৰিব লাগে। এইখিনিকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিলো।

শ্ৰীপ্ৰসাদ দলৈ ঃ— অধ্যক্ষ মহোদয়, ১৯৭৯-৮০ চনৰ বাজেট বক্তৃতাত বিত্ত মন্ত্ৰী ডাঙৰীয়াই যি কথা ইয়াত উল্লেখ কৰিছে তাৰ পৰিপ্ৰেক্ষিতত মই দুআষাৰমান কথা কবলৈ বিচাৰিছো। অধ্যক্ষ মহোদয়, এই বাজেট বক্তৃতা দিবলৈ যাওতে মোৰ মনলৈ এটা কথা আহিছে যে, ৰোমৰ জুলিয়াচ চিজাৰে চিনেট হাউচলৈ যাবৰ সময়ত তেওঁৰ পৰিবাৰ কেল্পৰ্নিয়াই কৈছিল যে, "হোৱেন বেগাৰচ্ দাই ন'ও কমেটচ চিন" যেতিয়া ভিক্ষাৰীৰ মৃত্যু হয় তেতিয়া ধুমকেতু দেখা নাযায়। আৰু যেতিয়া ৰজাৰ মৃত্যু হব লগা হয় তেতিয়া আকাশত ধুমকেতু দেখা যায়। আজি অসমৰ অৰ্থনীতিৰ ক্ষেত্ৰত এটা ধুমকেতুৰ সৃষ্টি হৈছে। আৰু তাৰ প্ৰতিক্ৰিয়া স্বৰূপে অসম দেশত কি পৰিস্থিতিৰ সৃষ্টি হয় কোৱা নেযায়। আজি অসমৰ অৰ্থনৈতিক উন্নতি সাধিবলৈ হলে আমি এটা কথাত বেছি মন দিব লাগে। সেইটো হৈছে অসমৰ ভৌগোলিক পৰিস্থিতি অসমৰ ইমূৰৰ পৰা সিমূৰলৈ যদি চাই যাওঁ আজি ব্ৰহ্মপুত্ৰ আৰু উপ নদী সমূহ, বৰাক নদী আৰু অন্যান্য নদী বিলাকে অসমৰ অৰ্থনৈতিক জীৱনত অসমৰ না না অপচয় আৰু অমংগলৰ সৃষ্টি কৰিছে। আজি কৃষিৰ ক্ষেত্ৰত যি আচঁনিয়েই লোৱা নহওক, যিমানেই পৰিকল্পনা লোৱা নহওক কোনো আচঁনিয়েই আজি অসমত কৃতকাৰ্য্যতা লাভ কৰিব পৰা নাই। ইয়াৰ মূল কাৰণ হৈছে অতিৰিক্ত বানপানী আৰু কোনো কোনো ঠাইত খৰাং বতৰৰ কাৰণে অৰ্থনৈতিক ক্ষেত্ৰত ব্যাঘাট ঘটিছে। আজি অসমত দেখা যায় যে, কৃষি বিভাগৰ আৰু কৃষি মন্ত্ৰীৰ লগত সেই সকলৰ চিন্তাৰ লগত বান নিয়ন্ত্ৰণ মন্ত্ৰীৰ কোনো সম্পৰ্ক নাই। সেইদৰে বাননিয়ন্ত্ৰন মন্ত্ৰীৰ লগত ইৰিগেচন মন্ত্ৰীৰ সম্পৰ্ক নাই। আকৌ ইৰিগেচন মন্ত্ৰীৰ লগত গড় কাপ্তানী বিভাগৰ মন্ত্ৰীৰ সম্পৰ্ক কম। আজি এই বিভাগ কেইটা বান-

নিয়ন্ত্রন, কৃষি, ইৰিগেচন, পাৱাৰ, এই আটাইকেইটাই যদি এটা নীতিৰ মাজত এটা চিন্তাৰ মাজত কৰা নহয়, তেনেহলে অসমৰ অৰ্থ-নৈতিক ক্ষেত্রত ই নিশ্চয় আগৰ দৰে বাধাৰ সৃষ্টি কৰি থাকিব।

এই বিভাগ কেইটা বাননিয়ন্ত্রন, কৃষি, জলসিঞ্চন আৰু বিদ্যুত এই গোটেই কেইটা বিভাগৰ মাজত কোনো সমন্বয় নীতি নাই। যাৰ ফলত অৰ্থনৈতিক দিশত এটা বাধাৰ সৃষ্টি কৰিব বিত্তমন্ত্রী মহোদয়ে নিশ্চয় স্বীকাৰ কৰিব লাগিব যে কৃষিৰ যিখিনি আচনি লোৱা হৈছে তাৰ লগে লগে জলসিঞ্চন আচনিৰ সংযোগ নহলে উৎপাদনত বাধাৰ সৃষ্টি হয়। অসমৰ অৰ্থনৈতিক দৃষ্টি কোনত যদি চোৱা যায় আজি বিভিন্ন বিভাগৰ বাননিয়ন্ত্রন, জলসিঞ্চন, বিদ্যুত এই বিভাগ কেইটাৰ মাজত কোনো সমন্বয় নাই। সেই কাৰণে সকলো কেইটি বিভাগৰ সমন্বয় সৃষ্টি কৰি যাতে অৰ্থনৈতিক দিশত কিছু আগবাঢ়ি যাব পাৰে তাৰ ব্যৱস্থা কৰিব লাগে।

অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ ডাঙৰীয়াই অৰ্থনৈতিক ক্ষেত্ৰত কি বাধা হৈ আছে সেই কথা কৈ গৈছে। উদ্যোগৰ ক্ষেত্ৰত ৩৪ টা উদ্যোগত চৰকাৰে সাহায্য দিছে। যত কোটি কোটি টকা চৰকাৰে দিছে কিন্তু চৰকাৰৰ কোনো লাভ। লাভ হোৱা নাই। অৰ্থনৈতিক দিশত সমাজ এখনক গঢ় দিবলৈ হলে আৰু নিবনুৱা সমস্যা দূৰ কৰিবলৈ হলে ডাঙৰ উদ্যোগ বিলাকক আমি সহায় কৰিবই লাগিব। কিন্তু তাৰ লগে লগে যিবিলাক ক্ষুদ্ৰ উদ্যোগ বা শিল্প আছে সেই উদ্যোগ বিলাক কো আমি সহায় কৰিব লাগিব। যিবিলাক ভলন্টিয়াৰী চাৰ্ভিচৰ প্ৰতিষ্ঠানক চৰকাৰে সহায় কৰি আছে সেই বিলাকত

বিশেষ গুৰুত্ব দিব লাগে। খাদী বৰ্ডক চৰকাৰে সহায় কৰি আছে, কিন্তু এই বিভাগৰ জৰিয়তে কি কি কাম হৈছে জনসাধাৰন কেনেকৈ উপকৃত হৈছে চৰকাৰে এই দিশ বিলাক চালি জাৰি চাব লাগিব। এই বিভাগত খাদী, বি কিপিং, গুৰ খানচাৰী আদি শাখা বিলাক জৰিত হৈ আছে এই বিলাকৰ ওপৰত যদি চৰকাৰে নজৰ দিয়ে তেনেহলে আমাৰ উদ্দেশ্য পূৰণ হব। কিন্তু আমি এই দিশত বিশেষ চকু কান দিয়া যেন অনুমান নহয়। সেই কাৰণে আমাৰ যিবিলাক ডাঙৰ ডাঙৰ উদ্যোগ আছে সেই বিলাক প্ৰতিষ্ঠা হওক কথা নাই কিন্তু সৰু উদ্যোগ যিবিলাক আছে সেই বিলাকৰ ওপৰত চৰকাৰে বিশেষ নজৰ দিব বুলি মই টানি অনুৰোধ কৰিলোঁ। আমাৰ এটা মীন বিভাগ আছে। কিন্তু মীন বিভাগে যি নীতি গ্ৰহণ কৰিছে তাৰ কিবা কাৰ্য্যকৰী ব্যৱস্থা কৰিব পাৰিছে বুলি আমাৰ সন্দেহ হয়। এইটো এটা ওৱেষ্টেজ বুলি কব পাৰি। এই বিষয়ত চৰকাৰৰ কোনো নীতি নাই বুলিয়েই কব পাৰি। প্ৰকৃত মাছুৱৈ সকলক মাছ ধৰাৰ কোনো ব্যৱস্থা কৰিব পৰা নাই। মৎস্য ক্ষেত্ৰবোৰ নিয়মানুবৰ্ত্তি মাজত নচলা সংগ্ৰহ কৰাত ৰাজ্যৰ অতি গুৰুত্বৰ ক্ষতি হৈছে। নিজৰ মাজতে সকলো কথাতে খোৱা কামোৰা। এটা মীন উন্নয়ন নিগম কৰা হৈছে আৰু মাত্ৰ ১৪ টা বিল লোৱাৰ ব্যৱস্থা কৰিছে। দেখা যায় গোটেই অসমতে এটা খেলিমেলিৰ সৃষ্টি হৈছে। কাৰো ওপৰত কাৰো কতৃত্ব নাই। আগতে যিবিলাকৰ পৰা আমি লক্ষ্য লক্ষ্য টকা ৰাজহ হিচাপে পাইছোঁ আজি তাৰ হিচাপেই নাই। অন্যৰ কথা বাদ দিয়ক মই মৰিগাৱঁৰ কথা কানো তাৰ বিল বিলাকৰ ওপৰত কাৰো কতৃত্ব নোহোৱা যেন হৈছে। পৰিচালনাৰ অভাৱত গোটেই ৰাজহ ওৱেষ্টেজ হোৱা

বুলি কব পাৰি।

অসমৰ শিক্ষা বিভাগত আজি অস্থিৰ নীতি দেখা যায়। ১৯৭৭ চনত প্ৰাইমেৰী স্কুলৰ লৰা ছোৱালী ১৬ লাখ ৫৬ হাজাৰ ২৮১ জনলৈ বাঢ়িছে বুলি ধৰা হৈছে। ১৯৭৯-৮০ চনত ২০ লাখ ২৯ হাজাৰলৈ বাঢ়িব বুলি ভবা হৈছে। কিন্তু পৰিতাপৰ বিষয় অসমত ২২ হাজাৰ খন গাও আছে আৰু ১১ হাজাৰ খন গাওঁতে কম সংখ্যক মানুহ বাস কৰা গাওঁ আছে বুলি কোৱা হয়। ২ হাজাৰখন গাওঁত প্ৰাইমাৰী বিদ্যালয় নাই। এই বিদ্যালয়বোৰ প্ৰতিষ্ঠা কৰা ক্ষেত্ৰত বাজেটত ভাৰ কোনো বিশেষ গুৰুত্ব থকা বুলি জনা নাযায়। অসমখন ভাৰতৰ ভিতৰতে শিক্ষাত পিচ পৰা। কেন্দ্ৰীয় চৰকাৰে নিৰক্ষৰতা দূৰীকৰণ আঁচনি গ্ৰহণ কৰাত আমি ভাল পাইছোঁ। কাৰণ অসমত শতকৰা মাত্ৰ ২৮ জনহে লিখা পঢ়া জনা লোক। বাকী সকলো খিনি নিৰক্ষৰ। আমি আশা কৰিছো এই আঁচনিৰ দ্বাৰা অন্ততঃ কিছু উন্নত হব। বিজ্ঞান শিক্ষাৰ ক্ষেত্ৰত অন্য ৰাজ্যৰ তুলনাত অসম পিচপৰি আছে। পৃথিৱী বিজ্ঞান শিক্ষাত আগবাঢ়ি আহিছে। আমাৰ শিক্ষা মন্ত্ৰী মহোদয় নিজে বিজ্ঞান শিক্ষাত আগ্ৰহী লোক। কিন্তু অসমত যিমানবিলাক চেকেণ্ডাৰী স্কুল আছে এতিয়ালৈকে সকলো বিদ্যালয়তে বিজ্ঞান মঞ্জুৰী দিয়া হোৱা নাই। যি সকলে কৰ্তৃপক্ষক আহি ধৰা মেলা কৰিব পাৰে ঘনাই আহিব পাৰিছে তেওঁলোকে বিজ্ঞানৰ মঞ্জুৰী পাইছে। কিন্তু বহুত স্কুল আছে যিবিলাকে এতিয়ালৈকে বিজ্ঞানৰ আহিলা পাতিকে দেখা নাই। আনহাতে স্কুল বিলাকত এই বিজ্ঞান শিক্ষা বাধ্যতামূলক হোৱা কাৰণে বহুত সময়ত তেওঁলোকে কৃতকাৰ্য্যতা লাভ কৰিব নোৱাৰে আনকি হাইস্কুল সমূহৰ শেষান্ত পৰীক্ষাৰ চাৰ্টিফিকেটো পাব নোৱাৰে।

আজি বিজ্ঞান মঞ্জুৰী নোপোৱাৰ কাৰণে স্কুল বিলাকে বিজ্ঞান শিক্ষাত বহুত পিচ পৰি আছে-যিখিনি এপাৰেটাচৰ দৰকাৰ সেইখিনি নাই। স্কুল বিলাকত কৰ্ম্ম অভিজ্ঞতা বুলি এটা বিয়য় দিয়া হৈছে। এই কৰ্ম্ম অভিজ্ঞতাৰ কাৰণে একোখন স্কুলে ২।৩ বাৰ পৰ্য্যন্ত মঞ্জুৰী পাইছে। কিন্তু মৰিগাওঁ হায়ৰাচেকেণ্ডেৰী স্কুলত এই কৰ্ম্ম অভিজ্ঞতা মঞ্জুৰী এবাৰো দিয়া নাই। আশা কৰোঁ এই বৈষম্য চৰকাৰে সোনকালে আঁতোৰাৰ ব্যৱস্থা কৰিব।

কৰ্ম্ম অভিজ্ঞতা এই বিষয়টো আচলতে এটা ভাল বিষয়। কিন্তু বৰ্ত্তমান যি কৰ্ম্ম অভিজ্ঞতাৰ শিক্ষা দিয়া হয় তাৰ দ্বাৰা সপোন সপোন হৈয়ে ৰব। মই আশা কৰোঁ আমাৰ শিক্ষা মন্ত্ৰী মহোদয়ে যিবিলাক স্কুলক এতিয়াও কৰ্ম্ম অভিজ্ঞতা মঞ্জুৰী আৰু বিজ্ঞান মঞ্জুৰী দিব পৰা নাই সেই বিলাক দিয়াৰ ব্যৱস্থা কৰিব যিবিলাক শিক্ষানুষ্ঠানত বিজ্ঞানৰ বিষয়টো আছে অন্ততঃ বিজ্ঞানৰ কোঠাত বহি যাতে ছাত্ৰ ছাত্ৰীয়ে বিজ্ঞান শিক্ষা লভিব পাৰে তাৰ ব্যৱস্থা কৰিব। ভাৰতীয় সংবিধানৰ লক্ষ্য হৈছে সংসদী গনতন্ত্ৰৰ যোগেদি সমাজবাদ প্ৰতিষ্ঠা কৰা। "কাচ্‌লেচ্‌ আৰু ক্লাচ্‌লেচ্‌ চোচাইটি গঠন কৰা।

( সময়ৰ সংকেত )

কিন্তু সমাজবাদ প্ৰতিষ্ঠাৰ কাৰণে আচনি গ্ৰহণ কৰিব পাৰিছেনে এই বাজেটত তাৰ কিবা ব্যৱস্থা আছেনে? শ্ৰেণী বিহীন সমাজ এখন তৈয়াৰ কৰাৰ কাৰণে, সাম্প্ৰদায়িকতা দূৰ কৰাৰ কাৰণে কিবা ব্যৱস্থা লৈছেনে? এইবিলাকৰ বিষয়ে বাজেটত কোনো ইঙ্গিত নাই। গতিকে সমাজবাদ কৰ পৰা প্ৰতিষ্ঠা

হব ?

( সময়ৰ সংকেত )

এই খিনিকে কৈ মোৰ বক্তৃতাৰ সামৰণী মাৰিলোঁ।

Mr. Speaker :— The House stands adjourned till 10 A.M. tomorrow, the 8th March, 1979.

## ADJOURNMENT

The House then rose at 5 P. M. and stood adjourned till 10 A. M. on Thursday, the 8th March, 1979.

DISPUR :
The 7th March, 1979.

P. D. BARUA.
Secretary,
Assam Legislative Assembly